GHT S2 01

চুলতানসকলৰ দিনৰ পৰা মোগলসকলৰ দিনলৈ ভাৰতৰ ইতিহাস

দ্বিতীয় ষান্মাষিক

ইতিহাস

খণ্ড - ১

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

ড° সুনীল প্রৱণ বৰুৱা, অৱসৱপ্রাপ্ত অধ্যক্ষ, বি বৰুৱা মহাবিদ্যালয়, গুৱাহাটী
ড° গজেন্দ্র অধিকাৰী, অধ্যক্ষ, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়, গুৱাহাটী
ড° মৌচুমী দত্ত পাঠক, মুৰব্বী অধ্যাপিকা, ইতিহাস বিভাগ, আর্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী

সমন্বয়ৰক্ষীঃ সুকমায়া লামা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১	সুকমায়া লামা	চেলিম মহম্মদ শইকীয়া
২, ৩, ৪, ৫, ৬	গার্গী শর্মা আৰু বিশ্বজ্যোতি দেৰ মহন্ত প্রাগজ্যোতিষ মহাবিদ্যালয়	পংকজ বৰা,আর্য বিদ্যাপীঠ মহাবিদ্যালয় আৰু নিশান্ত পৰাজুলি
৭	ধনমনি কলিতা (গৱেষক, গু. বি.)	ধনমনি কলিতা, (গৱেষক, গু. বি.)

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনা ঃ ড° গার্গী শর্মা, ইতিহাস বিভাগ, প্রাগ্জ্যোতিষ মহাবিদ্যালয়

ভাষা সম্পাদনা ঃ ড° মঞ্জু গোস্বামী, আর্য বিদ্যাপীঠ মহাবিদ্যালয়
ড° দিলীপ ৰাজবংশী, কটন কলেজ

গাঁথনিক সম্পাদনা ঃ সুকমায়া লামা ,কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

জানুৱাৰী,২০১৮

© Krishna Kanta Handiqui State Open University.

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

Printed and published by Registrar on behalf of the Krishna Kanta Handiqui State Open University.

Head Office : Patgaon, Rani Gate, Guwahati-781017
City Office : Housefed Complex, Dispur, Guwahati-781 006; Web: www.kkhsou.in

The University acknowledges with thanks the financial support provided by the **Distance Education Council**, New Delhi, for the preparation of this study material.

বিষয় সূচী
খণ্ড - ১

			পৃষ্ঠা নং
অধ্যায় ১	ঃ	**মধ্যযুগীয় ভাৰতৰ সমলসমূহ** সাহিত্যিক, দেশীয় আৰু বিদেশী সমল, প্ৰত্নতাত্ত্বিক	৫-১৬
অধ্যায় ২	ঃ	**চুলতানসকলৰ শাসনৰ ভেটি** সিন্ধুৰ আৰবসকল, গজন্ৰী বংশ, ঘূৰী বংশ	১৭-২৭
অধ্যায় ৩	ঃ	**দিল্লী চুলতানীৰ বংশসমূহ** দাস বংশ, খিলিজী বংশ, টুঘলক্ বংশ, চৈয়দ বংশ, লোডী বংশ	২৮-৪০
অধ্যায় ৪	ঃ	**দিল্লী চুলতানসকলৰ প্ৰশাসন** কেন্দ্ৰীয় প্ৰশাসন, প্ৰাদেশিক প্ৰশাসন, ভূমি ৰাজহ ব্যৱস্থা	৪১-৫৩
অধ্যায় ৫	ঃ	**দিল্লী চুলতানী সাম্ৰাজ্যৰ পতন** দিল্লীৰ চুলতানসকলৰ পতনৰ বাবে দায়ী কাৰকবোৰ, পৰিণাম	৫৪-৬১
অধ্যায় ৬	ঃ	**চুলতানসকলৰ অধীনত সমাজ, অৰ্থনীতি আৰু ধৰ্ম** সমাজ ব্যৱস্থা, অৰ্থনীতি, কৃষি, ব্যৱসায়-বাণিজ্য, উদ্যোগ, ভক্তি আৰু চুফী আন্দোলনৰ উত্থান	৬২-৭৭
অধ্যায় ৭	ঃ	**প্ৰাদেশিক ৰাজ্যবোৰৰ উত্থান** বিজয় নগৰ আৰু বাহ্মণি ৰাজ্য, গুজৰাট, মালৱা আৰু জৌনপুৰ	৭৮-৯৬

পাঠ্যবিষয় পৰিচয় :

এইপাঠ্যবিষয় কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সংশোধিত যান্মাষিক পদ্ধতিৰ স্নাতক (কলা) পাঠ্যক্রমৰ অন্তর্গত ইতিহাস বিষয়ৰ দ্বিতীয় যান্মাষিকৰ শিক্ষার্থীৰ বাবে যুগুত কৰা হৈছে। পাঠ্যবিষয়ৰ শিৰোনাম হ'ল "চুলতানসকলৰ দিনৰ পৰা মোগলসকলৰ দিনলৈ ভাৰতৰ ইতিহাস"। এই পাঠ্য বিষয়টিয়ে আপোনাক মধ্যযুগীয় ভাৰতৰ ইতিহাসৰ বিষয়ে পৰিচয় কৰাই দিব। পাঠ্য বিষয়টিয়ে ভাৰতত মুছলমানৰ আক্রমণৰ প্রাৰম্ভিক সময়চোৱাৰ ওপৰত, লগতে দিল্লীৰ চুলতানীৰ অধীনত ভাৰতবর্ষত মুছলমান সাম্রাজ্যৰ প্রতিষ্ঠাৰ বিষয়েও আলোকপাত কৰ্ব্বি । এইপাঠ্যবিষয়ত মুঠ পোন্ধৰটা অধ্যায় সন্নিবিষ্ট আছে।

খণ্ড পৰিচয়

এই পাঠ্যবিষয়ৰ প্রথম খণ্ডটোত আপোনাক মধ্যযুগৰ ভাৰতৰ ঐতিহাসিক সমল আৰু চুলতানীসকলৰ ৰাজত্বকালৰ বিভিন্ন দিশবোৰৰ ওপৰত আলোকপাত কৰিব, লগতে চুলতানী শাসনৰ পতনৰ পিচত উত্থান হোৱা আঞ্চলিক ৰাজ্যৰ বিষয়ে পৰিচয় কৰাই দিব। এই খণ্ডটোত মুঠ সাতটা অধ্যায় আছে।

প্রথম অধ্যায়টি হ'ল 'মধ্যযুগৰ ভাৰতত সমলসমূহ'। অধ্যায়টিত মধ্যযুগৰ ভাৰতৰ ইতিহাস জনাত সহায় কৰা বিভিন্ন সাহিত্যিক তথা প্রত্নতাত্ত্বিক সমলৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টি হ'ল 'চুলতানসকলৰ শাসনৰ ভেটি'। এই অধ্যায়টিত সিন্ধু অঞ্চলত আৰবসকলে কৰা প্রথম আক্রমণবোৰৰ লগতে গজন্বী আৰু ঘূৰী বংশই প্রতিষ্ঠা কৰা মুছলমান ৰাজ্যবোৰৰ বিষয়ে আলোচনা কৰা হৈছে।

'দিল্লী চুলতানসকলৰ বংশ' নামৰ তৃতীয় অধ্যায়টিত দাস বংশ, খল্জী বংশ, টুগলক্ বংশ, চৈয়দ বংশ আৰু লোডী বংশৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে।

চতুর্থ অধ্যায়টি হ'ল হ'ল 'দিল্লী চুলতানসকলৰ প্রশাসন' আৰু অধ্যায়টিত্ত আলোচ্য বিষয় হ'ল চুলতানসকলৰ শাসনকালৰ প্রশাসনিক ব্যৱস্থা।

পঞ্চম অধ্যায়টি হ'ল 'দিল্লী চুলতানসকলৰ পতন' যিয়ে আপুনাক দিল্লীৰ চুলতানসকলৰ পতনৰ বাবে দায়ী কাৰণবোৰ চিনাক্তকৰণ কৰাত সহায় কৰিব।

ষষ্ঠ অধ্যায়টি হ'ল 'চুলতানসকলৰ অধীনত সমাজ, অর্থনীতি আৰু ধর্ম'। ইয়াত চুলতানসকলৰ শাসনকালত প্রজাৰ জীৱনৰ অ-ৰাজনৈতিক দিশবোৰৰ ওপৰত আলোকপাত কৰা হৈছে।

'প্রাদেশিক ৰাজ্যবোৰৰ উত্থান' নামৰ সপ্তম অধ্যায়টিৰ জৰিয়তে আপোনাক চুলতানসকলৰ শাসন ব্যৱস্থা ভাগি যোৱাৰ পাছত উত্থান ঘটা বিভিন্ন আঞ্চলিক ৰাজ্যৰ বিষয়ে অৱগত কৰোৱা হ'ব।

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিবিষ্ট হৈছে। সেইদৰে — 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'অনুশীলনী'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'সম্ভাব্য প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আর্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ মধ্যযুগীয় ভাৰতৰ সমলসমূহ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ মধ্যযুগীয় ভাৰতৰ সাহিত্যিক সমলসমূহ

- দেশীয়
- বৈদেশীক

১.৪ প্রত্নতাত্ত্বিক সমলসমূহ

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্রগতিৰ খতিয়ান

১.৮ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- মধ্যযুগীয় ভাৰতৰ ইতিহাস অধ্যয়নৰ বাবে বিভিন্ন সাহিত্যিক সমলসমূহৰ বিষয়ে বর্ণনা আৰু আলোচনা কৰিব পাৰিব,
- মধ্যযুগীয় সময়ছোৱা আলোকপাত কৰা বৈদেশীক সাহিত্যিৰ বিৱৰণীসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- মধ্যযুগীয় ভাৰতৰ বিভিন্ন প্রত্নতাত্ত্বিক সমলসমূহ আৰু ভগ্নাৱশেষ সমূহৰ বিষয়ে ব্যাখ্যা কৰিব পৰিব।

১.২ পৰিচয়

দিল্লী চুলতানীৰ পৰা মোগলসকলৰ আগমনলৈকে ভাৰতীয় ইতিহাসৰ কালছোৱা আলোচনা কৰা পাঠ্যবিষয়ৰ এইটো হ'ল প্রথম অধ্যায়। এই অধ্যায়টিয়ে মধ্যযুগীয় সময়চোৱাৰ এক বিস্তৃত অধ্যয়নৰ বাবে উপলব্ধ বিভিন্ন সমলসমূহৰ প্রতি আমাৰ পৰিচয় ঘটাব। এই সমলসমূহ প্রধানকৈ সাহিত্যিক আৰু প্রত্নতাত্ত্বিক সমল।

মধ্যযুগীয়া ভাৰত, দেশীয় আৰু বিদেশী, উভয়ে এৰি থৈ যোৱা বিপুল পৰিমাণৰ সমলৰ দ্বাৰা সমৃদ্ধ। ঘৰুৱা তথা বিদেশী পৰিব্রাজকৰ মূল্যবান টোকাবোৰৰ উপৰি মুদ্রা আৰু বিভিন্ন খোদিত লিপিৰ বিষয়েও অধ্যায়টি আলোচনা কৰা হৈছে। কাৰণ, এই সমলবোৰেও মধ্যযুগীয় জীৱনৰ বিভিন্ন দিশ সম্পর্কে এক স্পষ্ট আভাস দিব পাৰে। এই অধ্যায়টিত মধ্যযুগৰ

ভাৰতৰ ইতিহাস পুনৰ নির্মাণত সহায় কৰা বিভিন্ন উৎসৰ বিষয়েও আলোচনা কৰা হ'ব।

১.৩ মধ্যযুগীয় ভাৰতৰ সাহিত্যিক সমলসমূহ

মুছলমান পণ্ডিত আৰু বিদেশী পৰিব্ৰাজকৰ লেখনীবোৰত মধ্যযুগীয় ভাৰতৰ ইতিহাসৰ সম্পর্কে বিস্তৃত বিৱৰণ পোৱা যায়। সংঘটিত ঘটনাসমূহৰ এক ক্ৰমাগত বিৱৰণ লিপিবদ্ধ কৰাৰ উদ্দেশ্যে ৰাজসভাত শাসকীয় ইতিহাসবিদ নিয়োগ কৰা হৈছিল। অৱশ্যে, এই তথ্যসমূহৰ নিৰপেক্ষতা সন্দেহযুক্ত, যিহেতু এইসমূহৰ বেছিভাগেই শক্তিশালী শাসকৰ পক্ষে অতিৰঞ্জিত কৰা হৈছিল।

- **দেশীয় সাহিত্যিক সমলসমূহ**

  এতিয়া আমি দেশীয় সাহিত্যিক ৰচনাসমূহৰ বিষয়ে আলোচনা কৰিম যিয়ে আমাক মধ্যযুগৰ বিষয়ে এক জীৱন্ত বর্ণনা দাঙি ধৰে।

  মূলতে আৰবী ভাষাত ৰচিত আৰু পাছলৈ পাৰ্ছীলৈ অনূদিত চচনামা (Chachnama) ই, সিন্ধুপ্ৰদেশত ইছলাম ধর্মাৱলম্বীসকলৰ বিজয়ৰ বিৱৰণ পুংখানুপুংখ ৰূপত দাঙি ধৰে। সিন্ধুৰ ইতিহাস আৰু মুছলমানসকলৰ আক্ৰমণৰ বিষয়ে মীৰ মহম্মদ মাছুমৰ দ্বাৰা ৰচিত "তাৰিখ-ই- সিন্দ"ৰ পৰা জানিব পৰা যায়। ফেৰিস্তাৰ দ্বাৰা ৰচিত "মহম্মদ-বিন-কাছিম"ত চুলতানী যুগৰ সমসাময়িক ইতিহাসৰ বিষয়ে আমাক জানিবলৈ দিয়ে।

  আলবেৰুণী আন এজন এনে মুছলমান পণ্ডিত আছিল, যি গজনীৰ চুলতান মাহমুদৰ সহযাত্ৰী আছিল আৰু তেওঁৰ দ্বাৰা ৰচিত 'তাহকিক-ই-হিন্দ' ইতিহাসৰ এক সমৃদ্ধ সমল এৰি গৈ গৈছে। এই পুথিত তেওঁ মাহমুদৰ আক্ৰমণ আৰু অন্য সামাজিক-ৰাজনৈতিক দিশত বিতং বিৱৰণ দাঙি ধৰিছে। এই পুথি সামাজিক, ধর্মীয়, ৰাজনৈতিক আদি সকলো বিষয়তে এক প্ৰাথমিক সমলৰূপে গণ্য কৰা হয়। 'তাৰিখ-ই-য়ামিনি' হৈছে চাবুক্তাগিন আৰু চুলতান মাহমুদৰ ৰাজত্বৰ বিষয়ে ৰচিত আন এক ইতিহাসপ্ৰসিদ্ধ ঘটনাৰ বিৱৰণ।

  আন এক পুথি 'জাইমুল আখবৰ' ত আমি গজনীৰ মাহমুদৰ বিষয়ে বিৱৰণ পাওঁ। তাৰিখ-ই -বাইহকিত মাহমুদৰ ৰাজসভা আৰু উচ্চবংশীয় বিষয়াসকলৰ বিষয়ে বিস্তৃত বিৱৰণ পোৱা যায়। হাচান নিজামীৰ দ্বাৰা ৰচিত তাজ-উল-মাছিৰে দিল্লীৰ চুলতানী যুগৰ ইতিহাস সম্পর্কে আৰু বিশেষকৈ কুতুব-উদ্দিন-আইবকৰ ৰাজত্বৰ ওপৰত আলোকপাত কৰে। ই আইবকৰ সামৰিক অভিযান আৰু ১২১৭ খ্ৰীষ্টাব্দ পর্য্যপ্ত ইলতুতমিছৰ ৰাজত্বকালৰ বিষয়ে পুংখানুপুংখ বিৱৰণ দাঙি ধৰে ।

  মিনহাজ-উছ-ছিৰাজৰদ্বাৰা ৰচিত তবাকত-ই-নাছিৰিত ১২০৬ খ্ৰীষ্টাব্দলৈকে দিল্লীৰ চুলতানসকলৰ বিষয়ে বিস্তৃত বিৱৰণ পোৱা যায়। মহম্মদ ঘোৰীৰ আক্ৰমণৰ বিষয়ে এক প্ৰত্যক্ষ বিৱৰণী এইখন পুথিয়ে দাঙি ধৰে।

আমিৰ খুশ্ৰু আছিল এই যুগৰ এটি ভোটতৰা। তেঁওক ইতিহাসবিদ বোলাৰ সলনি কবি বোলাই শ্ৰেয়। কিন্তু তেওঁৰ দ্বাৰা ৰচিত টুঘলক-নামা, খাজাঁই- উল-ফুতুহ আৰু খিৰাঁ-উচ্চ- চাদাঁই হ'ল তথ্যৰ মহামূল্যৱান উৎস। জিয়াউদ্দিন বাৰানীয়ে লিখা তাৰিখ-ঈ- ফিৰোজ শ্বাহীৰ পৰা আমি টুঘলক বংশৰ বিভিন্ন কথা জানিব পাৰোঁ। বাবৰ-নামাই বাবৰৰ জীৱনক কিছু অংশ বাদ দি তথ্যায়িত কৰিছে আৰু ই ইতিহাসবিদসকলৰ দ্বাৰা উচ্চ ভাৱে প্ৰশংসিত হৈছে। বাবৰ- নামাক চাৰিবাৰকৈ পাৰ্ছী ভাষালৈ অনুবাদ কৰা হৈছে আৰু তাৰ ভিতৰত বেইৰাম খানৰ পুত্ৰ আব্দুৰ ৰহিম খান-ই-খানান কৰা অনুবাদ অন্যতম। আকবৰৰ নিৰ্দেশত হুমায়ুনৰ ভগ্নী গুলবদন বেগমে হুমায়ন-নামা ৰচনা কৰিছিল। হুমায়ুন-নামা হৈছে এক স্মৃতিচাৰণমূলক ৰচনা কৰ্ম, য'ত বাবৰৰ জীৱন, বিষয়ে চমুকৈ আলোকপাত কৰা হৈছে, কিন্তু হুমায়ুনৰ জীৱন, তেওঁৰ যুদ্ধ বিগ্ৰহ তেওঁৰ বিজয় আৰু পৰাজয়, তেওঁ মুখামুখি হোৱা প্ৰতিঘাত আদিৰ বিষয়ে বিস্তৃত বিৱৰণ প্ৰকাশ কৰা হৈছে। ইয়াৰ উপৰি হুমায়ুন-নামাই প্ৰচলিত সমাজ আৰু ৰীতি-নীতিৰ বিষয়েও যথেষ্ট আভাস দিয়ে।

মির্জা হাইদৰৰ দ্বাৰা ৰচিত তাৰিখ-ই-ৰছিদিয়ে কনৌজৰ যুদ্ধৰ এক আকৰ্ষণীয় বিৱৰণ দিয়ে যি সমসাময়িক অন্য কোনো সাহিত্য কৰ্মত দেখা পোৱা নাযায়। মির্জা বাবৰৰ ভতিজাক আছিল আৰু হুমায়ুনৰ অভ্যাস আৰু চৰিত্ৰৰ বিষয়ে বৰ্ণনা কৰোতে তেওঁ বাবৰক তেওঁৰ উদাৰতাৰ বাবে প্ৰশংসা কৰিছে।

আবুল ফজলৰ দ্বাৰা ৰচিত আকবৰনামাত আমি আকবৰৰ সময়ৰ এক বিতং আৰু বিশ্বাসযোগ্য বিৱৰণ পাওঁ। ৰচনাশৈলীৰ ওপৰত তেওঁৰ দখল আছিল আৰু ই তেওঁৰ কৰ্মত প্ৰকাশ পাইছিল। আকবৰনামা তিনিটা খণ্ডত বিভক্ত। প্ৰথম খণ্ড তিমুৰৰ পৰা হুমায়ুনলৈ, আকবৰৰ জন্মকে ধৰি ৰাজকীয় ইতিহাসেৰে পৰিপূৰ্ণ। দ্বিতীয় খণ্ডত, আমি আবুল ফজলৰ অকাল মৃত্যুৰ বাবে, ১৬০২ খ্ৰীষ্টাব্দলৈকে আকবৰৰ ৰাজত্বৰ বিৱৰণ পাও। ঘটনাসমূহৰ ক্ৰম অনুসাৰে বৰ্ণনা কৰাৰ লগতে সেই ঘটনাসমূহৰ পুংখানুপুংখ বিৱৰণ ইয়াত দেখিবলৈ পোৱা যায়। আবুল ফজলৰ আন এক উল্লেখযোগ্য কৰ্ম হৈছে আইন-ই-আকবৰী। আইন-ই- আকবৰী হৈছে বিভিন্ন বিভাগসমূহৰ অন্তৰ্গত প্ৰশাসনিক ব্যৱস্থাৰ এক সংকলন। সেই সময়ৰ অৰ্থনৈতিক অৱস্থা আৰু ৰাজনৈতিক ঘটনাৱলীৰ বিষয়ে বিতং পৰ্যবেক্ষণৰ হেতু আইন-ই-আকবৰীৰ লিখনীসমূহে ঐতিহাসিক মূল্য লাভ কৰিছে।

নিজামুদ্দিনে লিখা এখন গুৰুত্বপূৰ্ণ গ্ৰন্থ হ'ল টবাকত্-ঈ-আকবৰী। তেওঁ আকবৰৰ মীৰ বক্সি হিচাপে কাম কৰিছিল। গ্ৰন্থখনৰ তিনিটা ভাগ আছে। গ্ৰন্থখনৰ পৰা ভাৰতত গজনৱী সকলৰ পৰা আকবৰৰ সময়লৈকে মুছলমান শাসনৰ খতিয়ান লিপিৱদ্ধ আছে। অৱশ্যে, নিজামুদ্দিনে ধৰ্মীয় ক্ষেত্ৰত আকবৰৰ দৃষ্টিভংগীৰ কোনো আলোকপাত কৰা নাছিল আৰু লেখকে নিজেই ঘটনাৰ কোনো সমালোচনা

আগবঢ়োৱাৰ পৰা বিৰত আছিল।

"তাৰিখ-ই-বাদাউনী" বা মুনতাখুব-উৎ-ত্বাৰিখৰ ৰচক আছিল মোল্লা আব্দুল কাদিৰ বাদাউনী। আকবৰৰ ৰাজত্বকালৰ সময়ত ৰচনা কৰা হৈছিল যত বাবৰ, হুমায়ুন আৰু আকবৰৰ ৰাজত্বকালৰ বৰ্ণনা বিতং ৰূপত পোৱা যায়। বাদাউনী আকবৰৰ ধৰ্মীয় নীতিৰ এজন সমালোচক আছিল আৰু আবুল ফজল, ফাইজি আৰু অন্যান্যসমূহক দোষাৰোপ কৰিছিল। আকবৰ সহনশীলতাৰ নীতি ৰ লগতে অন্য ধৰ্মাৱলম্বী লোকক পৃষ্ঠপোষকতা প্ৰদান কৰা তেওঁ পছন্দ কৰা নাছিল।

জাহাংগীৰৰ দ্বাৰা ৰচিত তেওঁৰ আত্মজীৱনী তুজুক-ই-জাহাংগিৰী তেওঁৰ ৰাজত্বকালৰ এক ঐতিহাসিক বিৱৰণ। তেওঁৰ এই আত্মজীৱনীখন তেওঁৰ সময়ছোৱাৰ সামাজিক, ৰাজনৈতিক, সামৰিক আৰু অন্যান্য দিশৰ বিতং বিৱৰণেৰে সমৃদ্ধ। কিন্তু, তুজুক-ঈ- জাহাংগীৰীত জাহাংগীৰৰ শাসনকালৰ ১৭তম বৰ্ষলৈকেহে লিপিবদ্ধ কৰিছে আৰু তেওঁৰ শাসন কালৰ শেষ দুটা বৰ্ষৰ বিষয়ে মুতামিদ খানে লিখি থৈ গৈছে। জাহাংগীৰৰ সময়ৰ সকলো দিশ সামৰি ৰচিত আন এক ৰচনা আছিল মুতামিদ খানৰ দ্বাৰা ৰচিত ইকবালনামা-ই জাহাংগীৰি। প্ৰাথমিক সমলৰ ওপৰত ভিত্তি কৰি ৰচিত মাছিৰ-ই-জাহাংগিৰী এই সময়ছোৱাৰ অন্য এক গুৰুত্বপূৰ্ণ কৰ্ম।

ছাহজাহানৰ ৰাজত্ব কালছোৱাৰ বিষয়ে ৰচিত পাদশ্বাহনামা হৈছে অন্য এক বিশিষ্ট কৰ্ম। আবুল হামিদ লাহোৰিৰ দ্বাৰা ৰচিত 'পাদশ্বাহনামা'ক গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হয় এই কথাৰ প্ৰতি লক্ষ্য ৰাখি যে এই ঐতিহাসিক বিৱৰণীয়ে সম্ৰাট হিচাপে ছাহজাহানৰ শাসনৰ ২০ বছৰ সামৰি লৈছে। এনায়ত খানৰ দ্বাৰা ৰচিত শ্বাহ -জাহাননামা আৰু মহম্মদ চলিহৰ দ্বাৰা ৰচিত আমল-ই-শ্বাহী উভয়ে গুৰুত্বপূৰ্ণ বিষয়ববীয়া সকলৰ বিষয়ে বিস্তৃত বিৱৰণ আগবঢ়ায়। ঔৰংজেৱৰ সময়ছোৱাৰ বিষয়ে অধ্যয়নৰ হেতু আমি কাফি খানৰ দ্বাৰা ৰচিত মুন্তাখাব-উল-লুবাব, মির্জা মহম্মদ কাজিমৰ আলমগিৰনামা, মহম্মদ চাকিৰ মাছিৰ-ই- আলমগিৰি, সুজন-ৰাই-খত্ৰিৰ খুলাছাৎ-উৎ-ত্বাৰিখ, ভীমসেনৰ নুছকা-ই-দিলকুছা আৰু ঈশ্বৰ দাসৰ দ্বাৰা ৰছিত ফটুহাত-ই-আলমগিৰি আদিৰ পৰা তথ্য লাভ কৰিব পাৰোঁ।

● বৈদেশীক সাহিত্যিক সমলসমূহ

ঔৰংজেৱৰ ৰাজসভাত ১২ বছৰকাল কটোৱা ফ্ৰাঞ্চিছ বাৰ্ণিয়েৰে ঔৰংজেৱৰ হাৰেমৰ বিভিন্ন বিষয়ে বিতং বৰ্ণনা দি গৈছে। তেওঁ নাৰীসকলৰ বিষয়ে আৰু বিশেষভাৱে ৰাজসভাৰ নাৰীসকলৰ বিষয়ে উল্লেখ কৰিছে। তেওঁৰ কৰ্মৰাজিক আগবঢ়াই লৈ গৈছিল দাৰা আৰু ঔৰংজেৱৰ অধীনত কাৰ্যনিৰ্বাহ কৰা অন্য এজন বিদেশী পৰিব্ৰাজক নিকলাই। নিকলাই মানুক্কীৰ দ্বাৰা (Nicolai Manucci) ৰচিত ষ্টৰিয়া-দ'-মগৰ (Staria- Do - Mogor) হৈছে ৰাজকীয় ৰাজপৰিয়ালৰ পুৰুষ আৰু নাৰী বিষয়ক লগতে হাৰেম সংস্কৃতিৰ এক বিৱৰণ। তেওঁ লগতে সুৰাপান আৰু নিচাযুক্ত দ্ৰব্য, সংগীত আৰু অন্যান্য কাৰ্যৰ

বিৰুদ্ধে ঔৰংজেৱে লোৱা কঠিন পদক্ষেপৰ বিষয়ে উল্লেখ কৰি থৈ গৈছে।

বিদেশী পৰিব্ৰাজকৰ দ্বাৰা ৰচিত সমলসমূহৰ ভিতৰত আমি নিসন্দেহে উল্লেখ কৰিব লাগিব মহম্মদ বিন টোঘলকৰ সময়ত ভাৰতলৈ আগমন কৰা মৰক্কোৰ পৰিব্ৰাজক ইবন বটুতাৰ নাম। তেওঁৰ দ্বাৰা ৰচিত কিতাব-উৰ-ৱেহলাত মহম্মদ বিন টোঘলকৰ সময়ৰ ভাৰতৰ সামাজিক আৰু ৰাজনৈতিক অৱস্থাৰ বিষয়ে বৰ্ণনা কৰা হৈছে। ই হৈছে দিল্লী আৰু মাদু�ৰাইত তেওঁৰ অভিজ্ঞতা আৰু চুলতানী শাসকসকলৰ সময়ৰ ৰন্ধনশৈলী বিষয়ক এক সাক্ষ্য। অৱশ্যে, ই বস্তুনিষ্ঠ নহয়। আন এজন বিদেশী পৰিব্ৰাজক আছিল পাৰস্যৰ আব্দুৰ ৰাজ্জাক যিয়ে বিজয়নগৰ সাম্ৰাজ্য আৰু ইয়াৰ প্ৰশাসনৰ বিষয়ে এক বিৱৰণ লিখি থৈ গৈছে। তেওঁৰ ৰচনাত বিজয়নগৰ সাম্ৰাজ্যৰ সাংস্কৃতিক ইতিহাসৰ বিষয়ে প্ৰাথমিক সমলৰূপে গণ্য কৰা হয়। ১৩শ শতিকাত দক্ষিণ ভাৰত ভ্ৰমণ কৰা মার্ক পল'ই সেই সময়ছোৱাত বিকাশ ঘটা সামুদ্ৰিক বাণিজ্যৰ বিষয়ে লিপিবদ্ধ কৰি থৈ গৈছে। নিকল' কন্তিয়েও দক্ষিণ ভাৰতৰ সমাজ আৰু অৰ্থনীতিৰ বিষয়ে লিখি থৈ গৈছে।

মধ্যযুগীয় ভাৰতৰ ইতিহাসৰ অধ্যয়নৰ ক্ষেত্ৰতো অঞ্চল বিশেষ ইতিহাসে এক সমৃদ্ধ সমলৰূপে ভূমিকা গ্ৰহণ কৰে। এই দিশত মিৰ মহম্মদ মাছুমৰ দ্বাৰা ৰচিত ছুলতানী সাম্ৰাজ্যৰ ইতিহাস "ত্বাৰিখ-ই-সিন্ধ" (সিন্ধৰ ইতিহাস)ৰ দৰে ইতিহাসসমূহৰ বিষয়ে উল্লেখ কৰাটো নিতান্তই প্ৰয়োজনীয়। বংগৰ ইতিহাস সম্পৰ্কে গুলাম হুচেইনৰ দ্বাৰা ৰচিত ৰিয়াজ-উছ-ছালাতিনত বখতিয়াৰ খিলজিৰ আক্ৰমণৰ পৰা ১৭৮৮ চনলৈকে ঘটনাৱলী লিপিবদ্ধ কৰা হৈছে। আহমেদনগৰৰ নিজাম শ্বাহী বংশৰ ইতিহাসৰ বিষয়ে ছৈয়দ আলীৰ দ্বাৰা ৰচিত বুৰহান-ই- মাছিৰ'ত উল্লেখ পোৱা যায়। আবু তাৰব আলীৰ দ্বাৰা ৰচিত "ত্বাৰিখ-ই-গুজৰাটত" গুজৰাটৰ ইতিহাসৰ বিষয়ে আলোকপাত কৰিছে। ৰফিউদ্দিন শিৱলাগীৰ দ্বাৰা ৰচিত ত্বাৰিখ-উল-মুলেকত বাহ্মনী সাম্ৰাজ্যৰ ইতিহাস লিপিবদ্ধ কৰা হৈছে। কলহানৰ দ্বাৰা ৰচিত বৃহৎ কৰ্ম ৰাজতৰংগিনীত ১১৪৯ খ্ৰীষ্টাব্দ পৰ্যন্ত কাশ্মীৰৰ ইতিহাস লিপিবদ্ধ কৰা হৈছে। চান্দ বৰদাইৰ দ্বাৰা ৰচিত "পৃথিৰীৰাজ ৰসো"ত ৰাজপুত ইতিহাস আৰু বিশেষকৈ পৃথিৰীৰাজ চৌহান আৰু মহম্মদ ঘোৰীৰ সংঘাতৰ বিষয়ে আলোকপাত কৰা হৈছে। জয়নকৰ দ্বাৰা ৰচিত "পৃথিৰাজ বিজয়া কাব্য'ই আজমীৰৰ চৌহান শাসকসকলৰ বিষয়ে এক নিৰ্ভৰযোগ্য ইতিহাসৰ তথ্য দাঙি ধৰে।

- **বৈৰাগী কবিসকল আৰু মৌখিক সমলসমূহ ঃ**

বৈৰাগী বা চাৰণ কবিসকল আৰু মৌখিক বিৱৰণসমূহেও যিকোনো সময়ৰ ঐতিহাসিক ঘটনাৱলীৰ এক গভীৰ অন্তৰ্দৃষ্টি আগবঢ়ায়। এই সমলসমূহ এটা প্ৰজন্মই আন এটা প্ৰজন্মলৈ কঢ়িয়াই লৈ যায় আৰু ই পৰিয়াল সৈতে জড়িত হৈ থাকে। ৰাজস্থানৰ, এই চাৰণ সকলৰ ৰচনা মহাকাব্যিক কবিতাৰ দ্বাৰা গঠিত। এইসমূহক দুটা ভাগত বিভক্ত কৰিব পাৰি প্ৰথম; য'ত কবিতাসমূহ সাহসী ৰাজপুত বীৰসকলৰ প্ৰতি উৎসৰ্গিত আৰু

দ্বিতীয়তে যিসমূহ ৰাজপুত পৰিয়ালবৰ্গৰ বিষয়বস্তুৰ সৈতে জড়িত। এই বিৱৰণসমূহত দিংগলা নামৰ এক ভাষা ব্যৱহাৰ কৰা হৈছিল। ৰাজপুতানাৰ খায়াতসমূহ মোগল ৰাজসভাৰ পৰা অনুপ্ৰেৰণা লৈ ৰচনা কৰা হৈছিল। এক গদ্য বিৱৰণ হিচাপে, খায়াতসমূহত লেখকৰ দৃষ্টিগোচৰ হোৱা ৰূপতেই ঘটনাসমূহ লিপিবদ্ধ কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ১ঃ গজনীৰ চুলতান মাহমুদৰ অভিযানৰ সময়ত তেওঁৰ সৈতে অহা মুছলমান পণ্ডিতজনৰ নাম লিখক।

প্ৰশ্ন নং ২ঃ তাৰিখ-ই-ফিৰোজ-শ্বাহীৰ লেখক কোন আছিল?

প্ৰশ্ন নং ৩ঃ বুৰহান-ই-মাছিৰত কোনটো ৰাজবংশৰ ইতিহাস লিপিবদ্ধ কৰা হৈছে?

১.৪ প্ৰত্নতাত্ত্বিক সমলসমূহ

লিপিসমূহ আৰু মুদ্ৰাসমূহক প্ৰত্নতাত্ত্বিক সমলৰ অন্তৰ্গত বুলি ধৰা হয়। লিপিসমূহৰ বিষয়ে কৰা অধ্যয়নক "এপিগ্ৰাফী" (Epigraphy) বোলা হয় আৰু লিপিসমূহৰ পাঠোদ্ধাৰ কৰা আৰু তথ্যৰ পৰীক্ষা কৰা ইয়াৰ অন্তৰ্ভুক্ত বিষয়। আমি এতিয়া মধ্যযুগীয় ভাৰতৰ সময়ছোৱাক জানিবৰ বাবে মধ্যযুগৰ লিপিসমূহ আৰু মুদ্ৰাৰ ওপৰত মনোনিৰেশ কৰিম।

- **লিপিসমূহ**

চুলতানী যুগৰ উল্লেখযোগ্য কৰ্মসমূহে সেই সময়ৰ সাৰ্বভৌম ৰজা আৰু বিষয়ববীয়াসকলৰ সামাজিক-সাংস্কৃতিক দৃষ্টিকোণৰ ওপৰত আলোকপাত কৰি হিন্দু আৰু মুছলমান প্ৰত্নতাত্ত্বিক পৰম্পৰাৰ সংমিশ্ৰণৰ ধাৰাৰ লগতে গাঁথনিগত আৰ্হিক প্ৰকাশ ঘটায়।

প্ৰাৰম্ভিক মধ্যযুগীয় সময়ৰ দক্ষিণ ভাৰতৰ তিনিখন লিপি পোৱা গৈছে- গ্ৰন্থ, তামিল আৰু ভাট্টেলুটু। ইয়াৰে ভিতৰত প্ৰথমখনত সংস্কৃত লিখিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল আৰু অন্য দুটা তামিল লিখিবৰ বাবে ব্যৱহৃত হৈছিল। দক্ষিণাত্যত তামিলত ৰচিত লিপিখনত দানদিয়াৰ তথ্য পোৱা যায়। ৰাজকীয় ভূমি দান, ধৰ্মীয় প্ৰতিমূৰ্তি স্থাপন, দেৱাল, তোৰণ আৰু ৰেলিঙত নাইবা শিল বা তাম্ৰলিপিত খোদিত কৰা ইত্যাদি এই দানধৰ্মীয় তথ্যৰ অন্তৰ্গত পৰে।

শ্ৰীনগৰৰ খানকাহ-ই-মৌল্লা, জামে মছজিদ, ছৈয়দ মহম্মদ মাদনিৰ মছজিদ, চুলতান জইনুল-আবিদিনৰ মাতৃৰ সমাধি আদি হৈছে কিছু কীৰ্তিস্তম্ভ। এই কীৰ্তিস্তম্ভ আদিৰ সহায়ত আমি কাশ্মীৰৰ ইতিহাসৰ পূৰ্ণৰচনা কৰিব পাৰো। খানকাহ-ই-মৌল্লা হৈছে মুছলমান ধৰ্মপ্ৰচাৰক শ্বাহ হমাদান অৰ্থে উৎসৰ্গিত এখনি মুছলমানসকলৰ তীৰ্থস্থান। ১৩৯৫ চনত চুলতান চিকন্দৰে ইয়াক কাঠেৰে নিৰ্মাণ কৰিছিল। ক্ৰমান্বয়ে মৃত্যুৰ মুখলৈ গতি কৰা কাঠৰ স্থাপত্যবিদ্যাক আৰু কৰ্মক খানকাহ-ই-মৌল্লাই এক নতুন জীৱন প্ৰদান কৰিছিল। বৃহৎসংখ্যক লোকৰ ইছলামলৈ ধৰ্মান্তৰিত হোৱা হেতুকে এই লোকসকলক একেলগে উপাসনাৰ বাবে একগোট হোৱাৰ সুবিধাৰ্থে জামে-

ই-মছজিদৰ দৰে বৃহৎ মছজিদৰ প্ৰয়োজন হৈছিল। "বাদশ্বাহ দোমাঠ" নামেৰে জনাজাত চুলতান জইনুল-আবিদিনৰ মাতৃৰ সমাধিয়ে, ব্যাপক পৰিসৰত সমাধিৰ ব্যৱহাৰৰৰ প্ৰমাণ দিয়ে। এই সমাধিত ব্যৱহৃত দুখলপীয়া গম্বুজৰ ব্যৱহাৰে টিমুৰিদ স্থাপত্যশৈলীৰ প্ৰত্যক্ষ প্ৰভাৱক প্ৰকাশ কৰে। ইয়াত থকা সমাধি ফলকৰ (Epitaph)ৰ ভাষা দ্বি-ভাষিক- ওপৰৰ অংশৰ ভাষা সংস্কৃত আৰু নিম্ন অংশৰ ভাষা পাৰ্ছীয়ান। ইয়াৰে দ্বাৰা সেই সময়ছোৱাৰ হাতৰ আখৰৰ কলাৰ বিষয়েও ধাৰণা কৰিব পাৰি। লিপিসমূহ খোদিত কৰোতে 'নাছাস্' আৰু 'নাছতালিক' ব্যৱহাৰ কৰা হৈছিল। এই স্মৃতিসৌধে কাশ্মীৰতপাৰ্ছীয়ান আৰু কেন্দ্ৰিয় এছিয়াৰ স্থাপত্যশৈলীৰ প্ৰভাৱৰ বিষয়ে আলোকপাত কৰে।

লিপিসমূহে একোটা বিশেষ লিপিবদ্ধ ৰূপত ঐতিহাসিক দিশ একোটাক আবদ্ধ কৰিবলৈ সক্ষম হয়। মন্দিৰৰ বেৰ, স্তম্ভ বা শিলাখণ্ডত এই লিপিসমূহক পোৱা যায়। দক্ষিণ ভাৰতত উদ্ধাৰ হোৱা খোদিত লিপিবোৰৰ পৰা ধৰ্মীয় দান-দক্ষিণ প্ৰদানৰ বিষয়ে গম পোৱা যায়। কিছুমান পণ্ডিতে বিশ্বাস কৰে যে এই খোদিত লিপিবোৰত প্ৰায়েই ভূমিদানৰ বিষয়ত বিভিন্ন পটভূমিৰ বিভিন্ন দল-গোটৰ উল্লেখ আছে। পাঠ্যপুথিত সন্নিৱিষ্ট বিষয়টোৰ সৈতে কেৱল অভিজাত শ্ৰেণীৰহে এই কাৰ্যৰ সৈতে সম্পৰ্ক আছে বুলি চলি অহা পুথিগত সত্যতাৰ ই সম্পূৰ্ণ বিপৰীত। লিপিসমূহত কৃষক, সৈনিক, তেওঁলোকৰ পত্নী, জীয়ৰী আৰু ইয়াৰ উপৰি ৰাজকীয় আৰু পুৰোহিত শ্ৰেণীৰ উল্লেখ পোৱা যায়। লিপিসমূহে লগতে ধৰ্মীয় দানসমূহৰ জৰিয়তে ৰাজনৈতিক আৰু সামাজিক গাঁথনিৰ বিষয়ে বিস্তৃত ৰূপত তথ্য প্ৰকাশ কৰে যিসমূহৰ সামাজিক গুৰুত্বপূৰ্ণতাৰ সম্ভাৱনা থাকে।

নবৰু কাৰাছিমহাই বিভিন্ন গ্ৰাম্য সম্প্ৰদায়ক বুজাৰ অৰ্থে লিপিৰ বিশেষকৈ শিলালিপিৰ ব্যৱহাৰ কৰিছিল। লিপিসমূহে আঞ্চলিক ৰাজ্যসমূহৰ এক ক্ৰমবিৱৰণ গঢ়ি তোলাত সহায় কৰে, লগতে ধৰ্মীয় প্ৰতিষ্ঠানসমূহৰ কাৰ্যকলাপ আৰু পৃষ্ঠপোষকতাৰ ভূমিকাৰ ক্ষেত্ৰত আমাক জ্ঞানৰ সম্ভাৰৰ যোগান ধৰে।

বণিক সম্প্ৰদায়ৰ পৰিয়ালৰ দ্বাৰা লিপিবদ্ধ তথ্য দিল্লী অঞ্চলত পোৱা গৈছে। পণ্ডিত যোগেশ্বৰৰ দ্বাৰা ১২৭৬ খ্ৰীষ্টাব্দত সংস্কৃত ভাষাত ৰচিত পালাম বাওলি লিপিৰ উল্লেখ পোৱা গৈছে। দিল্লী প্ৰান্তত সংস্কৃতত ৰচিত ছাৰবান (Sarban) শিললিপিত ছাৰবান গাঁৱত এটা কুঁৱা নিৰ্মাণৰ প্ৰসংগত পোৱা যায়। এই লিপিত "ম্লেচ্ছ" আৰু "তুৰুস্ক" আদি শব্দৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়।

লিপিসমূহ প্ৰাথমিক সমলৰূপে চিহ্নিত হয়। ই দীৰ্ঘস্থায়ী হয়, কিন্তু এই মুদ্ৰাসমূহে নিজাববীয়াকৈ ঘটনাৰ এক সম্পূৰ্ণ ছবি দাঙি ধৰিব নোৱাৰে আৰু তেনে ক্ষেত্ৰত ইয়াক অন্য লিখিত তথ্যৰ দ্বাৰা পৰিপূৰকতা বা নিশ্চিতকৰণৰ প্ৰয়োজন আছে।

- **মুদ্ৰাগত সমল**

ভাৰতত মুছলমান শাসনৰ আৰম্ভণিৰ সৈতে নতুন আৰ্হিৰ মুদ্ৰাৰ আৱিৰ্ভাৱ ঘটে। চুলতানী যুগৰ মুদ্ৰাসমূহৰ উভয় পিঠিতে আৰৱী বা পাৰ্ছী ভাষাত লিপি খোদিত কৰা হৈছিল। মুদ্ৰাত

শাসকৰ নাম খোদিত কৰাৰ এক ইছলামীয় গুৰুত্ব আছিল যিহেতু ই শাসকৰ দ্বাৰা ন্যায়িক ক্ষমতাক ধাৰণ কৰাটো নির্দিষ্টকৈ সূচনা কৰিছিল। এইদৰেই উপাধিৰ সৈতে শাসকৰ নাম মুদ্রাত খোদিত কৰি কোনো নির্দিষ্ট শুভ দিন উপলক্ষে যেনে কোনো দুর্গ বা চহৰ বিজয় আদিত এই মুদ্রাসমূহক জাৰি কৰাটো এক ৰীতিত পৰিণত হৈছিল। শাসকৰ নাম আৰু উপাধিৰ উপৰিও এই মুদ্রাসমূহত হিজৰী চন অনুযায়ী তাৰিখ আৰু জাৰি কৰা স্থানৰ নাম উল্লেখ আছিল।

১১৯২ চনত তৰাইন বা থানেশ্বৰৰ দ্বিতীয় যুদ্ধৰ পিছত মহম্মদ ঘোৰীয়ে স্বর্ণ মুদ্রা জাৰি কৰিছিল। এই মুদ্রাত এফালে নাগৰী লিপিত মহম্মদ বিন চাম বুলি আৰু বিপৰীত পিঠিত বহি থকা অৱস্থাত লক্ষী দেৱীৰ ছবি খোদিত আছিল। ইলতুতমিছে কিংবদন্তিমূলক আখ্যান খোদিত কৰি ৰূপৰ মুদ্রা জাৰি কৰিছিল। বলবনে আৰবী ভাষাত তেওঁৰ নাম খোদিত কৰা মুদ্রা জাৰি কৰিছিল। মহম্মদ বিন টোঘলক মুদ্রাৰ সৈতে তেওঁ কৰা পৰীক্ষাৰ বাবে জনাজাত আছিল। তেওঁৰ আৰম্ভণিৰ স্বর্ণ আৰু ৰূপৰ মুদ্রাসমূহ ১৭০ টা সমপৰিমাণৰ এক নির্দিষ্ট ভৰবিশিষ্ট আছিল। তেওঁ পিছলৈ ২০১.৫ টা ৰতি উৰবিশিষ্ট স্বর্ণমুদ্রা দিনাৰ আৰু ১৪৪ ৰতি ভৰবিশিষ্ট ৰূপৰ মুদ্রা আদলি জাৰি কৰা আৰম্ভ কৰিছিল।

দিল্লীৰ চুলতানসকলে "জিতাল' নামেৰে এক নতুন প্রকাৰৰ মুদ্রা তৈয়াৰ কৰিছিল। সাধাৰণতে ইয়াক এক টংকাৰ আধামূল্যতকৈ তলৰ লেনদেনৰ সময়ত ব্যৱহাৰ কৰা হৈছিল। অত্যাৱশ্যকীয় সামগ্রীৰ মূল্য আৰু দা-দৰমহা জিতালৰ ৰূপত দিয়া হৈছিল। ১৩ শ শতিকাৰ মধ্যভাগৰপৰা প্রত্যেক জিতালৰ নিহিত হৈ থকা ৰূপক 'গনি' বা 'দ্রামা' বুলি অভিহিত কৰা হৈছিল। অৱশ্যে ১৩১৫ চনৰ আৰম্ভণিৰ পৰা এই মুদ্রাসমূহৰ প্রচলন নাইকিয়া হ'বলৈ ধৰে।

খিলজী আৰু প্রাৰম্ভিক টোঘলক যুগৰ সময়ছোৱাত ৰূপৰ মুদ্রাৰ আকাৰ বৃদ্ধি ঘটিছিল। ইয়ে মুদ্রাৰ ব্যাপক হাৰত ব্যৱহাৰৰ কথাকে সূচনা কৰে।

টাকশালত মুদ্রা গঢ়াৰ কলাক উচ্চ মানবিশিষ্ট ৰূপে প্রতিফলিত কৰে চোলা বংশৰ মুদ্রাসমূহে। চোলা শাসকসকলে স্বর্ণমুদ্রা জাৰি কৰিছিল। একেদৰেই, বিজয়নগৰ সাম্রাজ্যৰ বেছি সংখ্যক মুদ্রাই সোণৰ আছিল। হৰিহৰ আৰু দেৱৰায়ে দ্বিতীয় ৰূপৰ মুদ্রা জাৰি কৰিছিল বুলি জানিব পৰা যায়। বিজয়নগৰৰ শাসকসকলে তেওঁলোকৰ মুদ্রাসমূহত নাগৰি, কান্নাড় আৰু তেলুগু লিপিৰ ব্যৱহাৰ কৰিছিল।

বৈদেশিক বাণিজ্য মধ্যযুগীয় অর্থনীতিৰ এক অপৰিহার্য অংগ আছিল। মধ্যযুগীয় উত্তৰ ভাৰতত যি সময়ত অর্থনীতিৰ বিকাশ ঘটিছিল, সেই সময়তে ইউৰোপীয় উপকূলসমূহ আৰু ইৰাণৰ দৰে দেশৰ পৰা বিদেশী ৰূপৰ প্রৱেশ ঘটিছিল। ৰূপৰ পতনৰ ফলত দিল্লীৰ চুলতানক তাম্রমুদ্রা জাৰি কৰাৰ দৰে ব্যৱস্থা গ্রহণ কৰিবলৈ বাধ্য কৰাইছিল। ৰূপৰ পতনে ভাৰত মহাসাগৰৰ বাণিজ্যতো প্রভাৱ পেলাইছিল। ৰূপৰ বিপৰীতে সোণৰ অনুপাত বৃদ্ধি ঘটিছিল। ইজিপ্তৰ পৰা অহা তাম্রমুদ্রাৰ ব্যৱহাৰ ভাৰতীয় মহাসাগৰৰ বাণিজ্যত ঘটিছিল। ১৫ শ শতিকাত দক্ষিণ ভাৰতে নিজস্ব স্বর্ণ মানদণ্ড ৰক্ষা কৰি চলিব পাৰিছিল আৰু পূব ভূমধ্যসাগৰীয় অঞ্চলসমূহলৈ মছলা ৰপ্তানি কৰ্ব্বিলৈ সফল হৈছিল। এক ধনাত্মক দিশত, সামুদ্রিক বাণিজ্যৰ ফলত স্বর্ণ আৰু ৰূপৰ

প্ৰৱেশ ঘটাইছিল আৰু ইয়াৰ ফলত ধাতুৰ মুদ্ৰাৰ প্ৰচলন বৰ্তি আছিল।

প্ৰতীকি মুদ্ৰাৰ প্ৰচলন আছিল মধ্যযুগীয় ভাৰতৰ এক উদ্ভাৱনকাৰী দিশৰ সফলতা। মামলুক বংশৰ সময়ত শ্বামচুদ্দিন ইলতুৎমিছৰ (১২১০-১২৩৫) শাসনৰ অধীনত মুদ্ৰাসমূহত জ্যামিতিক চানেকিৰ সৈতে আৰবী লিপি পোৱা গৈছে। বংগৰ চুলতান, ইলিয়াছ শ্বাহী চুলতানৰ মুদ্ৰাসমূহত হাতৰ আখৰৰ কলাৰ লগতে জ্যামিতিক চানেকি দেখিবলৈ পোৱা যায়। আকবৰ আৰু জাহাংগীৰৰ সময়ছোৱাত মুদ্ৰাসমূহত জীৱন্ত প্ৰাণীৰ চিত্ৰাংকন দেখিবলৈ পোৱা গৈছিল।

এই যুগৰ মুদ্ৰাসমূহে আমাক দিল্লীৰ চুলতানী আমোলৰ সময়ছোৱাৰ ৰাজনৈতিক অভিপ্ৰায় আৰু অৰ্থনৈতিক অৱস্থাৰ বিষয়ে তথ্য প্ৰদান কৰে। ইয়াৰ আগতেও মুদ্ৰা গঢ়া হৈছিল যদিও দিল্লীৰ চুলতানী শাসন আৰম্ভ হোৱাৰ পাছতহে মুদ্ৰা অৰ্থনীতিক এক মানদণ্ডগত ৰূপ দিয়াৰ বাবে এক গুৰুত্ব সহকাৰে প্ৰচেষ্টা আৰম্ভ হৈছিল।

গজনীৰ চুলতান মাহমুদে ৰূপৰ মুদ্ৰা জাৰি কৰিছিল,সেই মুদ্ৰাসমূহত দুটা ভাষাত তেওঁৰ নাম খোদিত কৰা আছিল। এই মুদ্ৰাসমূহৰ নামকৰণ ক্ৰমে টংকা, দিৰহাম আৰু জিতাল আছিল। ইলতুৎমিছে জাৰি কৰা মুদ্ৰাসমূহত তেওঁক খলিফা বুলি বৰ্ণিত হৈছে। বলবনে টংকা নামেৰে ৰূপৰ মুদ্ৰা জাৰি কৰিছিল। আলাউদ্দিন খিলজীয়ে ছিকন্দৰ আল-ছামি অৰ্থাৎ দ্বিতীয় আলেকজেণ্ডাৰ উপাধিযুক্ত মোহৰ জাৰি কৰিছিল। যদিও খিলজীসকলৰ তুলনাত টোগলক সকলৰ মুদ্ৰাসমূহত ইয়াৰ নক্সা আৰু নিৰ্মাণশৈলীত উন্নত আছিল কিন্তু তেওঁলোকৰ বহুতো বিত্তীয় পৰীক্ষা বিফলৰূপে পৰিগণিত হৈছিল। লোডী শাসনৰ সময়ত ঘাইকৈ তাম্ৰমুদ্ৰা জাৰি কৰা হৈছিল। বংগ, জৌনপুৰ, ডেক্কান, মালৱা আৰু গুজৰাট ইত্যাদিতো মুদ্ৰা তৈয়াৰ কৰা হৈছিল। বলবনৰ মুদ্ৰাসমূহ নান্দনিক আবেদন ৰহিত আছিল আৰু একমাত্ৰ আৰ্থিক মূল্যৰ বাবেই এই মুদ্ৰাসমূহে স্বীকৃতি লাভ কৰিছিল। মানৱ বা অন্য জীৱ-জন্তুৰ প্ৰতিচ্ছবি প্ৰদৰ্শনৰ ক্ষেত্ৰত ইছলাম ধৰ্মৰ প্ৰতিবন্ধকতা সত্ত্বেও, আকবৰ আৰু জাহাংগীৰে এই সমূহৰ নিজৰ প্ৰতিচ্ছবি খোদিত মুদ্ৰা তৈয়াৰ কৰিছিল। জাহাংগীৰে এক অধ্যাদেশৰ জৰিয়তে তেওঁৰ আৰু পত্নী নুৰজাহানৰ প্ৰতিচ্ছবিযুক্ত মুদ্ৰা জাৰি কৰিছিল।

মোগল মুদ্ৰাসমূহ তিনিটা ধাতুৰে নিৰ্মিত আছিল- স্বৰ্ণ, ৰূপ আৰু তাম। ১৫ শ শতিকাৰ ফালে মুদ্ৰাৰ তীব্ৰভাৱে অৱনতি ঘটে আৰু ক্ৰমান্বয়ে হ্ৰাস পাই তাম -ৰূপৰ মিশ্ৰণযুক্ত একপ্ৰকাৰৰ তামৰ টংকা প্ৰধান মুদ্ৰাহৈ উঠে। শ্বেৰশ্বাহে এই অৱনমিত হোৱা মুদ্ৰা আঁতৰাই প্ৰথমবাৰৰ বাবে ১৭৮ ৰতি খাঁটি ৰূপযুক্ত এটা মুদ্ৰা ‘ৰূপী’ তৈয়াৰ কৰে। ১৬ শ শতিকালৈ, প্ৰকৃতাৰ্থত ৰূপ ব্যৱহৃত হোৱা মুখ্য মুদ্ৰা হৈ পৰে। ১৫৫০ ৰ পৰা ১৭৫০ লৈ নতুন ঠাইসমূহৰ পৰা ঘটা ৰূপৰ অনুপ্ৰৱেশে একমাত্ৰ ধাতুৰূপতেই নহয় গুৰুত্বপূৰ্ণভাৱে লেনদেনৰ ক্ষেত্ৰতো মুদ্ৰাৰ প্ৰচলনৰ প্ৰসাৰ ঘটায়।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ৪ঃ আকবৰ আৰু জাহাংগীৰৰ মুদ্রাৰ বিশেষত্ব কি আছিল ?

প্রশ্ন নং ৫ঃ ছিকন্দৰ-আল-ছানিৰ দৰে সন্মানীয় অভিধাযুক্ত মুদ্রা কোনে তৈয়াৰ কৰিছিল ?

প্রশ্ন নং ৬ঃ কাৰ মুদ্রাত হাতৰ আখৰৰ কলা আৰু জ্যামিতিক নক্সা / চানেকী দেখিবলৈ পোৱা যায় ?

প্রশ্ন নং ৭ঃ 'পালাম বাওলি' লিপি কোনে ৰচনা কৰিছিল ?

প্রশ্ন নং ৮ঃ কোনটো স্মৃতিস্তম্ভই আমাক মৃতপ্রায় হ'বলৈ ধৰা কাঠৰ স্থাপত্যকলা আৰু কাঠকর্মৰ বিষয়ে জনায় ?



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাচত আমি জানিলোঁ যে -

- সাহিত্যিক আৰু প্রত্নতাত্ত্বিক উৎসবোৰে মধ্যযুগীয় জীৱনধাৰাৰ বিভিন্ন দিশ সম্পর্কে মূল্যৱান তথ্যৰ যোগান ধৰে।
- ইণ্ডো-মুছলমান পণ্ডিত আৰু ইতিহাসবিদসকলে আমাক মধ্যযুগীয় সময় ছোৱাৰ ৰাজনৈতিক ইতিহাসৰ বিষয়ে এক গভীৰ অন্তর্দৃষ্টি প্রদান কৰে।
- কীর্তিস্তম্ভসমূহে মধ্যযুগীয় সময়ৰ সামাজিক সাংস্কৃতিক পৰিস্থিতি লগতে শাসকশ্রেণীৰ ধর্মীয় আনুগত্যৰ বিষয়ে আলোকপাত কৰে।
- একেদৰেই মধ্যযুগীয় সময়ৰ মুদ্রাগত সমলসমূহে সেই সময়ছোৱাৰ বিত্তীয় আৰু বাণিজ্যিক কার্য কলাপৰ বিষয়ে যথেষ্ট প্রকাশ কৰাৰ উপৰিও আঞ্চলিক ৰাজ্যসমূহৰ সমৃদ্ধিৰ স্তৰৰ কথাও প্রকাশ কৰে।



১.৬ অধিক জানিবলৈ

1. Chattapadhyaya, D.P. (2011). *History of Science, Philosophy, Cul ture in Indian Civilization in Vol III, Part I, of Economic History of Medieval India, 1200-1500.* Delhi: India, Pearson and Longman.
2. Singh, Vipul. (2009). *Interpreting Medieval India Vol.1, in Early Medieval Delhi Sultanate and Regions (circa 750-1550).* New Delhi, India: MacMillan.

3. Maiti, Provatanshu & Kumar Saha, Prabhat. (2000). *Medieval India (1206AD-1707 AD*. Calcutta, India: Sreedhar Publisher.

4. Salma Ahmed, Farooqi. (2011). *A Comprehensive History of Medieval India: From the Twelfth Century to the Mid 18th Century.* Delhi, India: Dorlin Kindersley (India) Pvt. Ltd.



১.৭ অগ্রগতিৰ খতিয়ান

উত্তৰসমূহ ঃ

প্রশ্ন নং ১ঃ আল বেৰুণী

প্রশ্ন নং ২ঃ জিয়াউদ্দিন বাৰাণী

প্রশ্ন নং ৩ঃ আহমেদ নগৰৰ নিজামশ্বাহী ৰাজবংশ

প্রশ্ন নং ৪ঃ মানৱ বা অন্য জীৱ-জন্তুৰ প্রতিচ্ছবি প্রদর্শনৰ ক্ষেত্রত ইছলামৰ প্রতিবন্ধকতা সত্ত্বেও, আকবৰ আৰু জাহাংগীৰে নিজৰ প্রতিচ্ছবি সম্বলিত মুদ্রা তৈয়াৰ কৰিছিল।

প্রশ্ন নং ৫ঃ আলাউদ্দিন খিলজী

প্রশ্ন নং ৬ঃ বংগৰ চুলতানসকলে জাৰি কৰা মুদ্রাসমূহত

প্রশ্ন নং ৭ঃ পণ্ডিত যোগেশ্বৰ

প্রশ্ন নং ৮ঃ খানকাহ-ই- মৌল্লা



১.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী অতি চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১। কিতাব-উল-ৰেহলাৰ লিখকৰ নাম লিখক?

প্রশ্ন নং ২। কোনে প্রথম ৰূপী টাকশালত তৈয়াৰ কৰিছিল আৰু ইয়াৰ মূল্য উল্লেখ কৰক?

প্রশ্ন নং ৩। পৃথিৰীৰাজ তৃতীয় আৰু মহম্মদ ঘোৰীৰ মাজৰ সংঘর্ষৰ বিষয়ে আলোকপাত কৰা সমলৰ নাম উল্লেখ কৰক?

প্রশ্ন নং ৪। জইনুল আবিদিনৰ মাতৃৰ সমাধিৰ বিশেষত্বৰ বিষয়ে লিখক।

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১। বিজয়নগৰ সাম্রাজ্যৰ শাসকসকলে তেওঁলোকৰ মুদ্রাসমূহত ব্যৱহাৰ কৰা লিপিৰ নাম উল্লেখ কৰক।

প্রশ্ন নং ২। 'তাৰিখ-ই- বাদাউনী'ত কি বিষয়ে সমালোচনা কৰা হৈছে?

প্রশ্ন নং ৩। চুলতানী যুগৰ আঞ্চলিক ইতিহাস বিষয়ক লিখিত সমলৰ নাম উল্লেখ কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১। মধ্যযুগীয় ভাৰতৰ সাহিত্যিক সমলসমূহ আৰু ইতিহাসবিদ সকলৰ বাবে এইসমূহৰ গুৰুত্বপূর্ণতাৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন নং ২। মধ্যযুগীয় ভাৰতৰ ইতিহাসৰ প্রসংগক্রমে ইতিহাসৰ অধ্যয়নত মুদ্রাগত সমলসমূহৰ তাৎপর্য সম্পর্কে আলোচনা কৰক।

———

অধ্যায় ২ ঃ চুলতানসকলৰ শাসনৰ ভেটি

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ সিন্ধৰ আৰবসকল
২.৪ গজন্‌বীদসকল
২.৫ ঘোৰী বংশ
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্রগতিৰ খতিয়ান
২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতত মুছলমান শাসকৰ যুদ্ধ জয় আৰু ইছলাম ধৰ্মৰ ক্ৰমবৰ্ধন সম্পৰ্কে বৰ্ণনা কৰিব পাৰিব,
- গজন্‌বীদসকলে চলোৱা আক্ৰমণৰ প্ৰচেষ্টাৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ঘোৰী শাসকসকলে ভাৰতত চলোৱা আক্ৰমণ আৰু মুছলমান সাম্ৰাজ্য প্ৰতিষ্ঠাৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- ভাৰতৰ ৰাজনৈতিক আৰু সামাজিক জীৱনত তুৰ্ক-আফগান শাসনৰ প্ৰভাৱ ব্যাখ্যা কৰিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি মধ্যযুগৰ ভাৰতৰ সাহিত্যিক, স্থাপত্য কলাকেন্দ্ৰিক আৰু মুদ্ৰাভিত্তিক সমলসমুহৰ বিষয়ে আলোচনা কৰিছিলোঁ। এই অধ্যায়ত আমি ভাৰতত চুলতানসকলৰ শাসনৰ ভেঁটি কেনেদৰে গঢ় লৈ উঠিছিল সেই বিষয়ে আলোচনা কৰিম। চুলতানসকলৰ শাসন আৰম্ভ হোৱাৰ ঠিক আগে আগে ভাৰতৰ ৰাজনৈতিক অৱস্থা ইছলাম ধৰ্মৰ প্ৰসাৰ আৰু মুছলমান ৰাজবংশবোৰৰ উত্থান ঘটাৰ বাবে অনুকূল হৈ উঠিছিল।

৬৪৭ খ্ৰীষ্টাব্দত কনৌজৰ ৰজা হৰ্ষৰ মৃত্যু হোৱাৰ পাছত ভাৰতত ক্ষমতাশালী ৰাজনৈতিক শক্তিৰ অভাৱ ঘটিছিল। ফলস্বৰূপে অসংখ্য সৰু সৰু ৰাজ্যই গা কৰি উঠিছিল। এই কাৰণবোৰে বিদেশী শক্তিসমূহক ভাৰত আক্ৰমণ কৰাৰ বাবে প্ৰয়োজনীয় সুযোগ আনি দিছিল।

২.৩ সিন্ধৰ আৰবসকল

সিন্ধৰ আৰবসকলে ভাৰত আক্রমণ কৰাৰ প্রাক্‌মুহূর্তত ভাৰত ৰাজনৈতিকভাৱে অতি দুর্বল হৈ পৰিছিল। ৰাজ্যবোৰৰ মাজত কোনো একতা নাছিল। বহুতো আঞ্চলিক শাসনকর্তা আৰু মুখিয়ালে নিজ নিজ স্বাধীনতা ঘোষণা কৰিছিল। খ্রীষ্টীয় অষ্টম শতিকাত আৰবসকলে সিন্ধ জয় কৰাৰ পৰাই আৰবসকলে ভাৰতত ইছলাম ধর্মৰ প্রসাৰ ঘটোৱাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। তাৰ পাছত তেওঁলোকে বিভিন্ন ধৰণে বহুবাৰ ভাৰতত প্রৱেশ কৰাৰ চেষ্টা চলাইছিল যদিও ৭১১-৭১২ খ্রীষ্টাব্দতহে পোন প্রথমবাৰৰ বাবে সফলতা লাভ কৰিছিল। আৰবসকলৰ ভাৰত আক্রমণৰ বিষয়ে চাচনামা (Chachnama) আৰু আল-ৰেৰুনীৰ লেখনীত স্পষ্টভাৱে উল্লেখ কৰা আছে।

আৰবসকল ভাৰতলৈ অহাৰ আঁৰত কেইটি উল্লেখযোগ্য কাৰণ আছিল। প্রথম কাৰণটো হ'ল ভাৰতৰ ঐশ্বর্য বিভূতিৰ কাহিনী। এই কাহিনীবোৰে আৰবসকলৰ কল্পনাত ইন্ধন যোগাইছিল। তেওঁলোকে ভাৰতৰ ধন-সম্পদ লুটি-পুতি নিবলৈ ব্যগ্র হৈ পৰিছিল। দ্বিতীয় কাৰণটো হ'ল তেওঁলোকৰ গোড়া সাম্রাজ্যবাদী মানসিকতা। তাত ইন্ধন যোগাইছিল তেওঁলোকৰ ধর্মীয় বিশ্বাস (ইছলাম) সম্প্রসাৰণ কৰাৰ অদম্য ইচ্ছাই। এই সকলোবোৰে মিলি আৰবসকলক দুঃসাহসিক অভিযানপ্রিয় কৰি তুলিছিল।

আৰবসকলে সিন্ধ আক্রমণ কৰাৰ সময়ত ডাহাৰ অথবা ডাহিৰ আছিল সিন্ধৰ ৰজা। ইৰাকৰ প্রশাসক আল-হাজ্জাজ ডেবালৰ জলদস্যুবোৰৰ প্রকোপত অতিষ্ঠ হৈ পৰিছিল। সেয়েহে তেওঁ সিন্ধক এশিকনি দিবলৈ একাধিকবাৰ আক্রমণ চলাইছিল। ডাহিৰে প্রথম অৱস্থাৰ আক্রমণবোৰ প্রতিহত কৰিবলৈ সক্ষম হৈছিল। তাকে দেখি হাজ্জাজে জোঁৱায়েক মুহম্মদ ইবন্ কাচিমক সিন্ধ আক্রমণ কৰিবলৈ পঠাইছিল। এই আক্রমণত ডাহিৰৰ বিস্তৰ ক্ষতি হৈছিল আৰু তেওঁ অকলশৰীয়া হৈ পৰিছিল। কাচিমে ডেবালৰ উপৰি আন দুটামান শক্তিশালী অঞ্চল দখললৈ নিছিল। ৰোৰাৰ নামৰ ঠাইত (৭১২ খ্রীষ্টাব্দ) প্রবল পৰাক্রমেৰে শত্রু ভেটিবলৈ চেষ্টা কৰিও ডাহিৰে মৃত্যুবৰণ কৰিছিল। আক্রমণকাৰীসকলে ব্রাহ্মনাবাদ আৰু আৰো'ৰত নিজৰ দখল সাব্যস্ত কৰিছিল। ডাহিৰৰ পত্নী ৰাণী বায়েও শত্রুক বাধা দিবলৈ প্রাণ-পণে চেষ্টা কৰিছিল। কিন্তু তেওঁৰ চেষ্টা বিফলে গৈছিল আৰু তেওঁ জৌহৰ প্রথাৰে আত্মজাহ দিছিল। আক্রমণকাৰীসকলে ৰোৰাৰ দুর্গ নিজৰ হাতলৈ নিছিল। কাচিম ৰোৰাৰ দখলতে ক্ষান্ত থকা বিধৰ নাছিল। তেওঁ তাৰ পাছত মূলতান অভিমুখে আগবাঢ়িছিল। ৰোৰাৰত নিজৰ প্রশাসকক নিযুক্তি দি তেওঁ মুলতান পাইছিলগৈ। মূলটানৰ হিন্দুসকলে জনোৱা তীব্র প্রত্যাহ্বানৰ সৈতে এঘড়ী যুঁজাৰ পাছতহে তেওঁ অঞ্চলটো দখল কৰিব পাৰিছিল। প্রবল পৰাক্রমী কাচিমৰ জীৱনৰ অতি কৰুণভাৱে সামৰণি পৰিছিল যেতিয়া আৰবৰ খলিফাই কাচিমক প্রাণদণ্ড দিছিল।

কাচিমৰ মৃত্যুৰ পাছত সিন্ধ অঞ্চলৰ হিন্দু মুখিয়ালসকলে নিজ নিজ এলেকাবোৰ আৰব প্রভাৱৰ পৰা মুক্ত কৰাৰ প্রয়াস কৰিছিল। কিন্তু খলিফা খালিফ ওমৰ দ্বিতীয়ে এটা চর্ততহে

তেওঁলোকক স্বাধীনভাৱে শাসন কৰাৰ অধিকাৰ দিয়া হ'ব বুলি কথা দিছিল। চৰ্তটো আছিল হিন্দু মুখিয়ালসকলে ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ। কিন্তু ডাহিৰৰ পুত্ৰ জয় সিঙে ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ পাছতো খলিফাই নিজ প্ৰতিশ্ৰুতি ভংগ কৰি জয় সিঙক হত্যা কৰিছিল। সেইখিনি সময়তে সিন্ধত থকা আৰব প্ৰশাসক জুনেইদে অঞ্চলটোত অবিৰতভাৱে ইছলাম ধৰ্ম প্ৰচাৰ কৰি আছিল। কিন্তু ৮৭১ খ্ৰীষ্টাব্দমানত সিন্ধ আৰু মূলতানৰ আৰব শাসকসকলে নিজকে স্বাধীন বুলি ঘোষণা কৰিছিল। লগে লগে চালুক্য আৰু প্ৰতিহাৰৰ দৰে শক্তিশালী হৈ পৰা হিন্দু ৰাজবংশবোৰে বাৰম্বাৰ আক্ৰমণৰ ফলস্বৰূপে আৰব শক্তিৰ পতল ঘটিছিল। এনেকৈয়ে এসময়ত আৰব শক্তি দুৰ্বল হৈ পৰিছিল। সেইখিনি সময়ত আব্বাচিড ৰাজবংশই খলিফাৰ আসনত বহিবলৈ আৰম্ভ কৰিছিল। লাহে লাহে সিন্ধৰ আৰবসকলৰ ওপৰত খলিফাৰ নিয়ন্ত্ৰণ কমিবলৈ ধৰিছিল।

❍ আৰবসকলৰ আক্ৰমণৰ প্ৰভাৱ

সিন্ধত আৰবসকলৰ আক্ৰমণে ভাৰতত কোনো ধৰণৰ গভীৰ ৰাজনৈতিক প্ৰভাৱ পেলোৱা নাছিল। ইয়াৰ প্ৰধান কাৰণ আছিল আৰবসকলৰ প্ৰভাৱ ভাৰতৰ দুৰ্গম অঞ্চলবোৰলৈ সম্প্ৰসাৰিত নহৈ কেৱল সিন্ধতে সীমাবদ্ধ আছিল। আনটো কাৰণ হ'ল সিন্ধক আগুৰি থকা মৰুভূমিয়ে আৰবসকলৰ মনৰ পৰা সিন্ধ আৰু ধন- সম্পদৰ প্ৰতি ধাউতি দুয়োটাই লাহে লাহে নাইকিয়া কৰি পেলাইছিল।

সেই সময়ছোৱাত সামাজিক আৰু অৰ্থনৈতিক অৱস্থাবোৰ বিশেষ উন্নতি হোৱা নাছিল। ইক্টা (Iqta) ব্যৱস্থাৰ অধীনত কোনো অসুবিধা নোপোৱাকৈ সামন্তবাদ অব্যাহত আছিল। ইছলামীয় আইনৰ অধীনত হিন্দুসকল বৈষম্যৰ বলি হৈছিল। সিন্ধৰ পৰা বিস্তৰ পৰিমাণৰ ধন-সম্পদ লৈ যোৱা হৈছিল। হিন্দুসকলৰ ওপৰত জিজিয়া (Jizya) নামৰ এবিধ কৰৰ বোজা জাপি দিয়া হৈছিল।

অৱশ্যে, আৰবৰ সিন্ধ আক্ৰমণৰ এটা সাংস্কৃতিক প্ৰভাৱ আছে। আৰব পণ্ডিতসকলে জ্যোতিৰ্বিজ্ঞান, গণিত, চিকিৎসাবিজ্ঞান, ৰসায়ন ইত্যাদি বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ কৰিছিল। ইয়াৰ বাবে তেওঁলোক ব্ৰাহ্মণ আৰু বৌদ্ধ ভিক্ষুৰ ওচৰ চাপিছিল। আৰব জ্যোতিৰ্বিজ্ঞানী আবা মাশ্বাৰে বেনাৰসত সংস্কৃত আৰু জ্যোৰ্তিবিজ্ঞান অধ্যয়ন কৰিছিল। ব্ৰহ্ম সিদ্ধান্ত আৰু কাণ্ড খণ্ডকৰ দৰে জ্ঞানগৰ্ভ গ্ৰন্থ আৰবী ভাষালৈ অনূদিত হৈছিল। আৰবসকলক ভাৰতীয় সংগীত আৰু সংস্কৃতিয়ে মোহিত কৰিছিল। ভাৰতৰ স্থাপত্য শৈলীয়েও আৰবসকলক গভীৰভাৱে প্ৰভাৱিত কৰিছিল।

অৱশ্যে কিছুমান পণ্ডিতে আৰবসকলৰ সাংস্কৃতিক প্ৰভাৱ অস্বীকাৰ কৰে। কাৰণ, আৰবসকলৰ উপস্থিতি কেৱল সিন্ধ অঞ্চলতে সীমাবদ্ধ আছিল। সেয়েহে গভীৰ প্ৰভাৱ পেলাব পৰাকৈ আৰব সংস্কৃতি সম্প্ৰসাৰিত হোৱা নাছিল। দ্বিতীয়তে, জ্ঞানগৰ্ভ ভাৰতীয় গ্ৰন্থ কিছুমান আৰবী ভাষালৈ অনুবাদ কৰা হৈছিল বুলি ভবাৰো কোনো ভিত্তি নাই। তৃতীয়তে, আৰবসকলে ভাৰত আক্ৰমণ কৰাৰ সময়ত ভাৰতীয় সভ্যতাই প্ৰাচীন গৰিমা হেৰুৱাই পেলাইছিল। সেয়েহে ই আৰবসকলক প্ৰভাৱিত কৰিছিল বুলি কোৱাটো অতিৰঞ্জিত ধাৰণাহে হ'ব।

❍ আৰবসকলৰ সফলতাৰ কাৰণ

আৰবসকল ভাৰত আক্ৰমণত কিয় সফল হৈছিল সেই বিষয়ে ভিন্নমত আছে। সিন্ধৰ

বাসিন্দাসকলৰ নিজৰ মাজত ঘটা ঐক্যৰ অভাৱতে আৰবৰ আক্ৰমণ প্ৰতিহত কৰাত বিফল হৈছিল। আন এটা প্ৰধান কাৰণ আছিল বিভিন্ন ধৰ্মাৱলম্বী প্ৰজাৰ প্ৰতি দেখুওৱা অসহিষ্ণুতাই ৰজা ডাহিৰৰ জনপ্ৰিয়তা বহু পৰিমাণে হ্ৰাস কৰিছিল। তদুপৰি আৰবসকল আছিল সকলো দিশৰ পৰা সু-সংগঠিত। ইয়াৰ বিপৰীতে সিন্ধৰ বাসিন্দাসকল সেই সময়ত সামাজিক অক্ষমতা আৰু বিভেদৰ মোকাবিলা কৰাত ব্যস্ত হৈ আছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ১ ঃ আল-হাজ্জাজ কোন আছিল?

প্ৰশ্ন নং ২ ঃ কাচিমৰ পৰা ৰোৱাৰ দুৰ্গ ৰক্ষা কৰিবলৈ কোনে প্ৰাণ-পণে চেষ্টা কৰিছিল?

প্ৰশ্ন নং ৩ ঃ আৰবীলৈ অনুবাদ হোৱা ভাৰতীয় পুথি দুখনৰ নাম উল্লেখ কৰক।

২.৪ গজ্‌নবীদ সকল

এই কথা নাকচ কৰিব নোৱাৰি যে আৰবসকল আছিল ভাৰতৰ সমভূমি অঞ্চলত আক্ৰমণ চলোৱা প্ৰথম মুছলমান আক্ৰমণকাৰী। তুৰ্কসকলে আৰবসকলৰ আধৰুৱা কাম সম্পূৰ্ণ কৰি ভাৰতত মুছলমান শাসন প্ৰতিষ্ঠা কৰিছিল এই কথাও আওকাণ কৰিব নোৱাৰি।

আৰবত আব্বাচিড বংশৰ খলিফাসকলৰ পৰাক্ৰম ম্লান পৰি অহাৰ লগে লগে চাম্মানিডৰ দৰে স্থানীয় ৰাজ্যবোৰৰ উত্থান ঘটিছিল। বুখাৰাৰ চাম্মানিড শাসক আব্দুল মালিকৰ প্ৰাক্তন গোলাম আলাপটাগিনে গজন্‌বী বংশৰ ভেটি প্ৰতিষ্ঠা কৰিছিল। আলাপটাগিনৰ কাৰ্যদক্ষতাই তেওঁক এজন উচ্চপদস্থ ৰাজবিষয়াত পৰিণত কৰিছিল। ৯৬২ খ্ৰীষ্টাব্দত আব্দুল মালিকৰ মৃত্যু হোৱাৰ পাছত বুখাৰাত উত্তৰাধিকাৰক লৈ যুদ্ধ আৰম্ভ হৈছিল। এই যুদ্ধত অতিষ্ঠ হৈ আলাপটাগিনে নিজৰ মানুহখিনিক লৈ গজ্‌নীলৈ গুচি গৈছিল আৰু তাতেই য়ামিনি (Yamini) অথবা গজন্‌বীদ (Ghaznavid) বংশৰ প্ৰতিষ্ঠা কৰিছিল।

৯৭৭ খ্ৰীষ্টাব্দত আলাপটাগিনৰ এজন গোলাম বিষয়া চাবুক্তাগিনে গজ্‌নীৰ সিংহাসনত বহিছিল। চাবুক্তাগিন এজন সুদক্ষ ৰজা আছিল। লাম্‌ঘান আৰু চিস্তান জয় কৰি তেওঁ নিজ বিক্ৰমৰ পৰিচয় দিছিল। ৯৯৪ খ্ৰীষ্টাব্দত তেওঁ খোৰাচান প্ৰদেশ দখল কৰিছিল। তাৰ পাছত তেওঁ ভাৰত আক্ৰমণ কৰাৰ পৰিকল্পনা কৰিছিল। কিন্তু হিন্দুশ্বাহী ৰাজ্যই চাবুক্তাগিনৰ বাবে প্ৰবল প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছিল। হিন্দুশ্বাহীৰ ৰজা জয় পালে বীৰত্বেৰে যুঁজি কিছুদিনৰ বাবে অঞ্চলটোত শান্তি বৰ্তাই ৰাখিছিল যদিও চাবুক্তাগিনে পুনৰ হিন্দুশ্বাহী ৰাজ্যৰ ওপৰত আক্ৰমণ কৰিছিল। এই যুদ্ধত জয়পালে আত্মসমৰ্পণ কৰিছিল আৰু এখন সন্মান হানিকাৰক চুক্তিত চহী কৰিবলৈ বাধ্য হৈছিল।

চাবুক্তাগিনৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ মাহমুদ ৰাজপাটত বহিছিল। তেওঁ খলিফা আল-

কাদিৰ-বিল্লালৰ পৰা শাসক হিচাপে স্বীকৃতি লাভ কৰিছিল। খলিফাৰ পত্রখনত মাহমুদক য়ামিন-উদ-দৌলা আৰু আমিন-উল-মিলাট উপাধি দিয়া হৈছিল। মাহমুদে খলিফাৰ প্রতি আনুগত্য প্রদর্শন কৰি ভাৰতৰ বিৰুদ্ধে যুদ্ধ অভিযান চলোৱাৰ পণ লৈছিল। হেনৰী ইলিয়'টৰ মতে মাহমুদে ১৭ বাৰ ভাৰত আক্রমণ কৰিছিল। ১০০০ খৃষ্টাব্দত গজ্নীৰ মাহমুদে ভাৰতৰ বিৰুদ্ধে ধ্বংস আৰু লুটপাটৰ যুদ্ধ আৰম্ভ কৰিছিল। তেতিয়াৰ পৰা ১০২৫ খৃষ্টাব্দলৈ তেওঁ মুঠ ১৭ বাৰ ভাৰত আক্রমণ কৰিছিল আৰু গুজৰাটৰ সৌৰাষ্ট্রলৈকে এক বিশাল অঞ্চল নিজৰ অধীনলৈ নিছিল।

স্মিথ্ৰ দৰে পণ্ডিতৰ মতে মাহমুদৰ ভাৰতত থিতাপি লোৱাৰ অথবা ভাৰত শাসন কৰাৰ কোনো অভিপ্রায় নাছিল। তেওঁ কেৱল ভাৰতৰ ধন-সম্পদ লুট কৰিব বিচাৰিছিল। তেওঁৰ আক্রমণকালত অতি বৰ্বৰভাৱে সম্পত্তি কাঢ়ি লোৱা হৈছিল। তেওঁ মথুৰা, বৃন্দাবন আদি স্থানৰ বহুতো মন্দিৰ ধ্বংস কৰিছিল। মাহমুদে কাশ্মীৰ জয় কৰাৰো চেষ্টা কৰিছিল যদিও শেষত সেই পৰিকল্পনা বাদ দিছিল। সোমনাথ মন্দিৰ ধ্বংসক মাহমুদৰ সবাতোকৈ কুখ্যাত অভিযান বুলি গণ্য কৰা হয়। এই আক্রমণত মন্দিৰৰ ধন-সম্পত্তিৰ অবাধ লুট-পাত হোৱাৰ লগতে অসংখ্য নিৰীহ লোকক হত্যা কৰা হৈছিল। মাহমুদে সর্বশেষ আক্রমণটো জাটসকলৰ ওপৰত কৰিছিল।

মাহমুদৰ ভাৰত আক্রমণৰ আঁৰৰ কাৰণ আছিল দুটা- তেওঁৰ সামৰিক পৰাক্রম প্রদর্শনৰ হাবিয়াস আৰু ইছলাম ধর্মৰ সেৱা। ড° ঈশ্বৰী প্রসাদৰ মতে নিজৰ মানুহখিনিৰ বাবে মাহমুদ আছিল এগৰাকী পৰম বিশ্বাসী মুছলমান কিন্তু হিন্দুসকলৰ বাবে তেওঁ আছিল ক্রূৰতাৰ আন এক নাম। কিন্তু একে সময়তে মাহমুদ শিক্ষাৰ পৃষ্ঠপোষক আৰু একনিষ্ঠ মুছলমান আছিল। তেওঁ বহুতো প্রাচ্য পণ্ডিতক নিজৰ সেৱাত নিয়োজিত কৰিছিল। তেওঁৰ ৰাজসভাৰ এগৰাকী মহান সাহিত্যিক আছিল উট্বি (Utbi) । শ্বাহনামাৰ লিখক ফিৰদৌচীয়েও মাহমুদৰ ৰাজসভাৰ শোভাবর্ধন কৰিছিল। মাহমুদৰ ভাৰত আক্রমণৰ সময়ত তেওঁক সংগ দিয়া আন এগৰাকী সাহিত্যিক আছিল আল-বেৰুণী। আল-বেৰুণীৰ লেখনীত কনৌজ, বংগ, মালৱা, গুজৰাট আৰু অন্য ভাৰতীয় প্রদেশৰ উল্লেখ আছে। তেওঁ লিখিছিল যে এই ৰাজ্যবোৰ ক্ষমতাৰ দিশেৰে ঐক্যবদ্ধ নাছিল। আলবেৰুণীৰ লেখনীৰ পৰা ইয়াকো গম পোৱা যায় যে সেই সময়ৰ হিন্দুসকলে বহুতো দেৱ-দেৱীক বিশ্বাস কৰিছিল আৰু ব্রাহ্মণসকলে প্রাণদণ্ডৰ পৰা ৰেহাই পাইছিল। বিধৱা বিবাহ সাধাৰণতে নহৈছিল যদিও বাল্য বিবাহৰ প্রচলন আছিল। আল-বেৰুণীক হিন্দু পদ্ধতিৰ শিক্ষণে যথেষ্ট প্রভাৱিত কৰিছিল। মাহমুদে গজনীত এখন বিশ্ববিদ্যালয় স্থাপন কৰিছিল। কলাৰ পৃষ্ঠপোষক হিচাপে মাহমুদে মাদ্রাছা আৰু মছজিদ নির্মাণৰ নির্দেশো জাৰি কৰিছিল।

মাহমুদ এজন পৰাক্রমী যোদ্ধা আছিল যদিও ৰাজনীতিক হিচাপে তেওঁ বিফল আছিল। তেওঁ নিজ ৰাজ্যৰ প্রশাসন, আইন আৰু সাংগঠনিক উন্নয়ন তথা পৰিৱর্তনৰ কাৰণে কোনো ব্যৱস্থা লোৱা নাছিল। সেয়েহে তেওঁৰ মৃত্যুৰ লগে লগে তেওঁ স্থাপন কৰা অতি-সাম্রাজ্যৰ গাঁথনিটো ভাগি গৈছিল। ১০৩০ খ্রীষ্টাব্দত মাহমুদৰ মৃত্যু হৈছিল। মাহমুদৰ উত্তৰাধিকাৰীসকলৰ মাজত চলা সংঘর্ষ আৰু তেওঁলোকৰ অদক্ষতাৰ ফলত অতি সোনকালেই গজ্নবী বংশৰ পতন আৰম্ভ হৈছিল। উত্তৰাধিকাৰীসকলৰ অধিকাংশই লাহ-বিলাসৰ প্রতি আকর্ষিত আছিল। গজন্বী

বংশৰ শেষ ৰজা খুশ্ৰু মালিকে গজ্নী ৰক্ষা কৰিব নোৱাৰিলে। ঘোৰী বংশৰ শাসকে গজ্নী দখল কৰি ১১৮৬ খ্ৰীষ্টাব্দত খুশ্ৰুক লাহোৰত কিছুদিন কাৰাবন্দী কৰি ৰখাৰ পাছত মৃত্যুদণ্ড দিছিল। খুশ্ৰুৰ মৃত্যুৰ লগে লগে গজন্বীদ বংশৰ ইতি পৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ৪ ঃ গজন্বীদ বংশ কোনে প্ৰতিষ্ঠা কৰিছিল?

প্ৰশ্ন নং ৫ ঃ চাবুক্টাগিনে ভাৰত আক্ৰমণ কৰাৰ সময়ত কোনজন ৰজাই বাধা দিয়াৰ চেষ্টা কৰিছিল? নাম উল্লেখ কৰক।

প্ৰশ্ন নং ৬ ঃ শ্বাহনামা কোনে লিখিছিল?

২.৫ ঘোৰী বংশসকল

ওপৰৰ আলোচনাৰ পৰা আমি গম পালোঁ যে মাহমুদৰ উত্তৰাধিকাৰীসকল ঘোৰী বংশৰ শাসকৰ আক্ৰমণৰ মুখামুখি হৈছিল। ঘোৰ (Ghur) সামন্তৰাজ্যখন (Principality) আফগানিস্তানৰ পশ্চিম মধ্য অঞ্চলত অৱস্থিত আছিল। ৰাজ্যখন মূলতঃ চৰণীয়া পথাৰেৰে ভৰা আৰু বাসিন্দাসকলো কঠোৰ পৰিশ্ৰমী আছিল। শ্বাঞ্চবাণী ৰাজবংশৰ শাসনকালত গজ্নী আধিপত্য থকা অঞ্চলবোৰত সঘনাই আক্ৰমণ চলিছিল। এনে সংঘৰ্ষতে গজ্নবীদ ৰজা বাহাৰামে শ্বাঞ্চবাণী বংশৰ কুটুবউদ্দিন মুহম্মদ আৰু চৈফুদ্দিনক হত্যা কৰিছিল। মৃত ৰাজকুমাৰ দুজনৰ কনিষ্ঠ ভ্ৰাতৃ আলাউদ্দিন হুছেইন এই কথাত অতি ক্ষুব্ধ হৈ পৰিছিল আৰু গজ্নী ৰাজ্যৰ নগৰ-চহৰ, গাঁও-ভূই জ্বলাই দি প্ৰতিশোধ লৈছিল। তেওঁৰ পাছত তেওঁৰ দুই পুত্ৰ ক্ৰমে গিয়াচুদ্দিন আৰু মুইজুদ্দিন ৰাজপাটত বহিছিল। মুইজুদ্দিন পাচলৈ মুহম্মদ ঘোৰী ৰূপে জনাজাত হৈছিল আৰু ভাৰতৰ বিৰুদ্ধে বিশাল আক্ৰমণৰ অভিযান চলাইছিল।

মুহম্মদ বিন কাচিম আৰু মাহমুদে ভাৰত আক্ৰমণ কৰিছিল যদিও ভাৰতত মুছলমান সাম্ৰাজ্য স্থাপনৰ কৃতিত্ব মুহম্মদ ঘোৰীক দিয়া হয়। ১১৭৫ খৃষ্টাব্দত মুহম্মদ ঘোৰীয়ে মূলতান জয় কৰি নিজৰ যুদ্ধজয়ৰ ইতিহাসৰ পাতনি মেলে। তাৰ পাছৰ বছৰতে তেওঁ উছ্ছ (সিন্ধ) জয় কৰে। ১১৭৮ খ্ৰীষ্টাব্দত নাহৰৱালা পাৰ হৈ মুহম্মদ ঘোৰীয়ে দক্ষিণ ভাৰতত প্ৰৱেশ কৰাৰ চেষ্টা চলাইছিল। কিন্তু নাহৰৱালাৰ মৰুভূমি অঞ্চলৰ মুখিয়াল দ্বিতীয় মূলৰাজ আৰু গুজৰাটৰ ভীমদেৱাই এই আক্ৰমণ বীৰত্বৰে প্ৰতিহত কৰিছিল। সোনকালেই ঘোৰীয়ে দক্ষিণ ভাৰতত প্ৰৱেশ কৰাৰ সকলো প্ৰচেষ্টা বাদ দিছিল আৰু মূলতান, সিন্ধ তথা পঞ্জাৱত নিজ শক্তি কেন্দ্ৰীভূত কৰাত গুৰুত্ব দিছিল। ১১৭৯ খ্ৰীষ্টাব্দত ঘোৰীয়ে পেশ্বাৰৰ আক্ৰমণ কৰিছিল। তাৰ পাছৰ বছৰ অন্তিম গজন্বীদ ৰজা খুশ্ৰু শ্বাহে শাসন কৰি থকা ৰাজ্য লাহোৰ নিজৰ দখললৈ নিছিল। তাৰ পাছত তেঁও সিন্ধৰ ডেবাললৈ আগবাঢ়ি গৈছিল আৰু ডেবাল দখল কৰি মূলতান, সিন্ধ তথা পঞ্জাৱক সীমা বান্ধি নিজ সাম্ৰাজ্যৰ ভেটি প্ৰতিষ্ঠা কৰিছিল।

পঞ্জাৱ সীমান্তৰ বাহিৰৰ অঞ্চলবোৰত তুৰ্কসকলে চলোৱা আক্ৰমণৰ বা-বাতৰিয়ে ভাৰতীয় যুৱৰাজসকলক সতৰ্ক কৰি তুলিছিল। সম্ভাব্য মুছলমান আক্ৰমণত ভীতিগ্ৰস্ত হৈ দিল্লী আৰু আজমেৰ শাসন কৰি থকা চৌহান বংশৰ ৰজা পৃথ্বীৰাজে অন্য হিন্দু ৰজাৰ সৈতে মিত্ৰতা স্থাপন কৰিছিল। এই মিত্ৰতাৰ ফলশ্ৰুতিতে ১১৯১ খ্ৰীষ্টাব্দৰ তৰাইনৰ প্ৰথম যুদ্ধত মুহম্মদ ঘূৰী আৰু তেওঁৰ সৈন্যদলে শোচনীয় পৰাজয়বৰণ কৰিছিল। ৰাজপুতসকলে নিজৰ শক্তি আৰু বীৰত্বৰ পৰিচয় দাঙি ধৰিছিল। ঘোৰী বাহিনী পশ্চাদপসৰণ কৰিবলৈ বাধ্য হৈছিল।

১১৯২ খ্ৰীষ্টাব্দতে তৰাইনৰ দ্বিতীয় যুদ্ধ সংঘটিত হৈছিল। এইবাৰ ঘোৰীৰ সৈন্যবল আগতকৈ অধিক আছিল। তেওঁলোকে সামৰিক কৌশলৰে পৃথ্বীৰাজৰ নেতৃত্বাধীন হিন্দু মুখিয়ালসকলক বেয়াকৈ পৰাস্ত কৰিছিল। সোনকালেই দিল্লী আৰু আজমেৰ মুহম্মদ ঘোৰীৰ হাতলৈ গৈছিল আৰু তেওঁৰ সাম্ৰাজ্যৰ অংশ হৈ পৰিছিল। তৰাইনৰ দ্বিতীয় যুদ্ধই তুৰ্কসকলৰ বাবে ভাৰতৰ দুৱাৰ মুকলি কৰি দিয়াৰ বাবে এই যুদ্ধখনক ভাৰতীয় ইতিহাসৰ এক অন্যতম ঘটনা বুলি গণ্য কৰা হয়। দিল্লী আৰু আজমেৰৰ প্ৰশাসনিক দায়িত্ব তেওঁৰ সেনাপতি কুটুবুউদ্দিন আইবাকৰ হাতত অৰ্পণ কৰি মুহম্মদ ঘোৰী গজনীলৈ উভতি গৈছিল।

১১৯৪ খ্ৰীষ্টাব্দত ঘোৰীয়ে কনৌজ আক্ৰমণ কৰিছিল। কনৌজৰ শাসক ৰজা জয়চন্দ্ৰই পৃথ্বীৰাজ চৌহান আৰু ঘোৰীৰ মাজত চলা তৰাইনৰ দ্বিতীয় যুদ্ধত ভাগ নোলোৱাকৈ আছিল। কিন্তু চান্দৱাৰা যুদ্ধত জয়চন্দ্ৰৰ মৃত্যু হৈছিল আৰু ৰাজপুত সকলে ভয়তে যুদ্ধক্ষেত্ৰৰ পৰা পলায়ন কৰিছিল। তাৰপৰা মুহম্মদ ঘোৰী আচনি আৰু বেনাৰস অভিমুখে আগবাঢ়িছিল। তেওঁ এই অভিযানকালত বহুতো মঠ-মন্দিৰ ধ্বংস কৰি সা-সম্পত্তি লুটি নিছিল। ১১৯৫-৯৬ খ্ৰীষ্টাব্দত ঘোৰীয়ে বিহাৰৰ এটা অংশ শাসন কৰি থকা যাদোঁ ভাট্টী ৰাজপুতক পৰাস্ত কৰি অঞ্চলটো নিজ সাম্ৰাজ্যৰ অধীন কৰিছিল।

মুহম্মদ ঘোৰীৰ অনুপস্থিতিত কুটুবুউদ্দিন আইবাকে ভাৰতৰ অন্য অঞ্চল আক্ৰমণৰ পৰম্পৰা অব্যাহত ৰাখিছিল। তেওঁ বাদায়ুঁ দখল কৰিছিল, বেনাৰস-চান্দৱাৰা-কনৌজ পুনৰ নিজৰ দখললৈ আনিছিল। ১২০২-০৩ খ্ৰীষ্টাব্দত আইবাকে কালিঞ্জাৰ আক্ৰমণ কৰিছিল। কালিঞ্জাৰ আছিল বুন্দেলখণ্ডৰ চণ্ডেলা ৰাজবংশৰ ৰজা পৰমার্দি দেৱৰ সামৰিক ৰাজধানী। চণ্ডেলাসকলে বীৰত্বেৰে যুঁজিও কালিঞ্জাৰ ৰক্ষা কৰিব নোৱাৰিলে। সেই সময়ত আইবাকৰ এজন সেনাধ্যক্ষ মুহম্মদ বিন বখ্তিয়াৰ খিল্জীয়ে বংগ আৰু বিহাৰ জয় কৰাৰ বিস্তৃত পৰিকল্পনা যুগুত কৰিছিল। বিহাৰৰ ৰজা ইন্দ্ৰুমনে বিনা যুদ্ধই পলায়ন কৰিছিল আৰু খিল্জীয়ে ৰাজ্যৰ ৰাজধানী ওদান্তাপুৰী অনায়াসে দখল কৰিছিল। এই আক্ৰমণকালত অসংখ্য বৌদ্ধমঠ ধ্বংস কৰা হৈছিল আৰু বৌদ্ধভিক্ষু তথা হিন্দু ব্ৰাহ্মণক হত্যা কৰা হৈছিল।

খিল্জীৰ আক্ৰমণৰ পৰৱৰ্তী লক্ষ্য আছিল বংগ। সেই সময়ত বংগৰ ৰজা আছিল সেনা ৰাজবংশৰ লক্ষ্মণ সেনা। খিল্জীয়ে মাত্ৰ কেইজনমান সৈন্যৰ সৈতে ৰাজপ্ৰাসাদত প্ৰৱেশ কৰি আচম্বিতে আক্ৰমণ কৰিছিল। এই আক্ৰমণে নগৰত ত্ৰাসৰ সৃষ্টি কৰিছিল। ৰজাই কাপুৰুষৰ দৰে পলায়ন কৰিছিল। এনেকৈয়ে খিল্জীয়ে বংগৰ ৰাজধানী দখল কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত

তেওঁ সমগ্ৰ বংগখন নিজৰ অধীন কৰিবলৈ কোনো প্ৰচেষ্টা নচলালে।

খিল্‌জীয়ে তাৰ পাছত হিমালয় অঞ্চল জয় কৰাৰ চেষ্টা চলাইছিল। ইয়াৰ বাবে তেওঁ কামৰূপৰ ৰজাৰ সৈতে দিক্ নিৰ্দেশনা তথা সহায় বিচাৰি এক সন্ধিত উপনীত হৈছিল। কিন্তু এই যাত্ৰাকালত খিল্‌জী আৰু তেওঁৰ সেনা-বাহিনীৰ যথেষ্ট ক্ষতি হৈছিল। ভাগৰুৱা দলটোৱে পিছ হুঁহকিবলৈ বাধ্য হৈছিল। উভতি আহোতে কামৰূপৰ ৰজাই তেওঁক আক্ৰমণ কৰিছিল। খিল্‌জী কিবা প্ৰকাৰে গৈ দেওকোটত উপস্থিত হৈছিলগৈ। তাত তেওঁ গুৰুতৰ ধৰণে অসুস্থ হৈ পৰিছিল। নৰিয়া পাটীতে খিল্‌জীক হত্যা কৰা হৈছিল।

এই সময়ছোৱাত মুহম্মদ ঘূৰীৰে ১২০৪ খ্ৰীষ্টাব্দত অন্ধখুড়ত তুৰ্কসকলৰ সৈতে যুদ্ধ লাগিছিল। এই যুদ্ধত ঘোৰী পৰাজিত হৈছিল। মুহম্মদ ঘোৰীৰ শৌৰ্য-বীৰ্যত এই পৰাজয়ে মোক্ষম আঘাত হানিছিল। উৰাবাতৰি মতে এই যুদ্ধতে তেওঁৰ মৃত্যু হৈছিল। ঘোৰীৰ মৃত্যুৰ বতৰা পাই মূলতান আৰু লাহোৰৰ খোখাৰসকল মূৰ দাঙি উঠিছিল। কিন্তু মুহম্মদ ঘোৰী ভাৰতলৈ উভতি আহিছিল আৰু কুটুবউদ্দিন আইবাকৰ সৈতে মিলি খোখাৰসকলক মষিমূৰ কৰিছিল। যিসকল খোখাৰ জীৱিত আছিল তেওঁলোকক ঘোৰীয়ে দাস হিচাপে বিক্ৰী কৰিছিল। ১২০৬ খ্ৰীষ্টাব্দত গজ্‌নীলৈ উভতি গৈ থকা অৱস্থাত মুহম্মদ ঘোৰীৰ আততায়ীৰ হাতত মৃত্যু হৈছিল। তেওঁৰ মৃত্যুৰ পাছত শ্বাঞ্চবাণী বংশৰ অস্তিত্ব বেছিদিন নাথাকিল।

মুহম্মদ ঘোৰী এজন ভাল ৰাজনীতিক আছিল। তেওঁ গজ্‌নীৰ মাহমুদৰ দৰে নিষ্ঠুৰ শাসক নাছিল। তেওঁৰ কূটনৈতিক দক্ষতাই ভাৰতত এখন মুছলমান সাম্ৰাজ্যৰ ভেটি স্থাপনত সহায় কৰিছিল। তৰাইন আৰু নাহৰৱালাৰ যুদ্ধত পৰাস্ত হোৱা সত্ত্বেও তেওঁ ৰাজনৈতিক উচ্চাকাংক্ষা পৰিহাৰ কৰা নাছিল। পূৰ্বসূৰীসকলতকৈ মুহম্মদ ঘূৰীৰ আক্ৰমণবোৰে ভাৰতত মুছলমানসকলৰ বাবে এক স্থিৰ ভেটি গঢ়ি দিছিল।

তুৰ্কসকলৰ আক্ৰমণে ভাৰতীয় ৰাজনৈতিক জগতত এক গভীৰ প্ৰভাৱ পেলাইছিল। তুৰ্ক শাসকসকলৰ আদৰ্শ শাসন ব্যৱস্থা আছিল সাম্ৰাজ্যৰ কেন্দ্ৰীভূতকৰণ। এই ব্যৱস্থাটোৱে ভাৰতৰ ৰাজনৈতিক দিগন্ত সম্প্ৰসাৰিত কৰিছিল। কিছুমান পণ্ডিতৰ মতে আন এক গুৰুত্বপূৰ্ণ প্ৰভাৱ আছিল নগৰ বিপ্লৱ । তুৰ্ক চৰকাৰবোৰে জাতি-সম্প্ৰদায়ভিত্তিক সামাজিক জীৱন আঁতৰাই পেলাইছিল আৰু নতুন নতুন নগৰ-চহৰ গঢ়ি তোলাত সকলোৱে সহায় বিচাৰিছিল। সামৰিক প্ৰশাসনতো যথেষ্ট সাল-সলনি ঘটোৱা হৈছিল। সমাজৰ সকলো শ্ৰেণীৰ লোককে সৈন্য বাহিনীত নিযুক্তি দিয়া হৈছিল। সৈন্যসকলক কেন্দ্ৰীয়ভাৱে দৰমহা দিয়া আৰু নিয়ন্ত্ৰণ কৰা হৈছিল। পদাতিক সৈন্যৰ ঠাইত জন্তুত উঠি যোৱা বন্তি প্ৰজ্বালক সৈন্য নিয়োগ কৰা হৈছিল। তেওঁলোকক চৰাৰাঁ-ঈ-মুকাতলা বোলা হৈছিল। একেদৰে, এই আক্ৰমণবোৰৰ পাছত কৰ-কাটলৰ নীতি-নিয়ম, মুদ্ৰা বিতৰণ, ন্যায় ব্যৱস্থা আৰু ভাষাৰ ক্ষেত্ৰত একেৰূপত স্থাপন কৰাৰ পথ সুচ ল হৈছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়কঃ

প্রশ্ন নং ৭ঃ তৰাইনৰ দ্বিতীয় যুদ্ধ কোন চনত সংঘটিত হৈছিল?

প্রশ্ন নং ৮ঃ ইন্দ্রুমন কোন আছিল?

প্রশ্ন নং ৯ঃ কালিঞ্জাৰ দুর্গ দখল কৰিবলৈ যোৱা আইবাকক বাধা দিয়া চণ্ডেলা ৰজাজনৰ নাম কি আছিল?

প্রশ্ন নং ১০ ঃ মুহম্মদ ঘূৰীক কোন চনত আততায়ীয়ে হত্যা কৰিছিল?



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- আৰবসকলে কেৱল ধন-সম্পদ লুটি নিয়াৰ উদ্দেশ্যৰেহে সিন্ধ আক্রমণ কৰিছিল। তেওঁলোকে ভাৰতীয় ৰাজনৈতিক জীৱনত কোনো স্থায়ী সাঁচ পেলোৱা নাছিল।
- মাহমুদৰ নেতৃত্বত গজন্বীদ বংশৰ দ্রুত গতিত উত্থান ঘটিছিল। মাহমুদে ১৭ বাৰ ভাৰত আক্রমণ কৰিছিল। অৱশ্যে এই আক্রমণবোৰৰো মূল লক্ষ্য আছিল ধর্মপ্রচাৰ আৰু ধন-সম্পদ লুট কৰা।
- শ্বাঞ্চবাণী বংশৰ শাসক মুহম্মদ ঘোৰীয়েহে ভাৰতত মুছলমান সাম্রাজ্য স্থাপনৰ ভেটি সুদৃঢ় কৰিছিল। তেওঁ পৰাক্রমী যোদ্ধা হোৱাৰ লগতে এজন দক্ষ ৰাজনীতিকো আছিল।
- এনেকৈয়ে মুছলমান আক্রমণবোৰে দিল্লীত চুলতানীসকলৰ উত্থানৰ পথ প্রশস্ত কৰিছিল আৰু ভাৰতীয় ইতিহাসত এক নতুন যুগৰ সূত্রপাত হৈছিল।



২.৭ অধিক জানিবলৈ

1. Mahajan, V.D. (Reprint 2007). *History of Medieval India.* New Delhi, India: S. Chand & Company Ltd.
2. Maiti, Provatansu and Kumar Saha, Prabhat. (2000). *Medieval India (1206 AD-1707AD).* Calcutta, India: Sreedhar Publishers.
3. Majumdar, R.C. Raychaudhuri, H.C. & Datta, K. (2007). *An Advanced History of India.* Delhi, India: MacMillan.



২.৮ অগ্রগতিৰ খতিয়ান

উত্তৰ সমূহ ঃ

১ নং প্রশ্নৰ উত্তৰ ঃ আল-হজ্জাজ আছিল ইৰাকৰ প্রশাসক। তেওঁ সিন্ধ্ প্রদেশৰ বিৰুদ্ধে আক্রমণ অভিযান চলোৱাৰ আদেশ দিছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ ৰাণী বাই

৩ নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্মা সিদ্ধান্ত আৰু কাণ্ড খণ্ডক

৪ নং প্রশ্নৰ উত্তৰ ঃ আলাপটাগিন

৫ নং প্রশ্নৰ উত্তৰ ঃ জয় পাল

৬ নং প্রশ্নৰ উত্তৰ ঃ ফিৰদৌচী

৭ নং প্রশ্নৰ উত্তৰ ঃ ১১৯২ খ্রীষ্টাব্দ

৮ নং প্রশ্নৰ উত্তৰ ঃ কুটুবউদ্দিন আইবাকে বিহাৰ আক্রমণ কৰাৰ সময়ত বিহাৰৰ শাসক আছিল ইন্দুমন।

৯ নং প্রশ্নৰ উত্তৰ ঃ পৰমার্দি দেৱা

১০ নং প্রশ্নৰ উত্তৰ ঃ ১২০৬ খ্রীষ্টাব্দ



২.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ গজ্নবীদ ৰাজবংশৰ শেষ শাসনকর্তাজনৰ নাম কি আছিল?

প্রশ্ন নং ২ ঃ ডাহিৰ কোন আছিল?

প্রশ্ন নং ৩ ঃ মাহমুদে কাৰ বিৰুদ্ধে শেষ আক্রমণ চলাইছিল?

প্রশ্ন নং ৪ ঃ 'চৰাৰাঁ-ঈ-মুকাতলা' বুলিলে কি বুজে?

প্রশ্ন নং ৫ ঃ ১১৯১ খ্রীষ্টাব্দত কোনে তৰাইনৰ যুদ্ধত মুহম্মদ ঘোৰীৰ সৈতে যুঁজিছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ আৰবসকলে কি উদ্দেশ্যেৰে সিন্ধ আক্রমণ কৰিছিল?

প্রশ্ন নং ২ ঃ মাহমুদৰ সবাতোকৈ কুখ্যাত অভিযান কোনটো আছিল?

প্রশ্ন নং ৩ ঃ মাহমুদ ৰাজনীতিক হিচাপে কিয় বিৰল আছিল বুলি আপুনি ভাবে?

প্রশ্ন নং ৪ ঃ তৰাইনৰ দ্বিতীয় যুদ্ধক কিয় ভাৰতীয় ইতিহাসৰ অন্যতম ঘটনা বুলি গণ্য কৰা হয়?

প্রশ্ন নং ৫ ঃ তুর্ক-আফগান আক্রমণ আৰম্ভ হোৱাৰ প্রাক্‌কালত ভাৰতৰ পৰিস্থিতি কেনেকুৱা আছিল?

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ ভাৰতত প্রথম অৱস্থাত চলা মুছলমান আক্রমণবোৰৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন নং ২ ঃ ভাৰতত তুর্ক-আফগান আক্রমণৰ প্রভাৱবোৰ বহলাই আলোচনা কৰক।

প্রশ্ন নং ৩ ঃ ভাৰতত এখন মুছমান সাম্রাজ্য প্রতিষ্ঠা কৰাত মুহম্মদ ঘোৰীয়ে লাভ কৰা সফলতা বোৰ বর্ণনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ দিল্লীৰ চুলতানীৰ বংশসমূহ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ দাস বংশ
৩.৪ খিলজীসকল
৩.৫ টোঘলকসকল
৩.৬ চৈয়দ আৰু লোডীসকল
৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৮ অধিক জানিবলৈ
৩.৯ অগ্রগতিৰ খতিয়ান
৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- চুলতানী শাসনৰ আৰম্ভণিৰ বিষয়ে বর্ণনা কৰিবলৈ সক্ষম হ'ব,
- ভাৰত শাসন কৰা দিল্লী চুলতানীৰ পাঁচটা ৰাজবংশৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- চুলতানী শাসকৰ সাফল্যৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব।

৩.২ পৰিচয়

ভাৰতবর্ষৰ ইতিহাসত খ্রীষ্টাব্দ ১২০৬ বছৰটো এক যুগান্তৰকাৰী বছৰ হিচাপে চিহ্নিত হৈছে। সেই বছৰটোতে কুটুবুউদ্দিন-আইবাকে দিল্লীৰ চুলতানী শাসন প্রতিষ্ঠা কৰে। চুলতানসকলে দেশখন তিনি শতিকাজুৰি ৰাজত্ব কৰিছিল। উল্লেখযোগ্য যে এই সময়ছোৱাত চুলতানীৰ পাঁচটা বংশই আনুক্রমিকভাৱে ৰাজকার্য চলাইছিল। এই পাঁচটা বংশ হ'ল— দাস বংশ (১২০৬-১২৯০), খিলজি বংশ (১২৯০-১৩২০), টোঘলক বংশ (১৩২০-১৪১৩), চৈয়দ আৰু লোডী (১৪১৩-১৫২৬) বংশ। এই অধ্যায়টিত আমি এই পাঁচটা বংশৰ ৰাজত্বকালত হোৱা ৰাজনৈতিক ঘটনাৱলীৰ বিষয়ে আলোচনা কৰিম।

৩.৩ দাস বংশ

১২০৬-১২৯০ খ্ৰীষ্টাব্দৰ সময়ছোৱাত দিল্লী শাসন কৰা শাসকসকলক দাস বংশ বুলি জনা গৈছিল। আপুনি জানেনে এই বংশটিক কিয় দাস বংশ বোলা হয়? মূলতঃ এই বংশৰ বহুকেইজন গুৰুত্বপূৰ্ণ শাসক প্ৰকৃততে দাস আছিল আৰু সেই বাবে এই বংশক দাস বংশ বুলি জনা যায়। উল্লেখযোগ্য যে এই বংশৰ শাসকসকল কোনো এক নিৰ্দিষ্ট ৰাজবংশৰ পৰা অহা নহয়। কুটুবউদ্দিন আইবাক দাস বংশৰ প্ৰতিষ্ঠাতা কৰিছিল।

- **কুটুবউদ্দিন-আইবাক (১২০৬-১২১০)ঃ** তুৰ্কীস্তানৰ অধিবাসী কুটুবুউদ্দিন আইবাকে মহম্মদ ঘোৰীৰ ক্ৰীতদাস হিচাপে জীৱন আৰম্ভ কৰিছিল। তেওঁৰ প্ৰভুৰ ভাৰত অভিযানৰ সফলতাত তেওঁৰ অধিনায়কত্বই গুৰুত্বপূৰ্ণ অৱদান যোগাইছিল। তৰাইনৰ দ্বিতীয় যুদ্ধৰ (**১১৯২**) পাছত ভাৰত অভিযানৰ দায়িত্ব কুটুবউদ্দিনৰ হাতত এৰি থৈ মহম্মদ ঘোৰী গজনীলৈ উভতি যায়। **১২০৬** খ্ৰীষ্টাব্দত কোনো পুত্ৰ সন্তান নথকা মহম্মদ ঘোৰীৰ মৃত্যু ঘটে। সেই একেটি বছৰতে ঘূৰৰ চুলতান গিয়াছুদ্দিন মহম্মদৰ পৰা কুটুবউদ্দিনে দিল্লীৰ চুলতান উপাধি লাভ কৰে। এই সময়ৰ পৰাই তেওঁক দিল্লীৰ প্ৰথম চুলতান হিচাপে গণ্য কৰিব পাৰি।

  তেওঁ তেওঁৰ চাৰি বছৰীয়া চমু ৰাজত্বকালত (**১২০৬-১২১০**) বিভিন্ন ৰজাৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰি নিজৰ শক্তি বৃদ্ধি কৰিছিল। তেওঁ তাজউদ্দিন-য়ালদুজ নামৰ এগৰাকী প্ৰতিদ্বন্দীৰ মুখিয়ালৰ কন্যাক বিবাহ কৰাইছিল। সিন্ধৰ শাসক নাছিৰুদ্দিন কুবাচালৈ ভনীয়েকক আৰু বিহাৰৰ শাসক ইল্‌তুৎমিছলৈ তেওঁ নিজৰ জীয়েকক বিয়া দিছিল।

  তেওঁ *লাখ বক্স* (লাখ টকা দিওতা) উপাধি লাভ কৰিছিল। তেওঁ এগৰাকী নৈষ্ঠিক মুছলমান আছিল। তেওঁ দুটা বিখ্যাত মছজিদ নিৰ্মাণ কৰিছিল। ইয়াৰে এটা দিল্লীত অৱস্থিত যাক *কুৱাট-উল-ইছলাম* বুলি জনা যায় আৰু আজমীৰত নিৰ্মাণ কৰা আনটো মছজিদ *আধাই দিন কা জোপোৱা* বুলি জনা যায়। **১১৯৯** খ্ৰীষ্টাব্দত তেওঁ দিল্লীৰ প্ৰখ্যাত কুতুব মিনাৰটো নিৰ্মাণৰ কাম হাতত লৈছিল। কিন্তু **১২১০** খ্ৰীষ্টাব্দত চৌগান (পোলো) খেলি থাকোতে ঘোঁৰাৰ পৰা পৰি লাহো�ৰত তেওঁৰ মৃত্যু ঘটাৰ বাবে এই নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিব নোৱাৰিলে। তেওঁৰ তাৎক্ষণিক উত্তৰাধিকাৰী আৰাম শ্বাহ সম্ভৱতঃ তেওঁৰ পুত্ৰ নাছিল। এই আৰাম শ্বাহক পাছলৈ ইলত্যুৎমিছে হত্যা কৰে।
- **ইলতুৎমিছ (১২১১-১২৩৬)ঃ** ইলতুৎমিছ কুটুবুউদ্দিনৰ জোঁৱায়েক আছিল। তুৰস্কীয় উচ্চ বিষয়াসকলে তেওঁৰ সিংহাসন আৰোহণৰ বিৰোধিতা কৰিছিল। বংগত আলি মৰ্দান খানে নিজকে স্বাধীন বুলি ঘোষণা কৰিছিল। মুলতানৰ অধিপতি কোবাচায়ো নিজকে স্বাধীন বুলি ঘোষণা কৰিছিল আৰু লাহোৰ আৰু পঞ্জাবৰ কিছু আংশ কাঢ়ি লৈছিল। ৰণথাম্বোৰ, গোৱালিয়ৰ আৰু আজমীৰত ৰাজপুত শাসকসকল স্বাধীন হৈ

পৰিছিল। দোৱাবৰ পৰা তুৰ্কীৰ শাসন ওফৰাই পেলোৱা হয়। ইলত্যুৎমিছৰ শাসন কালতে মঙ্গোলসকলে ভাৰতৰ উত্তৰ-পশ্চিম সীমান্তত প্ৰথমবাৰৰ বাবে প্ৰৱেশ কৰে। ছেংগিজ খাঁৰ নেতৃত্বতে মঙ্গোলসকলক ৰাজনৈতিক আৰু সামৰিক দিশত এছিয়াৰ ভিতৰতে মহাপৰাক্ৰমীৰূপে গঢ়ি তুলিছিল। খোৱাৰিজমৰ যুৱৰাজ জালালুদ্দিনৰ সন্ধানতে ছেংগিজ খাঁৰ অধীনত মঙ্গোলসকল ভাৰতলৈ আহে। জালালুদ্দিনে ইলত্যুৎমিছৰ আশ্ৰয় বিচাৰে যদিও ইলত্যুৎমিছে আশ্ৰয় দিবলৈ অস্বীকাৰ কৰে আৰু এনেদৰে মঙ্গোলসকলৰ হাতৰ পৰা তুৰ্কী সাম্ৰাজ্য ৰক্ষা কৰে।

ইলত্যুৎমিছ এগৰাকী সুদক্ষ শাসক আছিল। তেওঁ বংগৰ বিদ্ৰোহ দমন কৰাত সফল হৈছিল। তেওঁ গোৱালিয়ৰ, আজমীৰ, বায়ানা আৰু নাগোৰ পুনৰ জয় কৰিছিল। ৰণথাম্বোৰ আৰু ঝালোৰ বিৰুদ্ধে তেওঁ এক সামৰিক অভিযান পঠাইছিল। **১২২৬** খ্ৰীষ্টাব্দত তেওঁ মাণ্ডোৰ আক্ৰমণ কৰি দখল কৰে। ইলত্যুৎমিছৰ সময়তে মালৱাত তুৰ্কীসকলৰ প্ৰথম প্ৰৱেশ ঘটে। **১২৩৪** খ্ৰীষ্টাব্দত তেওঁ ভিলচা আৰু উজ্জয়িনী নগৰীত লুটপাত চলায়। **১২২৯** খ্ৰীষ্টাব্দত তেওঁ খলিফাৰ পৰা ৰাজকীয় উপাধিৰ নিশ্চয়তা পাইছিল। ই দিল্লীৰ চুলতানৰ স্বতন্ত্ৰ মৰ্যাদাৰ প্ৰতি এক স্বীকৃতি আছিল।

চুলতানী যুগৰ দুবিধ মূল মুদ্ৰা— ৰূপৰ টংকা আৰু কপাৰৰ জিটাল মুদ্ৰাৰ আৰম্ভণি ইলতুৎমিছেই কৰিছিল। তেওঁ মুদ্ৰাৰ প্ৰচলন কৰাইছিল আৰু খুটবাত তেওঁৰ নামত মোহৰ মাৰিছিল। তেওঁ ইকতা ব্যৱস্থাৰো সূচনা কৰাইছিল।




জানি থোৱা ভাল

চুলতানৰ প্ৰতি সামৰিক সেৱা আগবঢ়োৱাত ইক্তাৰ পৰা ইক্তাদাৰসকলে ৰাজহৰ এটি অংশ ৰাখি থৈছিল। বেছিভাগ ইক্তাদাৰক সংশ্লিষ্ট ইক্তাবোৰত আইন-শৃংখলাৰ দায়িত্বত ৰখা হৈছিল। তেওঁলোকে প্ৰয়োজনৰ সময়ত চুলতানলৈ সৈন্য প্ৰেৰণ কৰিব লাগিছিল।

ইলত্যুৎমিছে দিল্লীৰ কুটুব মিনাৰৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিছিল। **১২৩৬** খ্ৰীষ্টাব্দত তেওঁৰ মৃত্যু ঘটে। ঘোৰৰ চুলতান মহম্মদৰ জয়যাত্ৰাক তেওঁ দৃঢ় কৰি তুলিছিল। ইলত্যুৎমিছে তেওঁৰ পূৰ্ববৰ্তী ৰজা দুজনৰ নিচিনাকৈ বহি নাথাকি আসামৰিক প্ৰশাসনৰ বাবে এক নব্য ব্যৱস্থা গঢ়িবলৈও প্ৰচেষ্টা হাতত লৈছিল।

- **ৰেজিয়া (১২৩৬-১২৪০) ঃ** মৃত্যুৰ আগে আগে ইলত্যুৎমিছে ৰেজিয়াক তেওঁৰ উত্তৰাধিকাৰী হিচাপে মনোনীত কৰি থৈ যায়। সিংহাসন আৰোহণ কৰিয়েই ৰেজিয়াই হাৰেমৰ আবুৰ ব্যৱস্থা প্ৰত্যাহাৰ কৰে। মুকলি ৰাজসভাত বহি তেওঁ ৰাজকাৰ্য পৰিচালনা কৰিছিল আৰু বিদ্ৰোহী মুখিয়ালবোৰৰ বিৰুদ্ধে সৈন্যৰ নেতৃত্ব লৈছিল। জালালুদ্দিন ইয়াকুত নামৰ এগৰাকী আবিছিনিয়ান বিষয়াৰ প্ৰতি তেওঁৰ অত্যধিক অনুগ্ৰহক তেওঁৰ

চাহালগেনি সকলে ভাল পোৱা নাছিল। ৰেজিয়াৰ প্ৰধান উদ্দেশ্য আছিল তুৰস্কীয় বিষয়াসকলক তেওঁৰ অধীনস্থ কৰা। এই বিষয়াসকলৰ এক শক্তিশালী অংশই প্ৰদেশবোৰত ৰেজিয়াৰ বিৰুদ্ধে সংঘবদ্ধ হৈছিল। এদিন ৰেজিয়া অৰণ্যৰ ভিতৰত এদল দস্যুৰ হাতত পৰে, তেওঁ সাহসিকতাৰে যুদ্ধ কৰে যদিও দস্যুসকলৰ হাতত পৰাস্ত হৈ মৃত্যুমুখত পৰে। তেওঁ চাৰে তিনি বছৰ কাল দিল্লীৰ শাসক হিচাপে অধিষ্ঠিত আছিল।



জানি থোৱা ভাল

চাহালগেনি ঃ ইলতুৎমিছে চামচি অভিজাত শ্ৰেণীৰ দাসেৰে বিভাগীয় আমোলা গঠন কৰিছিল যাক চল্লিশজনীয়া সদস্যৰ চাহালগানী (Chahalgani) বুলি কোৱা হৈছিল বা চালিশা বুলি জনা গৈছিল। তেওঁলোকে ইলতুৎমিছৰ দিনত ৰাজনৈতিক প্ৰশাসনত গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল।

ৰেজিয়াৰ মৃত্যুৰ পাছত বেহৰাম আৰু আলাউদ্দিন মাছুদ নামৰ দুগৰাকী দুৰ্বল শাসক শাসনত অধিষ্ঠিত হয়। **১২৪৬** খ্ৰীষ্টাব্দত ইলত্যুৎমিছৰ এগৰাকী পুত্ৰ নাছিৰুদ্দিনে সিংহাসন আৰোহণ কৰে।

- **বলবান (১২৬৬-১২৮৬) ঃ** নাছিৰুদ্দিনৰ মৃত্যুৰ পাছত বলবান দিল্লীৰ ৰাজপাটত অধিষ্ঠিত হয়। তেওঁৰ ৰাজপাটত আৰোহণ কৰাৰ লগে লগে এক কেন্দ্ৰীভূত শাসন প্ৰণালীৰো আৰম্ভণি ঘটে। তেওঁ চাহালগেনিৰ ক্ষমতা কৰ্তন কৰি চুলতানৰ কৰ্তৃত্ব শক্তিশালী কৰিব বিচাৰিছিল। তেওঁ চুলতানৰ ক্ষমতা আৰু সন্মান বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। তেওঁ নিজকে ইৰানৰ ৰজা আফ্ৰাছিয়াবৰ বংশধৰ বুলি ঘোষণা কৰিছিল। তেওঁৰ ৰাজসভা পাৰ্চীসকলৰ আৰ্হিত সজাই তুলিছিল আৰু পাইবোচ (সাষ্টাংগে প্ৰণাম) আৰু ছিজদা (ৰজাৰ পদযুগলত চুমা খোৱা) নিচিনা পাৰস্যৰ আচৰণ বিধি আৰম্ভ কৰিছিল। তেওঁ তেওঁৰ ৰাজসভাত পাৰস্য দেশীয় নৌৰজ অনুষ্ঠানৰো সূত্ৰপাত কৰিছিল।

  সৈন্যসকলৰ বাবে সুকীয়া বিভাগ *দিৱান-ই-অৰ্জ* খোলাৰ কৃতিত্বৰ গৰাকী বলবান। বলবানে প্ৰতিটো বিভাগতে *বাৰিদ বা গুপ্তচৰ* নিয়োগ কৰিছিল। ন্যায়বিচাৰৰ ক্ষেত্ৰত বলবান আছিল সম্পূৰ্ণৰূপে নিৰপেক্ষ।

  মঙ্গোলৰ পৰা হ'ব পৰা বিপদৰ কথা ভাবি বলবানে নতুনকৈ ৰাজ্যজয়ৰ কথা চিন্তা কৰা নাছিল। তেওঁ ইতিমধ্যে দখল কৰি থকা সাম্ৰাজ্যৰ ভেটি নিকপকপীয়া কৰাতহে মনোনিবেশ কৰিছিল। দোৱাব আৰু অৱধত হোৱা বিদ্ৰোহো তেওঁ সহজতে দমন কৰিছিল। **১২৭৯** খ্ৰীষ্টাব্দত বংগত বলবানৰ নিজৰ ক্ৰীতদাস তুঘ্ৰিল খাঁই বিদ্ৰোহ কৰে। অৱশ্যে সৰ্বশেষত বলবানৰ সেনাই তুঘ্ৰিলক কৰায়ত্ব কৰিবলৈ সক্ষম হয়।

বলবানৰ ৰাজত্বকালৰ সময়ত দস্যু আৰু ডকাইতৰ উপদ্রবৰ বাবে দিল্লীৰ বহু অঞ্চল অসুৰক্ষিত হৈ পৰিছিল। মেৱাতিসকলে দিল্লীৰ উপকণ্ঠ অঞ্চলত লুটপাত কৰিছিল। বলবানে অতি কঠোৰ প্রথা অৱলম্বন কৰি মেৱাতিসকলক নির্দয়ভাৱে বশীভূত কৰিছিল।



জানি থোৱা ভাল

ৰাজপুতৰ এটা দুর্গৰ মর্যাদাৰ পৰা দিল্লী এখন সাম্রাজ্যৰ ৰাজধানী হিচাপে জনাজাত হৈছিল কুটুবুউদ্দিন আইবাক আৰু ইলতুৎমিছৰ দিনত।

১২৮৫ খ্রীষ্টাব্দত বলবানে মঙ্গোলসকলৰ এক আক্রমণৰ মুখামুখি হ'ব লগাত পৰে। বলবানে জ্যেষ্ঠ পুত্র যুৱৰাজ মহম্মদক এই আক্রমণ প্রতিহত কৰিবলৈ প্রেৰণ কৰে, কিন্তু যুদ্ধক্ষেত্রতে তেওঁৰ মৃত্যু হয়। বলবানে এই শোকৰ বোজা আঁতৰাব নোৱাৰিলে আৰু **১২৮৬** খ্রীষ্টাব্দত মৃত্যুক আঁকোৱালি লয়। বলবানৰ মৃত্যুৰপাছত দাস বংশৰ পতন হয়।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবিলাকৰ উত্তৰ লিখক ঃ-

প্রশ্ন নং ১ ঃ ঘোৰ দেশৰ চুলতান গিয়াচুদ্দিন মহম্মদৰ পৰা কুটুবুউদ্দিনে 'দিল্লীৰ চুলতানৰ' উপাধিটো কোন চনত লাভ কৰিছিল?

প্রশ্ন নং ২ ঃ ৰূপৰ টংকা (Silver Tanka) আৰু তামৰ জিত্তল (Copper Jittal) ৰ প্রচলন কোনে কৰিছিল?

প্রশ্ন নং ৩ ঃ বাৰিদসকল (Barids) কোন আছিল?

প্রশ্ন নং ৪ ঃ কোন চনত ইলতুৎমিছে খলিফাৰ পৰা ৰাজকীয় উপাধিৰ নিশ্চিতি লাভ কৰিছিল?

৩.৪ খিলজীসকল

১২৮৬ খ্রীষ্টাব্দত বলবানৰ মৃত্যু হোৱাৰ পাছৰ কিছুকাল দিল্লীত এক অস্থিৰতাৰ সৃষ্টি হয়। জালালুদ্দিন খিলজীৰ নেতৃত্বত এদল খিলজী বিষয়াই বলবানৰ নিষ্কর্মা উত্তৰাধিকাৰীসকলক পৰাভূত কৰে। খিলজীসকল সম্ভৱতঃ তুর্কী বংশোদ্ভৱ আছিল। কিন্তু সমসাময়িক লেখক বাৰানিয়ে খিলজীসকলক তুর্কীবোৰতকৈ বেলেগ আছিল বুলি মত পোষণ কৰিছিল।

- **জালালুদ্দিন খিলজী ঃ ১২৯০** খ্রীষ্টাব্দত সত্তৰ বছৰ বয়সত জালালুদ্দিন ৰাজপাটত বহে। তেওঁ মাত্র ছয় বছৰৰৰ বাবেহে শাসন চলাইছিল। ১২৯০ খ্রীষ্টাব্দত জালালুদ্দিনে ৰণথাম্বোৰৰ বিৰুদ্ধে এটি অভিযান চলাইছিল যদিও ইয়াৰ ফল অমীমাংসিত হৈ ৰ'ল।

১২৯২ খ্ৰীষ্টাব্দত তেওঁ সফলতাৰে নিজৰ ৰাজ্যখনক শক্তিশালী মঙ্গোল আক্ৰমণৰ পৰা ৰক্ষা কৰিছিল।



জানি থোৱা ভাল

জালালুদ্দিনৰ সময়ত প্ৰায় ৩০০০ মঙ্গোলে আত্মসমৰ্পণ কৰি ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। এওঁলোকক নতুন মুছলমান বুলি কোৱা হৈছিল।

জালালুদ্দিনৰ ৰাজত্বকালৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ঘটনা আছিল তেওঁৰ ভতিজা তথা জোঁৱাই আলাউদ্দিনৰ অধীনত দাক্ষিণাত্যৰ পিনে হোৱা দুঃসাহসিক আক্ৰমণ। আলাউদ্দিনে দক্ষিণলৈ বুলি অগ্ৰসৰ হৈছিল আৰু ৰেৱাৰ তথা সণ্ডেশৰ মাজেৰে অভিযান আগবঢ়াই নিছিল। তেওঁ দেৱগিৰি ৰজা ৰামচন্দ্ৰক পৰাস্ত কৰি আত্মসমৰ্পণ কৰিবলৈ বাধ্য কৰিছিল। পাছলৈ ১২৯৬ খ্ৰীষ্টাব্দত জালালুদ্দিনক আলাউদ্দিনে পৰিকল্পিতভাৱে হত্যা কৰে।

- **আলাউদ্দিন খিলজী ঃ** আমি ইতিমধ্যে উল্লেখ কৰিছো যে নিজৰ খুৰাক জালালুদ্দিনক ষড়যন্ত্ৰমূলভাৱে হত্যা কৰি আলাউদ্দিন ১২৯৬ খ্ৰীষ্টাব্দত ক্ষমতাত অধিষ্ঠিত হৈছিল। অৱধৰ শাসক হিচাপে আলাউদ্দিনে দক্ষিণ ভাৰতৰ দেৱগিৰি আক্ৰমণ কৰি ভালেমান ধন -সম্পত্তি গোটাইছিল। জালালুদ্দিনক হত্যা কৰাৰ পাছত মুক্তহস্তে সোণ দান কৰি তেওঁ বিষয়াবৰ্গ আৰু সেনাবোৰক নিজৰ ফলীয়া কৰিছিল। তেওঁৰ শাসন কালত বৃহৎ ভূখণ্ড অধিকাৰ কৰি মুছলমান শাসনৰ সম্প্ৰসাৰণ ঘটোৱা প্ৰত্যক্ষ কৰা গৈছিল।

১২৯৭ খ্ৰীষ্টাব্দত আলাউদ্দিনে তেওঁৰ প্ৰথম অভিযান গুজৰাটৰ বিৰুদ্ধে কৰে, য'ত তেওঁ অজস্ৰ সম্পত্তি লুণ্ঠন কৰিবলৈ সমৰ্থ হয়। আলাউদ্দিনে নিজাকৈ মেৱাৰ আক্ৰমণ কৰে আৰু চিত্তোৰ ঘেৰাও কৰি ১৩০৩ খ্ৰীষ্টাব্দত ইয়াৰ দুৰ্গটো দখল কৰে। ৰাজস্থানৰ দুটা শক্তিশালী দুৰ্গ ৰণথাম্বোৰ আৰু চিত্তোৰ দখল কৰাৰ পাছত তেওঁৰ দৃষ্টি মালৱাত পৰে। এনেদৰে মধ্যভাৰত চুলতানী সাম্ৰাজ্যৰে অংশ হৈ পৰে। দেৱগিৰিৰ ৰজা ৰামচন্দ্ৰই কৰ দিবলৈ বন্ধ কৰাৰ বাবে আলাউদ্দিনে তেওঁৰ বিৰুদ্ধে এক অভিযান চলাইছিল। এই অভিযানত সেনাবাহিনীৰ অধিনায়কত্ব তেওঁৰ ক্ৰীতদাস মালিক কাফুৰৰ হাতত অৰ্পণ কৰা হৈছিল। ৰামচন্দ্ৰই পৰাজয় বৰণ কৰিছিল যদিও নিজৰ ৰাজ্য ধৰি ৰাখিব পাৰিছিল। ১৩০৯ ৰ পৰা ১৩১১ খ্ৰীষ্টাব্দৰ ভিতৰত মালিক কাফুৰে দক্ষিণ ভাৰতত দুটা অভিযান চলায়। ইয়াৰে এটা ৰাৰেংগলৰ বিৰুদ্ধে আৰু আনটো দ্বাৰ সমুদ্ৰৰ বিৰুদ্ধে। কাফুৰে ৰাৰেংগল আৰু দ্বাৰ সমুদ্ৰৰ শাসকসকলক শান্তিৰ কথা বিচাৰ কৰিবলৈ বাধ্য কৰাত সমৰ্থ হৈছিল। ১২৯৭ ৰ পৰা ১৩০৬ খৃষ্টাব্দলৈ চলা মংগোল আক্ৰমণক আলাউদ্দিনে সমান নিষ্ঠুৰতাৰে প্ৰত্যুত্তৰ দিছিল। ১৩০৬ খৃষ্টাব্দৰ পৰা মংগোল সকলৰ আক্ৰমণৰ মাত্ৰা লক্ষ্যণীয়ভাৱে কমি গৈছিল।

আলাউদ্দিন এগৰাকী উচ্চাভিলাষী শাসক আছিল। তেওঁ এক কঠোৰ প্ৰশাসনিক ব্যৱস্থা প্ৰতিষ্ঠা কৰিছিল। কিছুমান কঠিন পদক্ষেপেৰে চুলতানৰ স্থিতি শক্তিশালী কৰিব বিচাৰিছিল। তেওঁ নিৰ্ধাৰণ কৰা চাৰিটা পদক্ষেপ হ'ল—

ক) তেওঁ বিষয়াসকলৰ পাৰস্পৰিক আতিথ্যগ্ৰহণ বন্ধ কৰিছিল। তেওঁলোকৰ ব্যক্তিগত মজলিচ নিষিদ্ধ কৰিছিল তথা চুলতানৰ অনুমতি অবিহনে বিষয়াসকলৰ মাজত বৈবাহিক সম্পৰ্ক স্থাপন হ'ব নোৱাৰিছিল,

খ) সু�ৰাপানৰ অনুষ্ঠান নিবাৰণ কৰিছিল,

গ) এক সুদক্ষ গুপ্তচৰ ব্যৱস্থাৰ জৰিয়তে সকলো ক্ষেত্ৰতে সূক্ষ্ম দৃষ্টি ৰখাৰ ব্যৱস্থা হাতত লৈছিল,

ঘ) মুখিয়ালক আৰু ধৰ্মীয় দানৰ নামত দিয়া মাটিবোৰ জব্দ কৰা হৈছিল।

আলাউদ্দিনে লোৱা ব্যৱস্থাসমূহৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য ব্যৱস্থা আছিল বজাৰৰ ওপৰত নিয়ন্ত্ৰণ স্থাপনৰ প্ৰয়াস। আলাউদ্দিনে খাদ্য শস্যৰ পৰা ঘোঁৰালৈ, গৰু-ম'হৰ পৰা দাসলৈ তথা আমদানি কাপোৰ আদি সকলো সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰণ কৰিব বিচাৰিছিল। খেতিয়কসকলে ভূমি ৰাজহ হিচাপে প্ৰকৃততে কিমান কৰ দিয়ে তাক জানিবলৈ খেতিয়কৰ সৈতে প্ৰত্যক্ষভাৱে সম্পৰ্ক স্থাপন কৰে। এই ক্ষেত্ৰত তেওঁ দিল্লীৰ চুলতানসকলৰ ভিতৰত প্ৰথম আছিল।

তেওঁ সাহিত্যৰো পৃষ্ঠপোষক আছিল। আমিৰ খুশ্ৰু আৰু মিৰ হাছান দালাৰিটো — এই দুয়োজনা কবিয়েই তেওঁৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। চিৰি নামৰ নতুন নগৰখনৰো তেওঁ নিৰ্মাতা আছিল। তেওঁ আলাই দৰৱাজা, হাজাৰ ছাতুন (হাজাৰটা স্তম্ভৰ প্ৰাসাদ) আদিও নিৰ্মাণ কৰিছিল।

জানি থোৱা ভাল



আলাউদ্দিন খিলজী তেওঁৰ ৰাজ্যৰ জ্ঞানী পণ্ডিতৰ কিছুমান নীতি আৰু আইন সংস্কাৰ কৰিবলৈ কৈছিল যাতে বিদ্ৰোহৰ সহায়ক ধন - সম্পত্তিৰ পৰা হিন্দুসকলক বিতাড়িত কৰি কঠোৰ হাতেৰে দমন কৰিব পৰা যায়। হিন্দুসকলৰ অৱস্থা ইমানেই শোচনীয় কৰিব লাগে যে তেওঁলোকে ঘোঁৰা প্ৰতিপালন বা অস্ত্ৰ বহন কৰা ধুনীয়া পোছাক পিন্ধা বা বিলাসী জীৱন যাপনৰ যিকোনো সুবিধাৰ পৰা বঞ্চিত হয়।

তাৰিখ-ই-ফিৰোজ শ্বাহী

ভাষান্তৰ আৰু অনুবাদ ঃ ইলিয়ট আৰু ডোচনৰ দ্বাৰা



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবিলাকৰ উত্তৰ দিয়ক:

প্রশ্ন নং ৫ ঃ জালালুদ্দিন কোন চনত সিংহাসনত অধিষ্ঠিত কৰিছিল?

প্রশ্ন নং ৬ ঃ আলাউদ্দিনৰ আদেশমতে কাফুৰে দেৱগিৰি অভিযান কৰোতে সেই স্থানৰ শাসক কোন আছিল?

প্রশ্ন নং ৭ ঃ আলাউদ্দিন খিলজীৰ ৰাজসভা শুৱনি কৰা কবিজনৰ নাম কি?

৩.৫ টোঘলকসকল

শেষৰ গৰাকী খিলজী শাসক কুটুবুদ্দিন মুবাৰক শ্বাহ খিলজিক, ঘাজি মালিকক হত্যা কৰি গিয়াছুদ্দিন টোঘলক নামেৰে **১৩২০** খ্রীষ্টাব্দত ৰাজপাটত আৰোহণ কৰে। কিছুসংখ্যক ইতিহাসবিদৰ মতে টোঘলকসকল কাৰাউনা তুর্ক নামৰ এটি জাতিৰ বংশধৰ আৰু তেওঁলোক সংমিশ্রিত জাতিৰ লোক।

- **গিয়াছুদ্দিন টোঘলক ঃ** গিয়াছুদ্দিন টোঘলকে টোঘলক বংশৰ প্রতিষ্ঠা কৰিছিল। গিয়াছুদ্দিন এগৰাকী সতর্ক প্রশাসক আছিল। তেওঁৰ শাসনকালত কৃষিৰ প্রতি গুৰুত্ব দিয়া হৈছিল। জলসিঞ্চনৰ বাবে নলা খন্দা হৈছিল। তেওঁৰ মূল দুই উদ্দেশ্য আছিল— খেতিৰ বাবে মাটি বৃদ্ধি কৰা আৰু খেতিয়কৰ আর্থিক অৱস্থাৰ উন্নতি সাধন কৰা।

  তেওঁ ৰাজ্য সম্প্রসাৰণৰ নীতিও গ্রহণ কৰিছিল। **১৩২১** খ্রীষ্টাব্দত ৰাৰাংগলৰ প্রতাপৰুদ্রক দমন কৰিবলৈ তেওঁ পুত্র জৌনা খানক প্রেৰণ কৰিছিল। অৱশেষত প্রতাপৰুদ্রই আত্মসমর্পণ কৰি বছৰেকীয়া কৰ দিবলৈ মান্তি হয়। তেওঁৰ সময়তে তেলেংগনাও দিল্লী চুলতান সাম্রাজ্যৰ অধীনলৈ আহে। জৌনা খানে তাৰ পাছত উৰিষ্যা (জজনাগৰ) আক্রমণ কৰে। **১৩২৩** খ্রীষ্টাব্দত গিয়াছুদ্দিনে বংগ আক্রমণ কৰি বংগৰ শাসকক পৰাস্ত কৰে। বংগৰ পৰা উভতি আহোতে গিয়াছুদ্দিনে তিৰহুতৰ ৰজাক পৰাস্ত কৰে। এনেদৰে পূব আৰু দক্ষিণ বংগ চুলতানী সাম্রাজ্যৰ অন্তর্ভুক্ত হয়। তেওঁ আমিৰ খুশ্রুৰ দৰে সাহিত্যানুৰাগী ব্যক্তিৰ পৃষ্ঠপোষক আছিল। তেঁও দিল্লীৰ ৰাষত টোঘলকাবাদত এটা দুর্গ নির্মাণ কৰিছিল।

- **মহম্মদ-বিন-টোঘলক ঃ ১৩২৫** খ্রীষ্টাব্দত জৌনা খানে পিতৃৰ মৃত্যুৰ পাছত মহম্মদ-বিন-টোঘলক নামেৰে সিংহাসনত অধিষ্ঠিত হয়। তেওঁ এগৰাকী নির্ভীক সম্পৰীক্ষক আছিল যদিও মেজাজী আৰু অসহিষ্ণু প্রকৃতিৰ আছিল। আলাউদ্দিন দক্ষিণ ভাৰতৰ ৰজাবোৰক তলতীয়া কৰিয়েই সন্তুষ্ট হৈছিল। মোহম্মদ টোঘলকে দক্ষিণ ভাৰতীয় ৰাজ্যবোৰ নিজ সাম্রাজ্যৰ অধীন কৰিব বিচাৰিছিল। তেওঁ নিজৰ সাম্রাজ্য বিস্তাৰৰ পৰম্পৰা অটুট ৰাখিছিল। এই ক্ষেত্রত তেওঁ আলাউদ্দিনতকৈ অধিক সফলতা লাভ

কৰিছিল। কিন্তু তেওঁৰ অনিয়ন্ত্রিত উচ্চাকাংক্ষাই এসময়ত দিল্লী চুলতানীৰ পতনৰ কাৰণ হৈছিল।

খুৰাছান অভিযানেৰে তেওঁ তেওঁৰ ৰাজকীয় জীৱনৰ সূচনা কৰিছিল।

তেওঁ প্রথম প্রশাসনিক পদক্ষেপ হিচাপে দোৱাবৰ ভূমি কৰ বৃদ্ধি কৰে। তেওঁৰ এই কামে চাৰিওপিনে অসন্তোষ বিয়পাইছিল, কিয়নো এনে এক সময়ত এই কৰ বৃদ্ধি কৰা হৈছিল যি সময়ত অঞ্চলটো বৰষুণৰ অভাৱত গভীৰ দুর্ভিক্ষত নিমজ্জিত হৈছিল। কৰ সংগ্রহকাৰী সকলে বলপূর্বকভাৱে কৰ সংগ্রহ কৰিছিল। ইয়ে ব্যাপক বিদ্রোহৰ সূত্রপাত ঘটাইছিল।

দক্ষিণ ভাৰতক আপাতভাৱে ভালদৰে নিয়ন্ত্রণ কৰিবলৈ দিল্লীৰ পৰা দেৱগিৰিলৈ (দৌলাতাবাদ) ৰাজধানী স্থানান্তৰ কৰা কার্যই তেওঁৰ আটাইতকৈ বিতর্কমূলক প্রচেষ্টা আছিল। অৱশ্যে এই প্রচেষ্টা বিফল হয়। স্থানান্তৰৰ বাবে কৰা যাত্রা যথেষ্ট দীঘলীয়া আছিল যাৰ বাবে ই অসন্তোষৰ সৃষ্টি কৰিছিল। দৌলতাবাদৰ পৰা উত্তৰ ভাৰত নিয়ন্ত্রণ কৰাটো কঠিন হৈ পৰাৰ বাবে কিছু বছৰৰ পাছতে তেওঁ এই চহৰ পৰিত্যাগ কৰে।

১৩২৯ খ্রীষ্টাব্দত তামৰ প্রতীক মুদ্রাৰ প্রচলন কৰাটো তেওঁৰ এক অভিনৱ পৰীক্ষামূলক কাম আছিল। মুদ্রাবোৰৰ ৰূপৰ টংকাৰ সমানেই মূল্য আছিল। কিন্তু ব্যৱসায়ী তথা সাধাৰণ লোকসকলে এই মুদ্রা গ্রহণ কৰিবলৈ ইতস্ততঃ কৰিছিল। চৰকাৰেও মানুহক নতুন মুদ্রা জালিয়াতি কৰাত বিৰত কৰাব পৰা নাছিল। অৱশেষত মহম্মদ টোঘলকে এই মুদ্রা উঠাই দিছিল।

মহম্মদ টোঘলকে ৰাজহ প্রশাসনৰ উন্নতিৰ হকে কেইবাটাও ব্যৱস্থা হাতত লৈছিল। সকলো প্রাদেশিক শাসকক আয় আৰু ব্যয়ৰ হিচাপ কেন্দ্রৰ হাতত জমা দিবলৈ কোৱা হৈছিল। *দিৱান-ই-কোহি*নামৰ কৃষিৰ এক সুকীয়া বিভাগো তেওঁ স্থাপন কৰিছিল। দোৱাবত খেতিৰ উন্নতিৰ হকে তেওঁ এখন বিশেষ আঁচনি আগবঢ়াইছিল।



জানি থোৱা ভাল

তাৰিখ-ই-ফিৰোজ শ্বাহীৰ লিখক বাৰাউনিয়ে লিখিছে, "চুলতান মাহমুদৰ দ্বিতীয় পৰিকল্পনাটো যি সাম্রাজ্যৰ ৰাজধানীৰ কাৰনে দুর্ভাগ্যজনক আছিল ..... দেওগিৰ (দেৱগিৰি)ক দৌলতাবাদ নাম দি ৰাজধানী স্থাপন কৰাটো। এই ঠাইখনে কেন্দ্রীয় স্থান দখল কৰিছিল।"

- **ফিৰোজ-শ্বাহ টোঘলক ঃ** মহম্মদ-বিন টোঘলকৰ মৃত্যুৰ পাছত **১৩৫১** খ্রীষ্টাব্দত ভতিজাক ফিৰোজ-শ্বাহ টোঘলক দিল্লীৰ ৰাজপাটত বহে। তেওঁ **৩১** বছৰৰ বাবে শাসন চলাইছিল। তেওঁ অৰাজক অৱস্থাত প্রশাসনৰ দায়িত্ব লৈছিল। ফিৰোজে প্রথমতে আভ্যন্তৰীণ বা ঘৰুৱা বিষয়বোৰত মনোনিবেশ কৰিছিল, বিশেষকৈ বিষয়াবর্গক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল, উলেমাৰ বিশ্বাসভাজন হ'বলৈ চেষ্টা কৰিছিল। তেওঁ কেইবাটাও

জনহিতকাৰী ব্যৱস্থা গ্ৰহণ কৰিছিল। তাৰে ভিতৰত অমানুষিক শাস্তি বিধান নিষিদ্ধ কৰা, দৰিদ্ৰ লোকসকলৰ বিনামূলীয়া চিকিৎসাৰ বাবে চিকিৎসালয় স্থাপন কৰা আদি উল্লেখযোগ্য। চাৰিটা প্ৰধান নলা খন্দাৰ বাবে খেতি-বাতিও যথেষ্ট ভাল হৈছিল। নতুনকৈ সৃষ্টি কৰা *দিৱান-ই-বান্দাগানি* (ক্ৰীতদাসৰ বিভাগ)ৰ জৰিয়তে ফিৰোজ- শ্বাহে দ্ৰুত হাৰত কাৰখানাবোৰত উন্নতি সাধিছিল। নিবনুৱাৰ বাবে চাকৰি সৃষ্টি কৰা হৈছিল। উল্লেখ কৰা কল্যানমূলক আৰু লোক নিৰ্মাণ কাৰ্য এই নতুনকৈ সৃষ্টি কৰা *দিৱান-ই-খেৱা*ৎ (দান-বিভাগ) নামৰ আন এটি বিভাগৰ জৰিয়তে সম্পন্ন কৰা হৈছিল। সকলোবোৰ পদবী উত্তৰাধিকাৰী সূত্ৰে পোৱাৰ ব্যৱস্থা কৰা হৈছিল তথা বিষয়াসকলক পৰিতৃপ্ত কৰাবলৈ ইক্তা প্ৰশাসন সম্পূৰ্ণৰূপে বিকেন্দ্ৰীকৃত কৰা হৈছিল।

ফিৰোজৰ বেছিভাগ সামৰিক অভিযান দুখজনকভাৱে বেয়াকৈ পৰিচালিত হৈছিল। তেওঁ বংগ, কাংগ্ৰা আৰু সিন্ধুলৈ কেইবাবাৰো অভিযান চলাইছিল যদিও এইবোৰ অভিযান আছিল কেন্দ্ৰীয় কৰ্তৃত্ব প্ৰতিপন্ন কৰাবলৈহে। বংগ পুনৰ দখল কৰাত তেওঁ শোচনীয় ভাৱে ব্যৰ্থ হৈছিল। অৱশ্যে **১৩৬০** খ্ৰীষ্টাব্দত তেওঁ সঁচাকৈয়ে বংগৰ স্বাধীনতাক স্বীকৃতি দিছিল। দিল্লীলৈ ঘূৰি অহাৰ পথত জাজনগৰ (উৰিষ্যা) আক্ৰমণ কৰি লুটপাত কৰে আৰু ইয়াৰ শাসকক বছৰেকীয়া কৰৰূপে কেইবাটাও হাতী পঠাই দিবলৈ প্ৰতিজ্ঞাবদ্ধ কৰায়। তেওঁ পৰৱৰ্তী সামৰিক অভিযানত নগৰকোটৰ দুৰ্গ দখল কৰে। দাক্ষিণাত্য পুনৰুদ্ধাৰ কৰিবলৈ ফিৰোজে কোনো চেষ্টা চলোৱা নাছিল। তেওঁ চুলতানছাহীৰ স্থান সুদৃঢ় কৰিছিল আৰু মধ্য আৰু দক্ষিণ ভাৰত পুনঃ জয় কৰাৰ বাবে কোনো চেষ্টা চলোৱা নাছিল। ১৩৬২ খ্ৰীঃত তেওঁ সিন্ধু আৰু গুজৰাটৰ বিপক্ষে অভিযান চলাইছিল যদিও ই এটা দুৰ্যোগ।

ফিৰোজ-শ্বাহ টোঘলক এগৰাকী প্ৰখ্যাত মছজিদ, দূৰ্গ আৰু নলাৰ নিৰ্মাতা আছিল। ফিৰোজ শ্বাহ কোটলা নামৰ কেইবা মহলীয়া দুৰ্গ এতিয়াও দিল্লীত আছে। তাত তেওঁ অশোকৰ দুটা স্তম্ভ স্থাপিত কৰিছিল। তেওঁ জৌনপুৰ, ফিৰোজবাদ, ফটেহপুৰ, হিজাৰ-ফিৰোজা আদি চহৰৰ প্ৰতিষ্ঠাতা আছিল।১৩৮৮ চনত তেওঁৰ মৃত্যুৰ লগে লগে দিল্লীৰ পতন আৰম্ভ হয় আৰু ১৩৯৮ ত টাইমূৰে দিল্লী অধিগ্ৰহণ কৰি লুট কৰাত ই থানবান হৈ পৰে।

৩.৬ চৈয়দ আৰু লোডীসকল

চৈয়দ বংশ (১৪১৪-১৪৫০) ঃ টাইমূৰীদৰ ভাৰত আক্ৰমণৰ পাছত দিল্লীত চৈয়দ বংশৰ উত্থান ঘটে। এই বংশত মাথোঁ চাৰিগৰাকী ৰজা আছিল। এই বংশৰ শাসন মাথোঁ দিল্লী আৰু দাঁতি কাষৰীয়া কেইখনমান জিলাত সীমাবদ্ধ আছিল।

লোডী বংশ ঃ পোন্ধৰ শতিকাৰ মধ্যভাগৰ পৰা লোডীসকলে উজনিৰ গংগা উপত্যকা আৰু পাঞ্জাৱত আধিপত্য স্থাপন কৰি আহিছিল। দিল্লীত ইয়াৰ আগৰ শাসকসকল তুৰ্কী আছিল,

কিন্তু লোডীসকল আছিল আফগান। চৈয়দ বংশৰ সমাপ্তিৰ পাছত বাহলুল লোডীয়ে **১৪৫১** খ্ৰীষ্টাব্দত দিল্লীত লোডী বংশৰ প্ৰতিষ্ঠা কৰে।

- **ছিকন্দৰ লোডী ঃ** লোডী বংশৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শাসকগৰাকীয়েই আছিল ছিকন্দৰ লোডী । তেওঁ মেৱাৰৰ ৰাণা সংগৰ সমসাময়িক আছিল। ছিকন্দৰেও জৌনপুৰৰ হুছেইন শ্বাহ চাৰকিক সম্পূৰ্ণভাৱে পৰাভূত কৰিছিল। তেওঁ লগতে বিহাৰো দখল কৰিছিল। **১৫০৬** খ্ৰীষ্টাব্দৰ পৰা **১৫১৭** খ্ৰীষ্টাব্দলৈ চুলতানে গোৱালিয়ৰ দখল কৰিবলৈ সমগ্ৰ শক্তি প্ৰয়োগ কৰিছিল যদিও কেৱল চান্দেৰিহে অধিকাৰ কৰিবলৈ সমৰ্থ হয়।

  ছিকন্দৰ এগৰাকী সুদক্ষ প্ৰশাসক আছিল। তেওঁ ন্যায়ৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। তেওঁ কৃষিৰ উন্নতিৰ প্ৰতিও আগ্ৰহ দেখুৱাইছিল। তেওঁ বজাৰত সামগ্ৰীৰ দামৰ তালিকা নিয়মিতভাৱে নিৰীক্ষণ কৰিছিল। তেওঁ *গজ-ই-ছিকন্দৰ* নামে গজ্ (জোখাৰ এক নতুন জোখ-মাখ) ব্যৱস্থা উলিয়াইছিল। তেওঁ হিন্দুসকলৰ ওপৰত পুনৰ জিজিয়া কৰ আৰোপ কৰিছিল। ধোলপুৰ আৰু গোৱালিয়ৰ জয় কৰি তেওঁ তেওঁৰ সাম্ৰাজ্যৰ বিস্তাৰ কৰিছিল।



জানি থোৱা ভাল

জিজিয়া ঃ জিজিয়া হিন্দুসকলৰ ব্যক্তিগত সম্পত্তিৰ ওপৰত আৰোপ কৰা বছৰেকীয়া কৰ আছিল।

- **ইব্ৰাহীম লোডী ঃ ১৫১৭** খ্ৰীষ্টাব্দত ছিকন্দৰ লোডীৰ পাছত তেওঁৰ পুত্ৰ ইব্ৰাহীম লোডী ৰাজপাটত বহে। তেওঁ প্ৰশাসনৰ ক্ষেত্ৰত ৰজাৰ শ্ৰেষ্ঠত্ব প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। ইয়েই ৰজা আৰু বিষয়াবৰ্গৰ মাজত তিক্ততাপূৰ্ণ সংঘাতৰ সৃষ্টি কৰিছিল। ইব্ৰাহাম লোডী এগৰাকী ঔচিত্যবোধহীন শাসক আছিল। প্ৰশাসনিক ভংগুৰণ আৰু দুৰ্নীতিয়ে লোডী শাসনক পতনৰ ফালে দ্ৰুতগতিত নিছিল। এক ত্বৰান্বিত ৰূপ পাইছিলগৈ ৰাজবিষয়াৰ অসন্তুষ্টি। পাঞ্জাবৰ শাসক দৌলত খান লোডীয়ে বাবৰক ভাৰত আক্ৰমণ কৰিবলৈ আমন্ত্ৰণ জনায়। ইব্ৰাহীম লোডী পাণিপথৰ প্ৰথম যুদ্ধত (**১৫২৬**) পৰাস্ত হয় আৰু এনেদৰে ভাৰতত মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা হয়।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক—

প্ৰশ্ন নং ৮ ঃ ঘাজি মালিক কোন আছিল?

প্ৰশ্ন নং ৯ ঃ মঃ বিন টোঘলকৰ প্ৰথম প্ৰশাসনীক? সংস্কাৰ কি আছিল?

প্ৰশ্ন নং ১০ ঃ লোডী বংশ কোনে প্ৰতিষ্ঠা কৰিছিল?

প্ৰশ্ন নং ১১ ঃ ভাৰত আক্ৰমণ কৰিবলৈ বাবৰক কোনে আমন্ত্ৰণ কৰিছিল?



৩.৭. অধ্যায়টিৰ পৰ আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলো যে -

- দিল্লী চুলতানস্বাহীৰ যোগ্য শাসকসকলৰ অধীনত দেশৰ পৰিসীমা বৃদ্ধি হৈছিল।
- চুলতানশ্বাহী যুগৰ শাসকসকল আছিল মহান নির্মাতা। তেওঁলোকে নির্মাণ কার্যৰ এক সমৃদ্ধিশালী ঐতিহ্য এৰি থৈ গৈছে।
- আভ্যন্তৰীণ ঈর্ষা আৰু অন্তর্কলহৰ বাবে চুলতানী বংশৰ পতন ঘটিছিল।



৩.৮ অধিক জানিবলৈ -

- Chandra, Satish. (Reprint, 2008). *Medieval India: From Sultanate to the Mughals, Delhi Sultanate (1206-1526) Part One.* New Delhi, India: Haranand Publications Pvt. Ltd.
- Mazumder, R.C. (1990). *The Delhi Sultanate.* Bombay, India:Bharatiya Vidya Bhawan.
- Prasad, Iswari. (1940). *History of Medieval India.* New Delhi, India: Indian Press.



অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১২০৬ খ্রীঃ
২. নং প্রশ্নৰ উত্তৰ ঃ ইলতুৎমিছ
৩. নং প্রশ্নৰ উত্তৰ ঃ দাস বংশৰ চোৰাংচোৰা
৪. নং প্রশ্নৰ উত্তৰ ঃ ১২২৯ খ্রীঃ
৫. নং প্রশ্নৰ উত্তৰ ঃ ১২৯০ খ্রীঃ
৬. নং প্রশ্নৰ উত্তৰ ঃ ৰায় ৰামচন্দ্র
৭. নং প্রশ্নৰ উত্তৰ ঃ আমিৰ খুশ্রু
৮. নং প্রশ্নৰ উত্তৰ ঃ ঘাজি মালিক বা গিয়াচুদ্দিন টোঘলকে টোঘলক বংশ প্রতিষ্ঠা কৰিছিল।
৯. নং প্রশ্নৰ উত্তৰ ঃ তেওঁৰ প্রথম কামটো আছিল দোৱাবৰ ভূমি কৰ বৃদ্ধি কৰা।
১০. নং প্রশ্নৰ উত্তৰ ঃ বাহলুল লোডী
১১. নং প্রশ্নৰ উত্তৰ ঃ দৌলত খান লোডী



৩.১০ আৰ্হি প্ৰশ্ন ঃ

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ কোনে আৰু কেতিয়া কুতুবমিনাৰৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰিছিল?

প্ৰশ্ন নং ২ ঃ চিৰি মহানগৰখন কোনে নিৰ্মাণ কৰিছিল?

প্ৰশ্ন নং ৩ ঃ গজ-ই-চিকন্দৰী নামৰ গজ (Yard) ৰ নতুন জোখৰ প্ৰৱৰ্তন কৰিছিল?

(খ) চমু প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ১৫০ টা মান শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ ইক্তাদাৰসকল কোন আছিল?

প্ৰশ্ন নং ২ ঃ ৰাজসভাত ৰেজিয়া চুলতানা জনপ্ৰিয় কিয় নাছিল?

প্ৰশ্ন নং ৩ ঃ নতুন মুছলমানসকল কোন আছিল?

প্ৰশ্ন নং ৪ ঃ দিৱান - ই - খেৰাৎ বুলি ক'লে কি বুজে?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ টোঘলকসকল কোন আছিল? টোঘলক বংশৰ উত্থানৰ বিষয়ে নিজৰ ভাষাত লিখক।

প্ৰশ্ন নং ২ ঃ প্ৰশাসক হিচাপে চুলতানস্বাহীৰ শাসকসকলৰ মান কৰক।

———

অধ্যায় ৪ ঃ দিল্লী চুলতানসকলৰ প্ৰশাসন

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ কেন্দ্ৰীয় প্ৰশাসন
৪.৪ প্ৰাদেশিক প্ৰশাসন
৪.৫ ৰাজহ প্ৰশাসন
৪.৬ আইন- শৃংখলাজনিত প্ৰশাসন
৪.৬.১ সামৰিক প্ৰশাসন
৪.৬.২ ন্যায়পালিকা
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্ৰগতিৰ খতিয়ান
৪.১০ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দিল্লীৰ চুলতানীৰ প্ৰশাসনিক কাৰ্যৰ বিষয়ে বৰ্ণনা কৰিবলৈ সক্ষম হ'ব,
- বিভাগীয় মন্ত্ৰীসকলৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে আলোচনা কৰিব পাৰিব, আৰু
- প্ৰশাসনিক গঠনত ইছলামিক পদ্ধতিৰ প্ৰভাৱ আৰু দিল্লীৰ প্ৰশাসনৰ স্বৰূপ বৰ্ণনা কৰিব পাৰিব।

৪.২ পৰিচয়

দিল্লীৰ চুলতানসকলে আৰম্ভ কৰা প্ৰশাসনিক ব্যৱস্থাৱলী পূৰ্বৰ প্ৰশাসনিক ব্যৱস্থাতকৈ সুকীয়া আছিল। পৃথিৰীজুৰি থকা সাধাৰণ ইছলামিক প্ৰশাসনৰ নীতিৰ দ্বাৰা দিল্লীৰ শাসনাৱলী যথেষ্ট পৰিমাণে প্ৰভাৱান্বিত হৈছিল। একে সময়তে, ভাৰতবৰ্ষত চুলতানসকলে তেওঁলোকৰ শাসনপন্থা সদায় ভাৰতীয় লোকৰ ওপৰত জাপি দিবৰ চেষ্টা কৰা নাছিল। এই ক্ষেত্ৰত তেওঁলোকে থলুৱা লোকসকলক নিজা আইন-কানুনবোৰ ধৰি ৰাখিবলৈও অনুমতি দিছিল। এই অধ্যায়টিত আপুনি দিল্লীৰ চুলতানৰ শাসনৰ অধীনস্থ প্ৰশাসনৰ বিভিন্ন ভাগ, যেনে— কেন্দ্ৰীয়, প্ৰাদেশিক, ৰাজহ, সামৰিক, ন্যায়িক আদিৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

দিল্লী চুলতান শাসনৰ প্ৰশাসনিক কাৰ্য ***ইকতা*** ব্যৱস্থাক কেন্দ্ৰ কৰি পৰিচালিত হৈছিল। তদুপৰি

দিল্লীৰ চুলতানী শাসন কালত বিভিন্ন শাসকিয় বংশ বিভিন্ন সময়ত এছিয়াৰ বিভিন্ন ঠাইৰ পৰা আহিছিল। দিল্লীৰ চুলতানসকলে স্বাভাৱিকতে ***কোৰাণৰ*** নীতিৰ আধাৰত প্ৰশাসন চলাইছিল।



জানি থোৱা ভাল

ইক্‌তা ঃ ইক্‌তাই আক্ষৰিকভাৱে অংশ (portion) বুজায়। ই অভিজাতসকলে দেশৰ প্ৰতি আগবঢ়োৱা সেৱাৰ প্ৰতিদান স্বৰূপ নিৰূপণ কৰি ভাগ কৰি দিয়া ভূমি বা ৰাজহ আছিল।

৪.৩ কেন্দ্ৰীয় প্ৰশাসন

- **চুলতানৰ পদবী লাভ ঃ** ভাৰতবৰ্ষত দিল্লী চুলতানীৰ শাসনত চুলতানসকলেই তেওঁলোকৰ শাসন প্ৰণালীৰ মুৰব্বী আছিল। এই প্ৰক্ৰিয়াটোত নিৰ্বাচনৰ ব্যৱস্থাও আছিল। এজন ব্যক্তিয়ে দিল্লীৰ চুলতান হ'বলৈ হ'লে সম্ভ্ৰান্ত শ্ৰেণী আৰু প্ৰভাৱশালী আইনজ্ঞসকলৰ সন্মতি আদায় কৰিব লগা হৈছিল। ভাৰতত চুলতানৰ পদবীটো বংশগত নাছিল। ই এটা নিৰ্বাচিত পদবী আছিল। অৱশ্যে মৃত চুলতানৰ জ্যেষ্ঠ পুত্ৰজনক অগ্ৰাধিকাৰ দিয়া হৈছিল। তদুপৰি এজন চুলতানক কিছুমান কাৰণত ক্ষমতাচ্যুতও কৰিব পাৰিছিল। এই কাৰণসমূহ আছিল—
  - যদিহে চুলতানজনে আস্থা পালনত ব্যৰ্থ হয়,
  - যদিহে চুলতানজনে ন্যায় প্ৰদান কৰাৰ ক্ষমতা হেৰুৱায়, আৰু
  - যদিহে চুলতানে শাৰীৰিক সক্ষমতা হেৰুৱাই পেলায়।

চুলতানৰ দায়িত্ব ঃ দিল্লীৰ চুলতানসকলে খলিফাৰ প্ৰশাসনৰ স'তে সংগতি ৰাখি তেওঁলোকৰ প্ৰশাসনিক ব্যৱস্থা গঢ়িছিল। সেই বাবে খলিফা ব্যৱস্থাৱলীত খলিফা-সকলে যিবোৰ কাৰ্য কৰিছিল তেওঁলোকেও সেই একেবোৰ কামকে কৰিছিল। ভাৰতৰ চুলতানজনাই পালন কৰা কিছুমান গুৰুত্বপূৰ্ণ দায়িত্ব তলত উল্লেখ কৰা হ'ল—

- ইছলামৰ নীতিসমূহক ৰক্ষণাবেক্ষণ দিয়া,
- ইছলামৰ অধীনস্থ সাম্ৰাজ্যৰ প্ৰতিৰক্ষা কৰা,
- নাগৰিকৰ মাজত বিবাদ নিষ্পত্তি কৰা,
- ফৌজদাৰী আইন বলবৎ কৰা,
- মুছলিম সাম্ৰাজ্যৰ সীমান্তবোৰ শক্তিশালী কৰা,
- ইছলামৰ শত্ৰুসকলৰ বিৰুদ্ধে পৰিত্ৰ যুদ্ধ কৰা,
- কৰ সংগ্ৰহ কৰা।



জানি থোৱা ভাল

খলিফাঃ এইটো ইছলামিক সাম্ৰাজ্য (Islamic World) ৰ নেতাসকলে বহন কৰা এটা উপাধি। প্ৰথমজন খলিফা আছিল আবু বক্কৰ যিয়ে ৬৩২ খ্ৰীঃত মহম্মদৰ উত্তৰাধিকাৰ লাভ কৰিছিল। ১৫১৭ চনত অটোমানসকলে আব্বাচিদ (Abdasid) সকলক বিতাড়িত কৰি ১৯২২ চনলৈকে এই উপাধিটো গ্ৰহণ কৰি আছিল আৰু ১৯২৪ চনত এই উপাধিটোৰ বিলুপ্তি সাধন কৰা হয়।

- **মন্ত্ৰী পৰিষদ ঃ**
  - **অসামৰিক প্ৰশাসন — ৱাজিৰ ঃ** দিল্লীৰ চুলতান শাসনৰ অধীনত চুলতানেই তেওঁৰ চৰকাৰৰ মুৰব্বী আছিল। বিভিন্ন পদবী আৰু মৰ্যাদাৰ কিছুসংখ্যক মন্ত্ৰীয়ে তেওঁক এই কাৰ্যত সহায় কৰিছিল। অসামৰিক প্ৰশাসনৰ মুৰব্বীজনক ৱাজিৰ বোলা হৈছিল। তেওঁৰ বিভাগটোক *দিৱান-ই-ৱীজাৰত* বুলি জনা গৈছিল। ৱাজিৰে দুটা প্ৰধান দায়িত্ব পালন কৰিব লাগিছিল। প্ৰথমতে, তেওঁ সদৰৰ কেন্দ্ৰীয় বিত্ত বিষয়া আছিল বাবে ৰাজহ সংগ্ৰহ তেওঁৰ মুখ্য দায়িত্ব আছিল। তদুপৰি বিভিন্ন প্ৰকাৰৰ খৰচ তেওঁ নিয়ন্ত্ৰণ কৰিছিল। তেওঁৰ তলতীয়াবোৰে বিভিন্ন চৰকাৰী বিভাগৰ হিচাপ-নিকাচসমূহ ৰিজাই, পৰীক্ষা কৰি গৃহীত কৰাইছিল। দ্বিতীয়তে, ৱাজিৰে সদৰত থকা আন কাৰ্যালয়বোৰত কাম-কাজৰ তদাৰকী কৰিব লগা হৈছিল। বিভিন্ন বিভাগত তেওঁ অসামৰিক সেৱকসকলক নিযুক্তি দিছিল। এইবোৰৰ বাদেও ৱাজিৰে কিছুমান গুৰুত্বপূৰ্ণ মিশ্ৰিত ধৰণৰ কাম কৰিব লগা হৈছিল। তাৰে কিছুমান আছিল এনেধৰণৰ—
    - ৱাজিৰে সামৰিক বিভাগৰ সকলো প্ৰয়োজনীয়তা পূৰণ কৰাব লাগিছিল। তেওঁৰ কাৰ্যালয়ে সকলো সামৰিক হিচাপ-নিকাচ, বিষয়াক দিয়া দৰমহা আৰু ভূমি আবণ্টনৰ হিচাপ ৰাখিছিল।
    - ৱাজিৰৰ কাৰ্যালয়ে পণ্ডিত আৰু জ্ঞানী মানুহক বৃত্তি দিছিল।
    - ৱাজিৰৰ কাৰ্যালয়ে দুখীয়া আৰু অভাৱীসকলৰ মাজত অৰ্থৰ বিতৰণ কৰিছিল।
  - **সহকাৰী বিষয়া ঃ** বিভিন্ন প্ৰকাৰৰ গুৰুত্বপূৰ্ণ দায়িত্ব কান্ধত তুলি ল'বলৈ ৱাজিৰে আন কিছু গুৰুত্বপূৰ্ণ বিষয়বোৰৰ সহায় ল'ব লগা হৈছিল। ৱাজিৰৰ মুখ্য সহায়কৰ্তাজনক 'নইব ৱাজিৰ' বুলি জনা গৈছিল। তেওঁৰ পাছৰজন আছিল *মুনছিফ্-ই-মুমালিক*। প্ৰথম অৱস্থাত এওঁৰ দায়িত্ব আছিল বিভিন্ন বিভাগৰ হিচাপ-নিকাচ আৰু খৰচৰ হিচাপ লিপিবদ্ধ কৰা; কিন্তু ফিৰোজ শ্বাহ টোঘলকে (১৩৫১-১৩৮৮ খ্ৰীষ্টাব্দ) তেওঁক খৰচৰ হিচাপ ৰখাৰ পৰা সকাহ দিছিল। *মুনছিফ্-ই-মুমালিকক* আকৌ *নাজিৰ* নামৰ এজনে

সহায় কৰিছিল। এই নাজিৰে ৰাজহ সংগ্ৰহৰ তদাৰক তথা স্থানীয় ৰাজহৰ হিচাপ পৰীক্ষা কৰিছিল। *মুস্তাউফি-ই-মুমালিক* নামৰ আন এজন বিষয়াই মুশ্বৰিফ কার্যালয়ৰ হিচাপ-নিকাচৰ পৰীক্ষা কৰিছিল। ফিৰোজ শ্বাহে তেওঁক বিভিন্ন বিভাগৰ খৰচৰ তদাৰক কৰিবলৈ দিছিল।

- **বিভিন্ন মন্ত্রালয় ঃ** *দিৱান-ই-ৱীজাৰতৰ* বাহিৰেও আন তিনিটা প্ৰধান মন্ত্রালয় আছিল। তলত এই মন্ত্রালয় আৰু সিহঁতৰ কার্যাৱলী উল্লেখ কৰা হ'ল—

১। **দিৱান-ই-ৰিজালট ঃ** এই মন্ত্রালয় *সদৰ-উজ-সুদুৰ* নামে এজন মন্ত্রীৰ নেতৃত্বত চলিছিল। এই মন্ত্রালয়ে ধর্মীয় বিষয়, ধর্মীয় সংগঠন, ধর্মীয় নিষ্ঠাৰ লোকক বৃত্তি দিয়া আদি বিষয় তদাৰক কৰিছিল। সদৰ-উজ-সুদুৰ জন লগতে *কাজি- ই-মুমালিকো* আছিল আৰু তেওঁ ন্যায়ৰ বিভাগটো নিয়ন্ত্রণ কৰিছিল।

২। **দিৱান- ই -অর্জ ঃ** এই বিভাগটোৰ মন্ত্রীজনাক *আৰিজ-ই-মুমালিক* বুলি জনা গৈছিল। তেওঁ সামৰিক বিভাগৰ নিয়ন্ত্রক, পৰীক্ষক আৰু পৰিদর্শক-প্রধান আছিল।

৩। **দিৱান-ই-ইনছা ঃ** এই মন্ত্রালয় সকলো ধৰণৰ আনুষ্ঠানিক আৰু গোপনীয় যোগাযোগৰ স'তে জড়িত আছিল। এই বিভাগৰ মন্ত্রীজনক *দৰিৰ-ই-খাছ* নামে জনা গৈছিল।

চুলতান শাসনৰ আন এক গুৰুত্বপূর্ণ মন্ত্রীজন আছিল *ৰৰিড-ই-মুমালিক*। তেওঁ ৰাজ্যৰ বার্তা যোগান বিভাগৰ মুৰব্বী আছিল। তেওঁ ৰাজ্যত সংঘটিত সকলোবোৰ গুৰুত্বপূর্ণ ঘটনাৰ খবৰ সংগ্রহ কৰিব লাগিছিল।



জানি থোৱা ভাল

দিৱান-ই-ৱীজাৰত, দিৱান-ই-ৰিছালট, দিৱান-ই-অর্জ আৰু দিৱান-ই-ইনছা মন্ত্রালয় কেইটা দিল্লী চুলতান শাসনৰ মূল শক্তি আছিল। এই মন্ত্রালয়কেইটিক সততে প্রশাসনৰ চাৰি স্তম্ভৰূপে ৰিজোৱা হৈছিল।

- **মন্ত্রীৰ পদমর্যাদা ঃ** ইতিমধ্যে আপুনি জ্ঞাত যে দিল্লীৰ চুলতানসকল নির্বাচিত হৈছিল; কিন্তু তেওঁলোকে সাংঘাতিক ধৰণে প্রশাসনীয় ক্ষমতা আৰু কর্তৃত্ব পাইছিল। শ্বৰিয়াৰ বিৰোধিতা নোহোৱালৈকে কোনো ব্যক্তিয়ে, আনকি মন্ত্রীয়েও চুলতানৰ ইচ্ছাৰ প্রতি প্রশ্ন কৰিব নোৱাৰিছিল। আন বিষয়াৰ নিচিনাকৈ মন্ত্রীসকলো চুলতানৰ ভৃত্যসদৃশ আছিল। মন্ত্রীসকলে বিভাগৰ মুৰব্বী হিচাপেহে ক্ষমতা উপভোগ কৰিছিল। তেওঁলোক যদিও নিজৰ নিজৰ ক্ষেত্রত দক্ষ আছিল, কিন্তু তেওঁলোকৰ কোনো স্বতন্ত্রতা নাছিল। তেওঁলোকে চুলতানৰ আশা-

আকাংক্ষা অনুসৰিহে কাম কৰিছিল।

- **চুলতানৰ ঘৰুৱা বিষয়ববীয়া ঃ** চুলতানৰ ব্যক্তিগত কৰ্মী, দেহৰক্ষী, ব্যক্তিগত পৰিচাৰক আদি *ৱাকিল-ই-দৱৰ* অধীনত আছিল। এওঁ এইসকল বিষয়াৰ দৰমহা আৰু আন ভাত্তা তদাৰকী কৰিছিল। আন এগৰাকী বিষয়া *আমিৰ-ই-হাজিবে* ৰাজহাউলিৰ অনুষ্ঠান পাতিৰ তদাৰক কৰিছিল। ৰাজকীয় গৃহস্থালিত পৰম্পৰাগত চৈত্ৰিছ টা কাৰখানাও আছিল। তেওঁলোকৰ মূল কাম আছিল ৰাজহাউলিৰ আৰু সামৰিক বাহিনীৰ বাবে সামগ্ৰী নিৰ্মাণ কৰা। এই কাৰখানাবোৰৰ বিভিন্ন কাম চাবলৈ বিভিন্ন বিষয়া নিযুক্ত কৰা হৈছিল। এনে এজন বিষয়া আছিল *খুৰবেক*। তেওঁ সামৰিক বাহিনীৰ ঘোঁৰাৰ প্ৰতিপালন তদাৰক কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক ঃ

প্ৰশ্ন নং ১ ঃ দবিৰ-ই খাছ (Dabir-i-Khas) বুলিলে কাক জনা গৈছিল?

প্ৰশ্ন নং ২ ঃ ৱাজিৰ (Wazir) ৰ মুখ্য সহায়ক কোন আছিল?

প্ৰশ্ন নং ৩ ঃ মোগল প্ৰশাসনৰ চাৰিটা স্তম্ভৰ নাম কি?

প্ৰশ্ন নং ৪ ঃ সৈন্যবাহিনীৰ ঘোঁৰাবিলাকৰ প্ৰশিক্ষণৰ তদাৰক কোনে কৰিছিল?

৪.৪. প্ৰাদেশিক প্ৰশাসন

দিল্লীৰ চুলতানৰ সাম্ৰাজ্য বহু প্ৰদেশত বিভক্ত আছিল। লগতে ই বহুতো কৰতলীয়া ৰাজ্যকো সামৰি লৈছিল। যেতিয়ালৈকে এই কৰতলীয়া ৰাজ্যবোৰে চুলতানৰ নীতিৰ বিৰুদ্ধে একো কৰা নাছিল তেতিয়ালৈকে তেওঁলোকক নিজা শাসনকাৰ্য চলাবলৈ অনুমতি দিয়া হৈছিল। এই কৰতলীয়া ৰাজ্যৰ শাসকসকলৰ দায়িত্ববোৰো চুলতানে স্পষ্টভাৱে ঠিক কৰি দিছিল। এই দায়িত্বসমূহ আছিল—

- ➢ সাম্ৰাজ্যৰ বিষয়াবোৰক সুৰক্ষা প্ৰদান কৰা
- ➢ মুছলমান আৱাসীৰ ৰক্ষণাবেক্ষণ
- ➢ নাগৰিকসকলক ভাল প্ৰশাসনৰ সুবিধা দিয়া

- **ৰাজ্যপাল আৰু তেওঁৰ ক্ষমতা ঃ** দিল্লী চুলতানৰ অধীনত দুই ধৰণৰ প্ৰদেশ আছিল। তাৰে কিছুমানৰ সীমিত ক্ষমতা থকাৰ বিপৰীতে আন কিছুমানে কাৰ্যক্ষেত্ৰত অসীম ক্ষমতাৰ অধিকাৰী আছিল। প্ৰতিখন প্ৰদেশ ৰাজ্যপালৰ দ্বাৰা শাসিত হৈছিল। তেওঁলোকক চুলতানে নিযুক্তি দিছিল। সাম্ৰাজ্যৰ অধীনত বংগ প্ৰদেশখনেই

দুৰত্বত আছিল। তেতিয়াৰ সময়ত যোগাযোগ আৰু যাতায়াতৰ ব্যৱস্থা আজিৰ নিচিনা নাছিল। বংগৰ ৰাজ্যপালৰ প্ৰতিটো কাৰ্যকে দিল্লীৰ পৰা নিয়ন্ত্ৰণ কৰাটো সঁচাকৈয়ে বৰ কঠিন আছিল। সেই বাবে বংগৰ শাসনকৰ্তাজনে অপৰিসীম ক্ষমতা পাইছিল। তেওঁলোক প্ৰায় অৰ্ধ-স্বাধীন শাসকৰ নিচিনা আছিল। তেওঁলোকে চুলতানক নিয়মিতভাৱে কৰ দিব লাগিছিল আৰু নাগৰিকসকলক ভাল প্ৰশাসনৰ সুবিধা দিব লাগিছিল। তেওঁলোকে এই কথাবোৰ পূৰণ কৰিব পাৰিলে চুলতানসকলে তেওঁলোকৰ প্ৰশাসন ব্যৱস্থাত হস্তক্ষেপ নকৰিছিল। সেই সময়ত বংগই কৰ হিচাপে হাতী প্ৰদান কৰিছিল।

আনবিধ প্ৰদেশে সীমিত ক্ষমতা পাইছিল। সাম্ৰাজ্যৰ অধীনস্থ বেছিভাগ প্ৰদেশ এইটো শ্ৰেণীৰে আছিল। এইবোৰত ৰাজ্যপালবোৰ চুলতানৰ পূৰ্ণ নিয়ন্ত্ৰণত আছিল। তেওঁলোকৰ ক্ষমতাবোৰ স্পষ্টভাৱে নিৰ্ধাৰণ কৰি দিয়া হৈছিল। এওঁলোকৰ কৰ্তৃত্ব নিয়ন্ত্ৰণ কৰিবলৈ কিছুমান বিশেষ ব্যৱস্থা কৰা হৈছিল। প্ৰথমতে, তেওঁলোকৰ সকলো বিভাগৰ কাম কিছুমান আন কাৰ্যবাহী বিষয়াৰ সহায়ত কৰিব লগা হৈছিল। এই বিষয়াবোৰ কেন্দ্ৰীয় শাসন ব্যৱস্থাৰ বিষয়াবোৰৰ নিচিনা আছিল। এইবোৰ বিষয়াৰ নিযুক্তিত চুলতানৰ হস্তক্ষেপ চলিছিল। দ্বিতীয়তে, কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীসকলৰ ৰাজ্যবোৰত থকা তেওঁৰ বিভাগবোৰত নিয়ন্ত্ৰণ আছিল। তৃতীয়তে, প্ৰতিখন প্ৰদেশৰে নিজা সামৰিক বাহিনী আছিল যদিও তাত ৰাজ্যপালৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ নাছিল। প্ৰাদেশিক সেনাবাহিনী *অৰিজ* নামৰ স্থানীয় বিষয়াজনৰ অধীনত আছিল। এই বিষয়াবোৰ স্থানীয় ৰাজ্যপালজনৰ বিপৰীতে *অৰিজ-ই-মুমালিক* নামৰ বিষয়াজনৰ প্ৰতি দায়িত্বশীল আছিল। এওঁ কেন্দ্ৰীয় চৰকাৰৰ এগৰাকী বিষয়া আছিল। সেইহে প্ৰাদেশিক ৰাজ্যপালসমূহৰ ক্ষমতা নিয়ন্ত্ৰণৰ বাবে চুলতানৰ হাতত বহুতো ব্যৱস্থা আছিল।

- **প্ৰদেশৰ ভাগবোৰ ঃ** ভাল প্ৰশাসনৰ বাবে প্ৰতিখন প্ৰদেশক শ্বিকত বিভক্ত কৰা হৈছিল। এইবোৰক শ্বিকদাৰৰ অধীনলৈ অনা হৈছিল। যি নহওঁক, চুলতানসকলৰ পৰা সুযোগ লৈ বহু প্ৰদেশত প্ৰাদেশিক শাসক বংশ গা কৰি উঠিছিল। শ্বিকবোৰ তেতিয়া *চৰকাৰ* ৰূপে উত্থান ঘটিছিল। প্ৰতিখন *চৰকাৰক* বহু *পৰগণাত* বিভক্ত কৰা হৈছিল। এই *পৰগণা*বোৰৰ জৰিয়তে চৰকাৰে খেতিয়কসকলৰ লগত প্ৰত্যক্ষ যোগাযোগ ৰক্ষা কৰিছিল। এই পৰগণাত থকা মূল বিষয়াবোৰৰ এজন হ'ল *আমিল*, যাক পাছলৈ *শ্বিকদাৰ* বোলা হৈছিল; এগৰাকী মুশ্বৰিফ বা আমিন যাক মুনছিফ বুলিও কোৱা হৈছিল, এজন কোষাধ্যক্ষ, দুজন কাৰকুন আৰু এগৰাকী কানুনগো। এই বিষয়াবোৰে নিম্নোক্ত দায়িত্ববোৰ পালন কৰিছিল।

আমিল ঃ তেওঁ পৰগণা প্ৰশাসনৰ মুৰব্বী আছিল

মুশ্বৰিফ ঃ তেওঁ মুখ্য কৰ নিৰ্ধাৰক বিষয়া আছিল

কোষাধ্যক্ষ ঃ ৰাজহ সংগ্ৰহকাৰী আছিল

কাৰকুন ঃ তেওঁলোক পৰগণাৰ পঞ্জীয়ক আছিল

কানুনগো ঃ তেওঁলোকে তেওঁলোকৰ প্ৰদেশবোৰৰ উৎপাদনৰ পূৰ্বৰ নথিপত্ৰবোৰৰ তত্ত্বাৱধান কৰিছিল



জানি থোৱা ভাল

এখন প্ৰদেশৰ ক্ষুদ্ৰতম প্ৰশাসনিক গোটটি আছিল গাঁও। সেয়েহে প্ৰদেশৰ বিষয়াবোৰৰ উপৰি *চৌধুৰী* নামৰ বিষয়াৰো নিযুক্তি দিছিল। তেওঁলোকে খেতিয়কবোৰৰ অৱস্থা আৰু প্ৰয়োজনৰ বিষয়ে প্ৰশাসনক প্ৰায়ে খবৰ দিছিল। গাঁৱৰ হিচাপৰক্ষকজনক *পাটোৱাৰী* বুলি জনা গৈছিল। তেওঁ গাঁৱৰ উৎপাদন, খেতি আৰু কৰৰূপে সাধনী ঠিক কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক ঃ

প্ৰশ্ন নং ৫ ঃ বংগই দিল্লীৰ চুলতানী লৈ পঠিওৱা কৰৰ ধৰণ কেনেকুৱা আছিল?

প্ৰশ্ন নং ৬ ঃ কাৰকুনসকল (Karkun) কোন আছিল?

প্ৰশ্ন নং ৭ ঃ শ্বিক্স (Shiqs) বুলিলে কি বুজায়?

৪.৫. ৰাজহ প্ৰশাসন

দিল্লীৰ চুলতানসকলৰ বাবে উৎকৃষ্ট প্ৰশাসনেই আছিল প্ৰথম অগ্ৰাধিকাৰ। এক সুস্থ অৰ্থনীতি অবিহনে ভাল প্ৰশাসন সম্ভৱপৰ নহয়। দিল্লীৰ চুলতান শাসন কালত সেই বাবে আৰ্থিক উৎসবোৰ স্পষ্টভাৱে চিনাক্ত কৰি উলিওৱা হৈছিল। ৰাজ্যৰ উপাৰ্জনৰ মূল উৎসই আছিল কৃষি। কৃষিজাত উৎপাদনক দুটা বেলেগ পদ্ধতিৰে নিৰ্ধাৰণ কৰা হৈছিল। এটা আছিল অংশীদাৰীত্ব আৰু আনটো আছিল মূল্য নিৰূপণ বা জোখ-মাখ। মূল্য নিৰূপণ এনে এক ব্যৱস্থাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল য'ত এখন মহকুমাৰ গড় উৎপাদনৰ গণনা কৰা হৈছিল। তাৰ পাছত এটা অঞ্চলৰ সম্ভাব্য উৎপাদন হিচাপ কৰি উলিওৱা হৈছিল। ইয়াৰ পৰা এজন কৃষকে কিমান উৎপাদন কৰিব পাৰে তাৰ এক অনুমান কৰা হৈছিল। আলাউদ্দিন খিল্‌জিৰ (১২৯৬-১৩১৬ খ্ৰীষ্টাব্দ) আগতে দিল্লীৰ চুলতানসকলে উৎপাদনৰ বিছ শতাংশ ৰাজ্যৰ অংশ হিচাপে সাধনী কৰিছিল। আলাউদ্দিন খিল্‌জীয়ে ইয়াক বঢ়াই এজন খেতিয়কৰ উৎপাদনৰপঞ্চাচ শতাংশ কৰিলে। অৱশ্যে তেওঁৰ মৃত্যুৰ পাছত ৰাজ্যৰ

অংশ পাঁচভাগৰ এক অংশলৈ কমোৱা হ'ল। পাছলৈ মহম্মদ-বিন-টোঘলকে (১৩২৫-৫১ খ্ৰীষ্টাব্দ) গংগা উপত্যকাৰ দোৱাব অঞ্চলত এই ৰাজহ অংশ দ্ৰুত হাৰত বঢ়াব বিচাৰিছিল।

ভূমি ৰাজহৰ বাহিৰে দিল্লী চুলতানৰ আন আয়ৰ উৎসসমূহ আছিল—

- বিদেশী সামগ্ৰীৰ ওপৰত আমদানি শুল্ক
- যুদ্ধত লুণ্ঠিত সামগ্ৰীত ৰাজ্যৰ অংশ
- খনি আৰু পূৰ্ব মুছলমান মুদ্ৰাৰে স'তে ***মহামূল্যবান ৰত্নাভাণ্ডাৰৰ*** ওপৰত কৰ আমদানি শুল্ক আঢ়ৈ শতাংশৰ পৰা দহ শতাংশৰ ভিতৰত লোৱা হৈছিল।

যুদ্ধত লুণ্ঠিত সামগ্ৰী আৰু খনিৰ ওপৰত কৰ বিছ শতাংশ নিৰ্ণয় কৰা হৈছিল।

এই কৰবোৰৰ বাহিৰেও, মুছলমান আৰু হিন্দুৰ ওপৰত সুকীয়াকৈ দুবিধ বেলেগ কৰ আৰোপ কৰা হৈছিল। মুছলিম নাগৰিকসকলে *জাকাত* নামৰ এক যৎসামান্য কৰ দিব লাগিছিল। আনহাতে প্ৰতিজন হিন্দুৰ বিপৰীতে গাইপতি কৰ লগোৱা হৈছিল। ইয়াক *জিজিয়া* বোলা হৈছিল। ই কৰদাতাসকলৰ ঐশ্বৰ্যৰ ওপৰত নিৰ্ভৰশীল আছিল। এই কৰ দহ, বিছ বা চল্লিছ টংকা প্ৰতিবছৰ হিচাপত আৰোপ কৰা গৈছিল। আপুনি ইতিমধ্যেই জ্ঞাত যে দিল্লীৰ চুলতানসকলে অনা-মুছলমানসকলকো উপাসনাৰ অধিকাৰ দিছিল। এতিয়া আপুনি আচৰিত হ'ব পাৰে যে যদি এইয়ে হয় তেন্তে জিজিয়া কিয় মাথোঁ হিন্দুৰ ওপৰত আৰোপ কৰা হৈছিল? ইয়াৰ কাৰণ এইয়ে যে দিল্লী চুলতানৰ শাসনকালত তত্ত্বগতভাৱে মুছলমানসকলৰ সামৰিক সেৱা বাধ্যতামূলক আছিল। কিন্তু হিন্দুৰ বাবে এই সেৱা স্বেচ্ছামূলক আছিল। জিজিয়া কৰ সামৰিক সেৱাৰ পৰিৱৰ্তে তোলা হৈছিল। সেয়েহে এই কৰ হিন্দুৰ ওপৰত আৰোপ কৰা হৈছিল, কিন্তু মুছলমানসকলে ইয়াক দিয়াৰ প্ৰশ্নই নাছিল।



জানি থোৱা ভাল

জিজিয়া কৰ সকলো শ্ৰেণীৰ হিন্দু লোকৰ ওপৰত—আৰোপ কৰা হোৱা নাছিল। কেহাই দিয়া শ্ৰেণীসমূহ হ'ল— মহিলা, শিশু, চৰকাৰী কৰ্মচাৰী, সন্ন্যাসী আৰু পুৰোহিত, যিবোৰে জীৱিকাৰ বাবে উপাৰ্জন কৰিব নোৱাৰিছিল, দুৰ্বল বৃদ্ধ লোক, খোৱা মানুহ, অন্ধ আৰু দৰিদ্ৰ লোক।

৪.৬. আইন শৃংখলাজনিত প্ৰশাসন

● সামৰিক প্ৰশাসন

দিল্লীৰ চুলতানসকলে এক শক্তিশালী সামৰিক বাহিনীৰ বাবে বিশাল ব্যৱস্থা

কৰিছিল। সৈন্যবাহিনীৰ মুৰব্বী আছিল চুলতান। অৱশ্যে সৈন্যবাহিনী প্ৰধানক *অৰিজ-ই-মুমালিক* নামে জনা গৈছিল। তেওঁৰ দায়িত্ব আছিল বাহিনীৰ শক্তি আৰু দক্ষতাক সঠিকভাৱে ধৰি ৰখা। তেওঁ যন্ত্ৰনাতী, ঘোৰা আৰু ৰেচনৰ যোগান ধৰিছিল। তেওঁ প্ৰতিজন সৈন্যৰ বাবে দায়িত্ব নিৰ্ধাৰণ কৰি দিব লাগিছিল। সৈন্যবাহিনীক সীমান্তত নিয়োজিত কৰা হৈছিল। তেওঁলোকক এনে কিছুমান ঠাইতো নিয়োজিত কৰা হৈছিল য'ৰ পৰা তেওঁলোকে সহজে আভ্যন্তৰীণ গণ্ডগোল হোৱা ঠাইলৈ আহিব পাৰে।

সামৰিক বাহিনীৰ তিনিখন মুখ্য ভাগ হ'ল— অশ্বাৰোহী, হাতী আৰু স্থলবাহিনী

- অশ্বাৰোহী বাহিনী আছিল সৈন্যবাহিনীৰ প্ৰধান গোট। ঘোঁৰাৰ নামাংকন কৰা ব্যৱস্থা আলাউদ্দিন খিল্‌জীয়ে আৰম্ভ কৰিছিল। দিল্লী চুলতানৰ শাসনত হাতীয়েও এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। অৱশ্যে দিল্লীৰ চুলতানসকলে স্থলবাহিনীক গৌণ গুৰুত্ব দিছিল। আলাউদ্দিন খিল্‌জীৰ সময়ৰে পৰা আগ্নেয়াস্ত্ৰৰ ব্যৱহাৰৰ কথা জনা যায়। যুজাৰু সেনাসকলৰ বাহিৰেও প্ৰতিটো সৈন্যবাহিনীত অভিযন্তা, স্কাউট , চিকিৎসক, ইত্যাদি কিছুমান গোট আছিল।



জানি থোৱা ভাল

কোনো এক বিশেষ জাতিয়ে যাতে সামৰিক বাহিনীত আধিপত্য স্থাপন কৰিব নোৱাৰে তাৰ বাবে চুলতানে যথোপযুক্ত ব্যৱস্থা লৈছিল। সেই বাবে তেওঁৰ সৈন্যবাহিনীত তুৰ্ক, আফগান, পাৰ্ছিয়ান, মঙ্গোল আৰু আনকি ভাৰতীয় আদি সকলো জাতিৰ লোক আছিল।

● ন্যায়পালিকা

ইছলামীয় শাসন— শ্বৰিয়া ঃ দিল্লীৰ চুলতান শাসনৰ ন্যায়িক ব্যৱস্থা শ্বৰিয়া বা ইছলামীয় আইনৰ ধাৰণাৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠিছিল। ৰজা আৰু প্ৰজা উভয়ে এই আইনৰ তলতীয়া আছিল। শ্বৰিয়া মূলতঃ কোৰাণৰ নীতিৰ আধাৰত আধাৰিত। শ্বৰিয়াত থকা তিনিবিধ উপাদান হ'ল—

- কোৰাণ অথবা পৱিত্ৰ গ্ৰন্থ
- হাদিছ বা বিশ্বাসযোগ্য পয়গম্বৰৰ কথা আৰু
- ইজ্‌মা বা মুছলমান ন্যায়বিদসকলৰ সমূহীয়া মত।

ইয়াৰ দ্বাৰা আমি জ্ঞাত হ'লো যে এখন লিখিত গ্ৰন্থৰ উপৰি ন্যায়াধীশসকলৰ ন্যায়িক বিশ্লেষণৰ দ্বাৰাও শ্বৰিয়া বিকশিত হৈছিল। সময়ৰ গতিত ইয়ে ইছলামৰ কেবাটাও আইনৰ শাখাৰ জন্ম দিছিল। প্ৰত্যেকটো শাখাৰ নিজা বৈশিষ্ট্য আছিল।

গোড়া ইছলামে, যাক সচৰাচৰ চুন্নিবাদ বুলি কোৱা হয়, চাৰিটা মুখ্য আইনৰ শাখাৰ জন্ম দিছিল। এইবোৰ আছিল—

- *হানবালি*
- *মালিকি*
- *শ্বফি, আৰু*
- *হানাফি*

অনা-মুছলমানসকলৰ বাবে আইন ঃ এখন মুছলমান ৰাষ্ট্ৰতে অনা-মুছলমানসকলৰ বাবে শ্বৰিয়াই তিনিটা বিস্তৃত নীতি উল্লেখ কৰিছে। প্ৰথমতে, অনা-মুছলমানসকলে তেওঁলোকৰ মুছলমান শাসকৰ বিৰুদ্ধে বিদ্ৰোহ কৰাটো উচিত নহয়। তদুপৰি তেওঁলোকে জিজিয়া নামৰ এবিধ কৰ আদায় দিব লাগিব। অৱশ্যে এজন *জিমিয়ে* যদি ইছলামীয় আদালতলৈ যাব খোজে তেন্তে সেই ৰাস্তা তেওঁৰ বাবে খোলা আছিল। সাধাৰণতে জিমিসকল গোচৰবোৰৰ স্বকীয়বিধি অনুসৰে নিষ্পত্তি হৈছিল।



জানি থোৱা ভাল

জিমিসকল আছিল মুছলমানৰ দ্বাৰা সুৰক্ষিত আৰু মুছলমানৰ মিত্ৰ গোষ্ঠী।

ভাৰতত সাধাৰণতে ইছলামীয় ফৌজদাৰী আইন প্ৰয়োগ কৰা হৈছিল। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল যেতিয়াই এই আইন ভাৰতীয়সকলৰ নৈতিক ধাৰণাৰ স'তে সংঘাতত লিপ্ত হয়, তেতিয়া ইছলামীয় আইন প্ৰযোজ্য নহয়। আকৌ, এজন মুছলমান আইনবিদে মুছলমান এজনে ইছলামীয় আইনৰ প্ৰতি যি সন্মান প্ৰদৰ্শন কৰে তাক হিন্দু এজনে কৰিব বুলি আশা কৰা নাছিল। সেই বাবে ফৌজদাৰী অপৰাধৰ শাস্তি মুছলমান এজনৰ তুলনাত হিন্দুৰ কম আছিল।

আদালত ব্যৱস্থা ঃ ভাৰতবৰ্ষত চুলতানেই আছিল আইন বলবৎকাৰী। তেওঁ প্ৰধান তিনিটা কাৰ্য কৰিছিল। এইবোৰ হ'ল—

- চুলতান আছিল তেওঁৰ নাগৰিকৰ মাজত হোৱা বিবাদৰ আপোচ বিচাৰক,
- তেওঁ আমোলাতন্ত্ৰৰে মুৰব্বী আছিল, আৰু
- তেওঁ সৈন্য বাহিনীৰ প্ৰধান আছিল।

সেই বাবে তেওঁৰ সাম্ৰাজ্যত কৰা সকলো ন্যায়িক বিচাৰ চুলতানৰ নামত হৈছিল। চুলতান ন্যায়পালিকাৰ মুৰব্বী আছিল আৰু বিচাৰকৰ্তাসকল তেওঁৰ তলতীয়া আছিল।

ন্যায়প্ৰদানৰ কামত সহায় কৰিবলৈ চুলতানৰ এগৰাকী বিষয়া আছিল। যাক *দৱান-ই-কাজা* বোলা হৈছিল। আন এগৰাকী বিষয়া *দিৱান-ই-মজালিমে* আমোলাসকলৰ মাজৰ বিবাদ নিষ্পত্তি কৰিছিল। সামৰিক বিচাৰ *দিৱান-ই-ছিয়াছত* অনুষ্ঠিত কৰিছিল। ই প্ৰসিদ্ধ উকীলসকলৰ দ্বাৰা গঠিত হৈছিল। অৱশ্যে কেৱল চুলতানেহে মৃত্যুদণ্ড দিব পাৰিছিল।

দুগৰাকী সাধাৰণ নাগৰিকৰ মাজত হোৱা বিবাদৰ বিচাৰ *কাজা-ই-মুমালিকে* কৰিছিল। প্ৰদেশবোৰৰ ৰাজধানীত তেওঁক সহকাৰীসকলে আৰু প্ৰত্যেকখন গুৰুত্বপূৰ্ণ চহৰত *কাজিয়ে* বিচাৰত সহায় কৰিছিল। মুখ্য *কাজিৰ* মূল দায়িত্ব আছিল তথ্যা উদ্‌ঘাটন কৰি আইন প্ৰয়োগ কৰা। *আমিৰদাদ* নামৰ এগৰাকী বিষয়াই অপৰাধী-বোৰক আদালতলৈ লৈ আনিছিল। প্ৰত্যেক চহৰত পুলিচ প্ৰশাসনৰ মুৰব্বীজন আছিল *কটোৱাল*। এটা বিবাদৰ গোচৰৰ প্ৰাৰম্ভিক অনুসন্ধান *কটোৱালৰ* লগতে *মহতাবি* নামৰ এগৰাকী বিষয়াই চলাইছিল। চুলতানৰ শাসন কালত নিম্ন আদালতৰ পৰা উচ্চ আদালতলৈ আপীলৰ ব্যৱস্থা আছিল। গাঁও পৰ্যায়ত পঞ্চায়ত চলাবলৈ চুলতানে অনুমতি দিছিল। চুলতানে পঞ্চায়ত বা কাজিৰ কাৰ্যত সাধাৰণতে হস্তক্ষেপ নকৰিছিল।



জানি থোৱা ভাল

ভাৰতবৰ্ষত মুছলমান আৰু অনা-মুছলমানসকল বেলেগ বেলেগ আইনৰ দ্বাৰা পৰিচালিত আছিল। উদাহৰণস্বৰূপে মুছলমান ফৌজদাৰী আইন অনুসৰি আত্মহত্যা এক অপৰাধ আছিল। কিন্তু চুলতানসকলে *জৌহৰ* বা *সতী* যোৱা প্ৰথাক অপৰাধ বুলি গণ্য কৰা নাছিল। অৱশ্যে কোনোলোকে বলপূৰ্বকভাৱে এগৰাকী মহিলাক *জৌহৰ* বা *সতী* যাবলৈ বাধ্য কৰাব নোৱাৰিছিল। এনেকুৱা কামৰ বাবে চৰকাৰৰ আগতীয়া অনুমতি বাধ্যতামূলক আছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক ঃ

প্ৰশ্ন নং ৮ ঃ ন্যায়পালিকা বিভাগৰ মুখ্য মুৰব্বী কোন আছিল?

প্ৰশ্ন নং ৯ ঃ *দিৱান-ই-ছিয়াছত*ৰ কাম কি আছিল?

প্ৰশ্ন নং ১০ ঃ দুজন অসামৰিক ব্যক্তিৰ মাজৰ বিবাদৰ মীমাংসা কাৰ দ্বাৰা কৰা হৈছিল?



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলোঁ যে-

- চুলতানজন চৰকাৰৰ সৰ্বময়কৰ্তা আছিল। যদিও তেওঁৰ পদ বংশানুক্ৰমিক নাছিল, তথাপি সকলো ক্ষমতা আৰু কৰ্তৃত্ব তেওঁৰ হাততে ন্যস্ত আছিল।
- আইন-শৃংখলাজনিত প্ৰশাসনত ইছলামে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।
- সমগ্ৰ প্ৰশাসনক বহল ভিত্তিত বিভিন্ন মন্ত্ৰীসকলৰ মাজত বিতৰণ কৰা হৈছিল আৰু প্ৰত্যেককে তেওঁলোকৰ পৃথক ভূমিকা আৰু দায়িত্ব ন্যস্ত কৰা হৈছিল।



৪.৮ অধিক জানিবলৈ

- Chandra Satish. (Reprint 2008). *Medieval India: From Sultanate to the Mughals, Delhi Sultanate (1206-1526) Part One.* New Delhi, India: Haranand and Publications Pvt. Ltd.
- Mazumdar, R.C. (1990). *The Delhi Sultanate.* New Delhi, India: Bharatiya Vidya Bhawan.
- Prasad, Iswari. (1940). *History of Medieval India.* New Delhi, India: Indian Press.



৪.৯ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰসমূহ

১ নং প্ৰশ্নৰ উত্তৰ ঃ দিৱান-ই-ইন্চাৰ কাৰ্যালয়ৰ মন্ত্ৰীজনক দবিৰ-ই-খাচ্ বুলি কোৱা হৈছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ নাইব ৱাজিৰ

৩ নং প্ৰশ্নৰ উত্তৰ ঃ দিৱান-ই-ৱিজাৰত, দিৱান-ই-ৱিজালট, দিৱান-ই-অৰ্জ, আৰু দিৱান-ই-ইনছা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ খুৱবেক্।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ হাতী

৬ নং প্ৰশ্নৰ উত্তৰ ঃ পৱগণাবিলাকৰ পঞ্জীয়ন।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ শ্বিক্স (Shiqs) বোৰ আছিল উপযুক্ত প্ৰশাসনৰ কাৰণে গ্ৰহণ

কৰা প্ৰাদেশিক বিভাজন।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ চুলতান

৯ নং প্ৰশ্নৰ উত্তৰ ঃ সামৰিক বিচাৰ-চলোৱা।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ কাজি-ই-মুমালিক (Qazi-i-Mumalik)



৪.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেক প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ পাটোৱাৰী সকল কোন আছিল?

প্ৰশ্ন নং ২ ঃ আমিৰদাদৰ কাম কি আছিল?

প্ৰশ্ন নং ৩ ঃ জিজিয়া কৰ কিয় কেৱল হিন্দুসকলৰ ওপৰত আৰোপ কৰা হৈছিল?

(খ) চমু প্ৰশ্ন (প্ৰত্যেক প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ কেনেকুৱা পৰিস্থিতিত চুলতানক ক্ষমতাচ্যুত কৰিব পৰা গৈছিল?

প্ৰশ্ন নং ২ ঃ ৱাজিৰৰ কাম কি আছিল?

প্ৰশ্ন নং ৩ ঃ প্ৰাদেশিক গবৰ্ণৰৰ ক্ষমতা কি উপায়েৰে সীমিত কৰা হৈছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰত্যেক প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন নং ১ ঃ দিল্লীৰ চুলতানীৰ ন্যায়িক প্ৰশাসনৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন নং ২ ঃ প্ৰশাসনিক ব্যৱস্থাত চুলতানৰ ক্ষমতা আৰু ক্ষমতাৰ প্ৰয়োগৰ সীমাবদ্ধতাৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন নং ৩ ঃ দিল্লীৰ চুলতানছাহীৰ আমোলত কেন্দ্ৰীভূত প্ৰশাসনৰ গঠনৰ বিষয়ে বহলাই আলোচনা কৰক।

****

অধ্যয়ন ৫ ঃ দিল্লী চুলতানী সাম্রাজ্যৰ পতন

অধ্যায় গাঁথনি ঃ

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ দিল্লীৰ চুলতানসকলৰ পতনৰ বাবে দায়ী কাকৰবোৰ

৫.৪ দিল্লীৰ চুলতানীৰ পতনৰ পৰিণাম

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্রগতিৰ খতিয়ান

৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি—

- দিল্লীৰ চুলতানীৰ পতনৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- প্রশাসনিক ত্রুটি যি চুলতানীৰ পতনৰ অন্যতম কাৰণ আছিল তাৰ বিষয়ে বর্ণনা কৰিব পাৰিব,
- দিল্লীৰ চুলতানীৰ পতনত অৰিহণা যোগোৱা অযোগ্য চুলতান আৰু তেওঁলোকৰ নীতিৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- চুলতানীক অন্তিম আঘাত হনা বহিৰাগত শক্তিৰ বিষয়ে বর্ণনা কৰিব পাৰিব।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি দিল্লীৰ চুলতানী শাসক সকলৰ প্রশাসনিক ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিছিলোঁ। চুলতানী শাসনকালত চুলতানজনৰ হাতত সকলো ক্ষমতা ন্যস্ত আছিল। প্রশাসনিক ব্যৱস্থাটো ইছলাম ধর্মীয় নীতিৰ ওপৰত প্রতিষ্ঠিত আছিল। সেয়েহে ৰাজ্যৰ আইন-শৃংখলাজনিত প্রশাসনিক ব্যৱস্থাত ধর্মই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

এই অধ্যায়টিত আমি চুলতানী সাম্রাজ্যৰ পতনৰ বিভিন্ন কাৰক আৰু কাৰণৰ ওপৰত আলোকপাত কৰিম। কুটুবুউদ্দিন আইবক আৰু তেওঁৰ যোগ্য উত্তৰাধিকাৰীসকলে সু-সংগঠিত কৰা চুলতানী সাম্রাজ্যই আলাউদ্দিন খিলিজী আৰু মহম্মদ বিন টোঘলকৰ দিনত সাফল্যৰ শিখৰত আৰোহণ কৰিছিল। সি যি কি নহওক এই সাম্রাজ্য টোঘলকসকলৰ পতনৰ লগে লগেই চূর্ণ-ধূলিসাৎ হৈছিল।

৫.৩ দিল্লীৰ চুলতানসকলৰ পতনৰ বাবে দায়ী কাৰকবোৰ

দিল্লীৰ চুলতানী সাম্রাজ্যৰ পতন প্ৰধানকৈ শাসকসকলৰ দুৰ্বলতা আৰু লগতে টাইমূৰ আৰু বাবৰৰ বিদেশী আক্ৰমণৰ দ্বাৰাই হৈছিল। ১৩৮৮ চনত ফিৰোজ শ্বাহৰ মৃত্যুৰ পিছত চুলতানী শাসনৰ পতন আৰম্ভ হৈছিল আৰু টাইমূৰৰ পাৰস্য আৰু ১৩৯৩ চনত বাগদাদ বিজয় তথা দিল্লী অধিগ্ৰহণৰ পিছত ই থানবান হৈ পৰিছিল। ১৫২৬ চনত পাণিপথৰ যুদ্ধত মহান মোগল বংশৰ প্ৰতিষ্ঠাতা বাবৰৰ হাতত ইব্ৰাহীম লোডীৰ পৰাজয়ৰ লগে লগে চুলতানী শাসনৰ অন্ত পৰে। নিম্নলিখিত পৃষ্ঠাবোৰত আমি দিল্লীৰ চুলতানসকলৰ পতনৰ কাৰণসমূহ আলোচনা কৰিম।

- **দক্ষ শাসকৰ অনুপস্থিতি ঃ**

চাৰিত্ৰিকভাৱে সামন্তবাদী মুছলমান সাম্রাজ্যৰ স্বভাৱগত দুৰ্বলতাই দিল্লীৰ চুলতানী শাসনৰ পতন ঘটাইছিল। দিল্লীৰ চুলতানসকলৰ শাসন প্ৰজাৰ ইচ্ছাকৃত সহযোগিতাৰ পৰিৱৰ্তে সামৰিক শক্তিৰ ওপৰতহে প্ৰতিষ্ঠিত আছিল। সি যি কি নহওক, এইটো দেখা গৈছিল যে দিল্লীৰ চুলতানসকলৰ প্ৰশাসন 'Quick Sand' (ওহনি বালি)ৰ ওপৰত প্ৰতিষ্ঠিত আছিল। ফলস্বৰূপে তাত জাতীয়তাবাদৰ কোনো অনুভূতি নাছিল। চৰকাৰৰ এনে ধৰণৰ গঠনত দেশক কেন্দ্ৰীয় কৰ্তৃপক্ষৰ ৰূপত এজন শক্তিশালী চুলতানৰ আৱশ্যক হৈছিল। এজন দুৰ্বল চুলতানে শাসন কৰাৰ সময়তে তেওঁ শক্তিশালী আমোলাসকলৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাত ই ভাগি টুকুৰা টুকুৰ হৈ পৰে। এইটোৱেই আছিল দিল্লীৰ চুলতানসকলৰ আটাইতকৈ ডাঙৰ স্বভাৱগত দুৰ্বলতা। কিছুমান সুদক্ষ আৰু ব্যক্তিক্ৰমী শাসক যেনে কুটুবুউদ্দিন, ইলতুৎমিছ, বলবনৰ আৰু আলাউদিন খিলজী বাদে দিল্লী চুলতানীৰ ইতিহাসে যোগ্য চুলতানৰ বিষয়ে কম দৰ্শায়। খিলজীসকলৰ দিনত সিংহাসন আৰোহণৰ সময়ত ৰাজনৈতিক ষড়যন্ত্ৰ আৰু হত্যা সুলভ আছিল। সেয়েহে সেই সময়ত সিংহাসনৰ কাৰণে সদায়েই এটা আভ্যন্তৰীণ বিবাদে বিৰাজ কৰিছিল যাৰ কাৰণে ৰাজ্যৰ উন্নতিত বাধা আহি পৰিছিল। এজন শক্তিশালী আৰু দক্ষ শাসকৰ অনুপস্থিতিত আইন-শৃংখলাৰ ক্ৰমান্বয়ে অৱনতি ঘটিছিল।

- **অভিজাত বিষয়াসকল**

দিল্লীৰ চুলতানী শাসকসকলৰ দুৰ্বলতাই অভিজাত শ্ৰেণী, মুখিয়াল আৰু সামৰিক বিষয়াসকলক এটা সময়ত শক্তিশালী কৰি তুলিছিল যেতিয়া কেন্দ্ৰীয় কৰ্তৃপক্ষ দ্ৰুতভাৱে দুৰ্বল আৰু অযোগ্য হৈ পৰিছিল। এই অভিজাত শ্ৰেণী চুলতানসকলৰ সকলোতকৈ বিশ্বাসী সহযোগী হৈ পৰিছিল আৰু সেয়েহে চুলতানসকলক তেওঁলোকে নিজৰ ইচ্ছামতে ব্যৱহাৰ কৰিব পাৰিছিল। এইসকল অভিজাতেই পিছলৈ নিজৰ স্বাধীনতা ঘোষণা কৰি ৰাজ্যৰ বৃহৎ অংশ প্ৰাপ্তিৰ কাৰণে ষড়যন্ত্ৰত লিপ্ত হৈ ৰাজনৈতিক হত্যাকাণ্ড সংঘটিত কৰিছিল। সিংহাসন প্ৰাপ্তিৰ কাৰণে চলা ক্ষমতাৰ এই প্ৰতিযোগিতাখনৰ কাৰণে দ্ৰুতগতিত চৰকাৰৰ ভাগিব আৰম্ভ হৈছিল, যিহেতু চৰকাৰখন সঘনাই পৰিৱৰ্তিত হৈছিল লগতে কোনো ৰাজনৈতিক স্থিৰতাও নাছিল। সিংহাসন আৰোহণৰ

ক্ষেত্রত উত্তৰাধিকাৰী নিযুক্তিৰ ব্যৱস্থাগত আইন নথকাৰ কাৰণে নিজৰ নিয়ন্ত্রণত থকা প্রার্থীৰ সিংহাসন প্রাপ্তিৰ বাবে অভিজাত শ্রেণী আৰু ৰাজ-আমোলাসকলৰ মাজত সঘনাই দ্বন্দ্ব খৰিয়াল-সংঘর্ষ হৈছিল, যাৰ কাৰণে চুলতানী শাসন ব্যৱস্থা দুর্বল হৈ পৰিছিল।

ৰাজ আমোলা-বিষয়াসকল নিজৰ মাজতে বিভাজিত হৈছিল। অভিজাত শ্রেণী বিভিন্ন নৃ-গোষ্ঠীয় পৃষ্ঠদেশৰ পৰা অহা আৰু প্রধানতঃ বিদেশী (তুর্কী, আফগানী আৰু আবিচিনিয়ান) প্রথম প্রজন্মৰ আছিল, যিয়ে নেকি ভাৰতীয় হিন্দু আৰু মুছলমানসকলক ৰাজনৈতিক বিন্যাসত তলফালে ৰাখি নিজে প্রচুৰ-বুজন পৰিমাণৰ ধন আৰু ৰাজনৈতিক সুবিধা লাভ কৰিছিল। কিছুমান সময়ত এটা দলে আনটো দলৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে আৰু ফলস্বৰূপে ঈর্ষা আৰু প্রতিযোগিতাৰ কাৰণে কেইবালানি ষড়যন্ত্র হয়। সেয়েহে দিল্লীৰ ৰাজমহল সেই সংকীর্ণমনা অভিজাতসকলৰ লোভ আৰু শাসনৰ লালসাৰ প্রজনন কেন্দ্রস্বৰূপ হৈ পৰিছিল।

- **আভ্যন্তৰীণ বিবাদ**

চুলতান আৰু অভিজাত শ্রেণীৰ মাজত ক্ষমতাৰ কাৰণে চলা অবিৰাম সংঘর্ষৰ ফলত দিল্লীৰ চুলতানস্বাহীৰ প্রশাসন গভীৰভাৱে দুর্বল হৈ পৰিছিল। সেই সময়ত বলবন আৰু আলাউদ্দিনৰ দৰে চুলতানে প্রজাক শাসন কৰিবলৈ 'ৰাজ ঈশ্বৰৰ প্রতিনিধি, (Divine right of kingship) বুলি আৰোপ কৰিছিল সেই একে সময়ত অভিজাত শ্রেণীয়ে চুলতানৰ সর্বোচ্চ ক্ষমতাক স্বীকাৰ কৰাৰ ইচ্ছা কৰা নাছিল, ক াৰণ তেওঁলোকে চুলতানক তেওঁলোকৰ পদবীৰ প্রথম-প্রধান বুলি গণ্য কৰিছিল। উলেমাসকল আছিল এটা শক্তিশালী শ্রেণী আৰু তেওঁলোকৰ দাবী আছিল যে শ্বৰিয়াতৰ নীতি মতে ৰাজ্য শাসিত হ'ব লাগে।

একেদৰে, প্রতিবেশী শাসকসকল, জমিদাৰসকল আৰু অন্যান্যৰ লগত চুলতানৰ কোনো সুস্থ সম্পর্ক নাছিল। স্থানীয় মুখিয়ালসকলৰ প্রতি চৰকাৰৰ অনাসক্তিয়ে তেওঁলোকক আঁতৰি যাবলৈ উদ্‌গনি যোগাইছিল। দুর্বল চুলতানসকলৰ ৰাজত্বকালত স্থানীয় মুখিয়ালসকলে প্রায়েই চুলতানৰ বিৰুদ্ধে বিদ্রোহ কৰিছিল। এই কথাই দিল্লী চুলতানশ্বাহীৰ সংকট ঘনীভূত কৰিছিল।

- **নীতিভ্রষ্ট সৈন্য**

এখন বিশাল সাম্রাজ্যৰ দিল্লীৰ ৰাজ্যসভালৈ বিভিন্ন প্রান্তৰ পৰা হোৱা সম্পত্তিৰ প্রৱাহৰ ফলত ইয়াৰ ৰাজপাৰিষদসকল নাৰী আৰু সুৰাৰ প্রতি আসক্ত হৈ পৰিছিল। ইয়াৰ ফলত আমোলা শ্রেণী আৰু আনকি সৈনিকসকলৰ ক্রমাগত অধঃপতন ঘটিছিল। ফলস্বৰূপে, দেশে যেতিয়া ভয়ানক বিদেশী আক্রমণৰ মুখামুখি হ'বলগীয়া হৈছিল, তেতিয়া তেওঁলোকে আশানুৰূপ ভূমিকা পালনত ব্যর্থ হৈছিল। সৈন্যবাহিনীত সৃষ্টি হোৱা খেলিমেলি আৰু বিশৃংখলতাৰ বাবে তেওঁলোক আসন্ন শত্রুৰ মুখামুখি হ'ব পৰাকৈ সক্ষম নাছিল।

- **প্রশাসনিক দুর্বলতা ঃ**

ইক্‌তাদাৰী (Fief) ব্যৱস্থায়ো চুলতানীৰ পতনৰ অন্যতম কাৰণ হিচাপে অৰিহণা যোগাইছিল। আলাউদ্দিন খিলজীয়ে অনুদান হিচাপে ইক্‌তা দিয়া ব্যৱস্থাটোৰ বিলোপ সাধন কৰি আমোলাসকলক নগদ ধন দিয়াৰ ব্যৱস্থা হাতত লৈছিল, কিন্তু ফিৰোজ শ্বাহ টোঘলকে এই

ব্যৱস্থাটোক বংশানুক্রমিক কৰি পুনৰাই আৰম্ভ কৰে। তেওঁ অভিজাত আৰু সৈন্যসকলক অনুদান প্রদান কৰিছিল। সৈন্যসকলক নগদ ধনৰ পৰিৱর্তে অনুদান হিচাপে ইক্তা বা অংশ বিভাজন কৰি দিয়া হৈছিল। সৈনিকসকলে তেওঁলোকৰ ইক্তাসমূহ মধ্যস্বত্বভোগী লোকৰ হাতত বিক্রী কৰি দিছিল যাৰ ফলস্বৰূপে দুখীয়া জনসাধাৰণে তেওঁলোকৰ অধীনত থাকি যথেষ্ট যাতনা-কষ্ট ভোগ কৰিবলগীয়া হৈছিল। ইয়াৰ ফলত উচ্চাকাংক্ষা বৃদ্ধি পাইছিল আৰু বিভিন্ন স্থানত বিদ্রোহে দেখা দিছিল আৰু যিকোনো সময়তে স্বাধীনভাৱে বিদ্রোহৰ আচম্বিত আৰম্ভণি হৈছিল।



জানি থোৱা ভাল

ইক্তাদাৰী প্রথা ঃ এইটো এটা ৰাজহ সংগ্রহৰ ব্যৱস্থা য'ত ইকতাৰ অধিকাৰী সকলৰ পৰা ৰাজহ সংগ্রহৰ দায়িত্বটো অভিজাত শ্রেণীৰ হাতত ন্যস্ত থাকে। আৰম্ভণিতে তুৰ্কীৰ অভিজাতসকলক ইক্তা দিয়া হৈছিল।

চুলতানীৰ শেষৰ ফালে দাসভৃত্যৰ সংখ্যা বিপদজ্জনক অনুপাতত বৃদ্ধি পাইছিল। দেশৰ ৰাজহৰ এক বুজন অংশ তেওঁলোকৰ ওপৰত খৰচ কৰা হৈছিল আৰু ই চুলতানীৰ পতনত অৰিহণা যোগাইছিল। চুলতানসকলে যোগ্যতাৰ ভিত্তিত অতীতত, দাসসকলক ক্রয় কৰিছিল আৰু দিল্লীৰ সিংহাসনত আৰোহণৰ বাবে প্রশিক্ষণ দিছিল। কুটুবউদ্দিন আইবক, বলবন আদি হ'ল কিছুমান দক্ষ চুলতানী শাসকসকল দাস আছিল। সি যি কি নহওক, পিছৰ পর্যায়ত দাসসকলক অনা হৈছিল যদিও তেওঁলোক অযোগ্য বিবেচিত হৈছিল।

- **অযোগ্য শাসকসকলৰ বৰঙণি**

দিল্লীৰ চুলতানস্বাহীৰ পতনৰ কাৰণে ফিৰোজ শ্বাহ টোঘলকো সমানেই জগৰীয়া। তেও এজন সম্পূর্ণৰূপে অক্ষম শাসক আছিল। তেওঁৰ প্রশাসনত বহুত বেছি ৰাজনৈতিক দুর্নীতি হৈছিল যদিও তেওঁ ইচ্ছাকৃতভাৱে এইবোৰ আওকাণ কৰি চলিছিল। তেওঁ নিজকে যাজক সম্প্রদায়ৰ লোকসকলক আৰু অভিজাতসকলক পৰিতৃপ্তি কৰাতে ব্যস্ত আছিল। আৰু তেওঁৰ এই বৈশিষ্ট্যই চুলতানস্বাহীৰ পতন মাতি আনিছিল। তেওঁৰ জাগীৰ প্রদান কৰা নীতিটো মৌলিকভাৱে ভুল আছিল। তেওঁৰ ভূমিৰ ওপৰত ৰাজহ সংগ্রহ ব্যৱস্থাটো নাকচ কৰি মুঠ হিচাপে ৰাজহ আদায় লোৱা নীতিটোৰ বাবে আমোলাসকলে ৰাজ্যৰ ক্ষতিসাধন কৰি ওপৰঞ্চি ৰাজহ সংগ্রহেৰে দিনক দিনে ধনী হৈ গৈছিল। সকলো প্রকাৰৰ সেনাবাহিনীৰ দপ্তৰ পুৰুষানুক্রমিক কৰাৰ তেওঁৰ নীতিটোৰ বাবে সৈন্যবাহিনীত যোগ্যতাহীনতা আৰু অনুশাসনহীনতাই গা কৰি উঠিছিল। সৈন্যবাহিনী একেবাৰে দুর্বল হৈ পৰিছিল আৰু সেয়েহে অন্তিম পৰিত্রাণৰ উপায় হিচাপে ফিৰোজ শ্বাহে প্রাদেশিক জাগিৰদাৰসকলৰ পৰা সহায় বিচাৰিছিল। তেওঁ এজন সামৰিক শাসক নাছিল কাৰণেই হেৰুওৱা অঞ্চলসমূহ পুনৰুদ্ধাৰৰ কাৰণে কোনো চেষ্টাই কৰা নাছিল আৰু তেওঁৰ বংগ অভিযান আছিল

অসাৰ, নিষ্ফল। তেওঁ বংগতে হওক নতুবা দাক্ষিণাত্যতে হওক ক্ষতিৰ পীড়া-দুখ সহজে গ্রহণ কৰিব পাৰিছিল। ধর্মীয় বিষয়ত তেওঁৰ গোড়া আচৰণে আল্লাউদ্দিন আৰু মহম্মদ খিলজীৰ দিনৰপৰা চলি অহা ধর্মনিৰপেক্ষতাৰ গাঁথনি ধ্বংস কৰি পেলাইছিল।

তদুপৰি দেশ টুকুৰা টুকুৰ হৈ ভাগি যোৱাৰ সাধাৰণ সম্ভাৱনা থকা সত্ত্বেও মহম্মদ-বিন-টোঘলকৰ আচৰণে সাম্রাজ্যৰ পতন তড়িৎ কৰিছিল। তেওঁৰ হঠকাৰী পৰিকল্পনা আৰু দায়ত্বহীন প্রণালীসমূহে বর্ণনাতীত দুখৰ সৃষ্টি কৰিছিল আৰু ব্যাৰক-বিস্তৃত বিদ্রোহৰ সূচনা কৰিছিল। চুলতানীৰ পতনৰ কাৰণে তেওঁৰ দায়িত্ব-জ্ঞানহীনতাক নাকচ কৰিব নোৱাৰি। তেওঁ এগৰাকী কল্পনাবিলাসী ব্যক্তি আছিল আৰু তেওঁৰ বিস্তৃত পৰিকল্পনাবিলাক বাস্তৱধর্মী নাছিল। উদাহৰণস্বৰূপে, তেওঁ দক্ষিণ ভাৰতক প্রত্যক্ষ শাসন কৰিবলৈ দৌলতাবাদলৈ ৰাজধানী স্থানান্তৰ কৰা সিদ্ধান্তটো বহু পৰিমাণৰ ধন-জন হানি হোৱাৰ কাৰণে বিপর্যয় বুলিহে প্রমাণিত হৈছিল। একে সময়তে তেওঁৰ দক্ষিণ ভাৰতক প্রত্যক্ষভাৱে শাসন কৰা নীতিটোৰ কাৰণে বাহমনি আৰু বিজয়নগৰৰ দৰে গুৰুত্বপূর্ণ ৰাজ্যৰ আৱির্ভাৱ হৈছিল যাক প্রত্যাহ্বান জনাব পৰা হোৱা নাছিল। আকৌ তেওঁৰ ৰাজত্বকালত হোৱা সংস্কাৰসমূহত ওলেমা আৰু অভিজাতসকলৰ পৰা প্রচলিত উপদেশ গ্রহণ নকৰি তেওঁলোকৰ লগত পূর্বৰ বন্ধুত্বপূর্ণ সম্পর্কৰ অৱসান ঘটাইছিল। মহম্মদ-বিন-টোঘলকে তেওঁলোকৰ কথাত গুৰুত্ব নিদিয়াৰ বাবে ৰাজহৰ ক্ষতি হৈছিল, কাৰণ তেওঁৰ ৰাজত্বৰ শেষৰ ফালে এই ক্ষুণ্ণ মানুহখিনিয়ে বিদ্রোহ কৰিছিল আৰু এওঁলোকক দমন কৰাৰ নামত ৰাজকোষৰ পৰা ধন উলিয়াই দিবলগীয়া হৈছিল।

- **বিদেশী আক্রমণ**

ফিৰোজ শ্বাহৰ দুর্বল আৰু অযোগ্য শাসনত নিকট চুবুৰীয়া দেশৰ ওপৰত দিল্লীৰ গুৰুত্ব হ্রাস পাইছিল। যি সময়ত দিল্লীৰ চুলতান থৰক-বৰক কৈ ক্রমান্বয়ে পতনৰ দিশে গৈ আছিল সেই সময়তে টাইমূৰৰ আক্রমণে দিল্লীৰ চুলতানীৰ অস্তিত্বত প্রচণ্ড আঘাত হানে। আমিৰ টাইমূৰে ১৩৬৯ খ্রীষ্টাব্দত সমৰকণ্ডৰ সিংহাসনত আৰোহণ কৰে, য'ৰপৰা তেওঁ এলানি আক্রমণাত্মক বিজয় অভিযান আৰম্ভ কৰে আৰু দিল্লীত পদার্পণ কৰিবলৈ সক্ষম হয়। দিল্লী অভিযানৰ পথত তেওঁ টালাম্বা আক্রমণ কৰি ইয়াৰ ধন-সম্পত্তি লুট কৰি প্রজাসকলক নির্দয়ভাৱে হত্যা কৰে। চুলতান মাহমুদ আৰু মল্লু ইকবালে বাধা দিয়াৰ চেষ্টা কৰিছিল যদিও টাইমূৰৰ সামৰিক বাহিনীক বাধা দিয়াত বিফল হৈছিল।

দিল্লীত থকা কালছোৱাত টাইমূৰে দিল্লী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ মানুহক দুঃখ-কষ্ট আৰু যাতনা দিছিল। সর্বত্র ধ্বংস আৰু লুণ্ঠন চলাইছিল। শিল্পীসকলক কৰায়ত্ত কৰি সমৰকণ্ডলৈ পঠিওৱা হৈছিল। টাইমূৰে নিজৰ লগত বুজন পৰিমাণৰ ধন-সম্পত্তি লৈ গৈছিল যিয়ে দিল্লীৰ চুলতানীৰ অর্থনীতিত প্রভাৱ পেলাইছিল। টাইমূৰৰ ভয়ানক আক্রমণৰ ফলত হোৱা অৰাজকতা আৰু খেলিমেলিৰ ফলস্বৰূপে সাম্রাজ্যখন কেইবাটাও টুকুৰাত ভাগি থানবান হৈছিল আৰু কেইবাটাও প্রদেশে অন্তিম সময়ত দিল্লীৰ পৰা নিজৰ স্বাধীনতা ঘোষণা কৰিছিল। দিল্লীৰ বাহিৰেও টাইমূৰে হৰিদ্বাৰ, কংগ্রা আৰু কাশ্মীৰৰ হিন্দু শক্তিক পৰাজিত কৰিছিল।

সদৌ শেষত, চুলতানসকলেও এলানি মংগোল আক্রমণৰ মুখামুখি হ'বলগীয়া হৈছিল। এই আক্রমণ এশ পঞ্চাশ বছৰ ধৰি চলি আছিল যাৰ ফলত অসংখ্য ধন-জনৰ হানি হৈছিল। বহু বছৰ জোৰা এই আলোড়নে সাম্রাজ্যৰ সম্পদৰ ধ্বংস মাতি আনিছিল।

যদিও লোডীবংশৰ ৰজাসকলে সন্দেহাতীতভাৱে কিছু পৰিমাণে সাহস দেখুৱাইছিল, শেষৰজন ৰজা ইব্ৰাহীম লোডী দক্ষ নাছিল। তেওঁৰ অসহনীয় শাসনে তেওঁৰ নিজৰ মানুহ তথা আমোলাসকলক ক্ষুণ্ণ কৰিছিল। পাঞ্জাৱৰ গৱর্ণৰ দৌলত খান লোডীয়ে ইব্ৰাহীমৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে কাবুলৰ ৰজা বাবৰক ভাৰত আক্রমণ কৰিবলৈ আহ্বান জনায় যদিও ফলাফল অন্যধৰণৰ হৈছিল।

বাবৰ ভাৰতলৈ আহিল আৰু প্ৰথমে দৌলত খান লোডীক আৰু পিছত ইব্ৰাহীম লোডীক ১৫২৬ চনত পাণিপথৰ প্ৰথম যুদ্ধত শোচনীয়ভাৱে পৰাজিত কৰে। ইব্ৰাহীম লোডীক যুদ্ধক্ষেত্ৰত হত্যা কৰাৰ লগে লগে দিল্লীৰ চুলতানী সাম্রাজ্যৰ সমাপ্তি হয়।

অগ্ৰগতিৰ খতিয়ান ঃ



প্ৰশ্ন নং ১। কোনজন চুলতানৰ দিনত দৌলতাবাদ চুলতানীৰ নতুন ৰাজধানী হৈছিল?

.....

প্ৰশ্ন নং ২। ১৫২৬ চনৰ পাণিপথৰ যুদ্ধৰ ফলাফল কি আছিল?

.....

প্ৰশ্ন নং ৩। কোনে জাগিৰদাৰী প্ৰথাৰ পুনৰাৰম্ভ কৰিছিল?

.....

প্ৰশ্ন নং ৪। দিল্লীৰ চুলতানীৰ অভিজাত শ্ৰেণীসমূহ বিভাজিত হোৱা ন-গোষ্ঠীসমূহৰ নাম কি?

.....

৫.৪ দিল্লীৰ চুলতানস্বাহীৰ পতনৰ পৰিণতি

বিদেশী আক্রমণৰ পিছত দিল্লীৰ চুলতানীৰ পতনৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী আছিল, যিহেতু ই ৰাজ্যৰ স্বভাৱগত দুৰ্বলতা উদঙাই দিছিল। চুলতানীৰ পতনে ৰাজ্যসভাৰ ৰাজনীতি আৰু অভিজাতসকলৰ ব্যক্তিগত অভিলাষৰ কাৰণে সঘনাই সৃষ্টি হোৱা সংঘৰ্ষৰ বিষয়ে প্ৰকট কৰিছিল। যিহেতু কম সময়ৰ ব্যৱধানত চুলতান সলনি হৈছিল সেয়েহে, ৰাজ্যখনত কোনো স্থিৰতা নাছিল। ই ভাৰতীয় সৈন্যবাহিনীৰ দুৰ্বলতাও উদঙাই দিছিল। ভাৰতীয় গাঁও আৰু চহৰসমূহত বিয়পি পৰা বিদেশী সৈন্যৰ লগত ভাৰতীয় সৈন্যৰ কোনো তুলনাই নাছিল।

দিল্লীৰ চুলতানীৰ পতনে সমাজত বাঢ়ি অহা সামন্তবাদ বিভাজনৰো সাক্ষ্য বহন কৰে। দিল্লীৰ চুলতানীৰ পতনে বাবৰক ভাৰতত মোগল সাম্রাজ্য প্ৰতিষ্ঠাৰ সুবিধা দিয়ে।



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়টি অধ্যয়ন কৰি আমি জানিব পাৰিলো যে—

- দিল্লীৰ চুলতানীৰ পতন কেইবাটাও কাৰণৰ ফল আছিল আৰু কেন্দ্ৰীয় কৰ্তৃপক্ষ দুৰ্বল হৈ যোৱাটোৱেই আছিল এটা নিৰ্ণায়ক কাৰণ।
- ব্যক্তিগতভাৱে মহম্মদ বিন টোঘলক আৰু ফিৰোজ শ্বাহ টোঘলকৰ নীতিসমূহ দিল্লীৰ চুলতানীৰ পতনৰ কাৰণে জগৰীয়া আছিল।
- টাইমূৰৰ ভাৰত আক্ৰমণ তৎকালীন কাৰণ হোৱাৰ উপৰিও ই চুলতানীৰ শাসনৰ চৰিত্ৰ উদঙাই দিছিল।
- টাইমূৰৰ আক্ৰমণক অনুসৰণ কৰি বহু প্ৰদেশে চুলতানীৰ পৰা তেওঁলোকৰ স্বাধীনতা ঘোষণাকৰিছিল আৰু স্বাধীন চুলতানৰ দ্বাৰা প্ৰতিষ্ঠাপিত হৈছিল।



৫.৬ অধিক জানিবলৈ —

1. Chaurasia, R.S. (2002). *History of Medieval India (From 1000A.D. to 1707 A.D.).* New Delhi, India: Atlantic Publication.
2. Chandra, Satish. (2006). *From Sultanate to the Mughals.* New Delhi, India: Haranand and Publication Pvt. Ltd.
3. Mazumder, R.C. (1990). *The Delhi Sultanate.* New Delhi, India: Bharatiya Vidya Bhawan.
4. Prasad, Iswari. (1940). *History of Medieval India.* New Delhi, India: Indian Press.



৫.৭ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰসমূহ ঃ

১ নং প্ৰশ্নৰ উত্তৰ ঃ মঃ বিন টোঘলক

২ নং প্ৰশ্নৰ উত্তৰ ঃ ইব্ৰাহীম লোডীক হত্যা কৰা হৈছিল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ফিৰোজ শ্বাহ টোঘলক।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ তুৰ্কী, আফগানী আৰু আবিচিনিয়া।



৫.৮ আৰ্হি প্ৰশ্ন ঃ

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ বাবৰক ভাৰত আক্ৰমণ কৰিবলৈ কোনে আমন্ত্ৰণ জনাইছিল?

প্ৰশ্ন নং ২ ঃ দিল্লীৰ চুলতানৰ প্ৰকৃতিগত ত্ৰুটি কি আছিল?

প্ৰশ্ন নং ৩ ঃ ব্যৱস্থাগত উত্তৰাধিকাৰী নিযুক্তিৰ আইনৰ অনুপস্থিতিৰ ফল-প্ৰভাৱ কি আছিল?

প্ৰশ্ন নং ৪ ঃ টাইমূৰৰ আক্ৰমণক দিল্লীত কোনে বাধা দিছিল?

(খ) চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ চমু টোকা লিখক ঃ

(ক) ক্ৰীতদাস

(খ) পাণিপথৰ যুদ্ধ

(গ) ৰাজ দৰবাৰৰ ৰাজনীতি আৰু অভিজাত শ্ৰেণী

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ১ ঃ চুলতানী শাসনৰ ওৰ পৰাত মহম্মদ বিন টোঘলক কিমানখিনি দায়ী বুলি আপুনি ভাবে? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি দাঙি ধৰক।

প্ৰশ্ন নং ২ ঃ চুলতানী সাম্ৰাজ্যৰ অন্ত পৰাত বাহ্যিক কাৰকৰ বিষয়ে আলোচনা কৰক

———————

অধ্যায় ৬ ঃ চুলতানসকলৰ অধীনত সমাজ, অৰ্থনীতি আৰু ধৰ্ম

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ চুলতানসকলৰ দিনত সামাজিক ব্যৱস্থা

- ৬.৩.১ সমাজৰ শ্রেণী বিভাজন
- ৬.৩.২ সমাজত নাৰীৰ স্থান
- ৬.৩.৩ ক্রীতদাসত্ব
- ৬.৩.৪ উৎসৱ-পাৰ্বন
- ৬.৩.৫ মনোৰঞ্জন

৬.৪ চুলতানসকলৰ দিনত ভাৰতবৰ্ষৰ অৰ্থনৈতিক অৱস্থা

- ৬.৪.১ কৃষিভিত্তিক অৰ্থব্যৱস্থা
- ৬.৪.২ ব্যৱসায় -বাণিজ্য, উদ্যোগ
- ৬.৪.৩ সাধাৰণ প্রজাৰ অৰ্থনৈতিক অৱস্থা

৬.৫ চুলতানসকলৰ দিনত ধৰ্মীয় ব্যৱস্থা

- ৬.৫.১ ভক্তি আন্দোলন
- ৬.৫.২ ছুফীবাদ

৬.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৭ অধিক জানিবলৈ

৬.৮ অগ্রগতিৰ খতিয়ান

৬.৯ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দিল্লীৰ চুলতানসকলৰ ৰাজত্ব কালৰ সামাজিক গাঁথনিৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- দিল্লীৰ চুলতানসকলৰ শাসনৰ সময়ছোৱাত ভাৰতৰ গাঁও আৰু চহৰৰ আৰ্থিক অৱস্থাৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- দিল্লীৰ চুলতানসকলৰ ধৰ্মীয় ব্যৱস্থা ব্যাখ্যা কৰিব পাৰিব, আৰু
- ভক্তি আন্দোলন, ছুফীবাদৰ উত্থানৰ পটভূমি বিশ্লেষণ কৰিব পাৰিব।

৬.২ পৰিচয়

দিল্লীৰ চুলতানী কুতুবউদ্দিন আইবাকে প্ৰতিষ্ঠা কৰিছিল আৰু আলাউদ্দিন খিলিজিৰ সময়ত ই খ্যাতিৰ শীৰ্ষস্থান চুইছিলগৈ। কিন্তু আভ্যন্তৰীণ বিবাদ, চুলতানৰ স্বৈৰাচাৰী, প্ৰজাৰ লগত শাসকৰ সম্পৰ্কই ব্যাপক ক্ষতি কৰিছিল যাৰ ফলত ১৫২৬ চনৰ পাণিপথৰ যুদ্ধত ইযাৰ সম্পূৰ্ণৰূপে পতন ঘটিছিল।

এই অধ্যায়টিত আমি দিল্লীৰ চুলতানসকলৰ ৰাজত্বকালৰ সমাজ, অৰ্থনীতি, আৰু ধৰ্মীয় সংস্কৃতিৰ বিষয়ে আলোচনা কৰিম।

৬.৩ চুলতানসকলৰ দিনত সমাজ ব্যৱস্থা

৬.৩.১ সমাজৰ শ্ৰেণীবিভাজন

মধ্যযুগত, বিশেষকৈ দিল্লীৰ চুলতানসকলৰ সময়ত সমাজখন অভিজাত, সাধাৰণ লোক আৰু ক্ৰীতদাস এই তিনিটা নিৰ্দিষ্ট শ্ৰেণীত বিভক্ত আছিল। ৰাজ-বিষয়া, মন্ত্ৰীসকল আৰু ডাঙৰ ভূ-সামন্তসকল অভিজাত শ্ৰেণীৰ আছিল। তেওঁলোকক সাধাৰণতে খান বা মালিক বোলা হৈছিল। বলবান আৰু আলাউদ্দিনৰ নিচিনা কেইবাজনো শাসকে এই শ্ৰেণীসকলৰ ক্ষমতা হ্ৰাস কৰিবলৈ চেষ্টা কৰিছিল যদিও সম্পূৰ্ণৰূপে সফল হ'ব পৰা নাছিল। ক্ৰীতদাসবোৰক বাদ দি বাকীসকলক সাধাৰণ মানুহ বুলি জনা গৈছিল। বণিক, ব্যৱসায়ী, শ্ৰমিক আদি সাধাৰণ লোক এই শ্ৰেণীত পৰিছিল। এইসকলে সামাজিক স্থান নিজৰ অৰ্হতাৰ জৰিয়তে অথবা ৰাজকীয় অনুমোদনৰ দ্বাৰা পাইছিল। চুলতান আৰু বিষয়ববীয়াসকলে বৃহৎ সংখ্যক ক্ৰীতদাস পুহি ৰাখিছিল, যি সকলে তেওঁলোকৰ প্ৰভুৰ হৈ কাম কৰিব লাগিছিল।

হিন্দু সমাজখন বহু জাতি আৰু উপজাতিত বিভক্ত আছিল। ইটালীয় পৰিব্ৰাজক নিকোলো ক'ন্টিয়ে উল্লেখ কৰিছে যে হিন্দু সমাজখনত সেই সময়ত ৮৪ টা উপ-জাতি আছিল। সমাজত ব্ৰাহ্মণসকল এক প্ৰতিপত্তিশীল স্থানত আছিল যিয়ে তলৰ শ্ৰেণীবোৰৰ উপৰত শোষণ কৰিছিল। যি নহওক কিছু সংখ্যক পৰিব্ৰাজকে হিন্দুসকলৰ অতিথিপৰায়ণতা আৰু উচ্চমানৰ নৈতিকতাবোধৰ প্ৰশংসা কৰিছিল। ইবন বটুতাৰ মতে সেই সময়ৰ মানুহে যাদু, জ্যোতিষবিদ্যা, ভেল্কীবাজি, অলৌকিক ঘটনা আদিত বিশ্বাস কৰিছিল।

৬.৩.২ নাৰীৰ স্থান

মধ্যযুগত হিন্দু-মুছলমান উভয় সম্প্রদায়ৰে মহিলাসকলৰ কোনো স্বাধীনতা নাছিল। ইয়ে তিৰোতা মানুহৰ মর্যাদা আৰু স্থিতিত প্রতিকূল প্রভাৱ পেলাইছিল।

মধ্যযুগত এজন ল'ৰা সন্তানৰ জন্মক সকলোৱে আদৰণি জনাইছিল। কিন্তু মধ্য যুগত কিছু সংখ্যক অঞ্চলত শিশুকন্যা হত্যা প্রচলিত আছিল। সেই সময়ছোৱাতে বাল্য-বিবাহ জনপ্রিয় হৈছিল। কম বয়সতে বিবাহ হোৱাৰ বাবে সমাজখনত বহুতো বিধৱাৰ সৃষ্টি হৈছিল আৰু তেওঁলোকক পুনঃবিবাহ কৰিবলৈ অনুমতি দিয়া নহৈছিল। মুছলমানসকলৰ মাজত পর্দা আৰু বহুবিবাহ প্রথা প্রচলিত আছিল। সেই সময়ত *সতীদাহ* প্রথাৰো প্রচলন আছিল। ইবন বটুতাৰ মতে প্রতিটো সতীদাহৰ বাবে চৰকাৰৰ পৰা অনুমতি ল'ব লগা হৈছিল। ৰাজপুত মহিলাসকলে অসন্মানতকৈ মৃত্যুকে শ্রেয় বুলি গণ্য কৰিছিল আৰু বৃহৎ সংখ্যকে *জৌহৰ* ব্রত পালন কৰি মৃত্যুবৰণ কৰিছিল।



জানি থোৱা ভাল

জৌহৰঃ ৰাজপুতসকলৰ মাজত প্রচলিত আত্মাহুতিৰ পৰম্পৰা (মহিলাসকলৰ মাজত প্রচলিত) সন্মান ৰক্ষা আৰু গৌৰৱ অক্ষুণ্ণ ৰখাৰ বাবে এই প্রথাৰ প্রচলন আছিল।

৬.৩.৩ ক্রীতদাসত্ব

সেই যুগত চুলতান আৰু মুছলমান বিষয়ববীয়াসকলে দাসত্বক এক ব্যৱস্থাৰ ৰূপ দিছিল। চুলতানৰ যুগত গোলামি কলংকৰ সলনি মর্যাদা সদৃশহে আছিল। আলাউদ্দিন খিলিজি আৰু ফিৰোজ-শ্বাহ টোঘলকে হাজাৰ-বিজাৰ দাস ৰাখিছিল। ফিৰোজ-শ্বাহ টোঘলকৰ সময়ত *দিৱান-ই-বান্দাগানি* নামে ক্রীতদাসৰ বাবে এক সুকীয়া বিভাগৰ জন্ম দিয়া হৈছিল। মহিলা ক্রীতদাসসকল বিষয়ববীয়াসকলৰ ঘৰত ঘৰুৱা চাকৰ হিচাপে সততে নিয়োজিত হৈছিল। অৱশ্যে এগৰাকী বিষয়াৰ হাতৰ পৰা ক্রীতদাস এজনক মুক্ত কৰি দিয়াৰ কর্তৃত্ব চুলতানৰ আছিল যদিও ইয়াৰ বাবে ক্রীতদাসজনৰ মালিকক ক্ষতি পূৰণ দিব লগা হৈছিল।

৬.৩.৪ উৎসৱ-পার্বণ

সেই সময়ত ভাৰতীয় সমাজখন এই ক্ষেত্রত অতিকে চহকী আছিল আৰু বিবিধ সংখ্যাৰ উৎসৱ-পার্বণ আছিল। হিন্দুসকলে হোলী, দছেৰা, শিৱৰাত্রি, বসন্ত পঞ্চমী আদি উৎসৱ

উদ্‌যাপন কৰিছিল। আনহাতে মুছলমানসকলৰ— ঈদ-উল ফিটাৰ, ঈদ-উদ্‌-জোহা, চব-ই-বাৰাট, মহৰম আদি উল্লেখযোগ্য। এই উৎসৱবোৰত জনসাধাৰণে গীত-বাদ্য আদি বজাই শোভাযাত্ৰাৰ জৰিয়তে উদ্‌যাপন কৰিছিল।

৬.৩.৫ মনোৰঞ্জন

ভাৰতীয় লোকসকল খেলা-ধূলাৰ অনুৰাগী আছিল। উচ্চ আৰু মধ্যবিত্ত শ্ৰেণীৰ মাজত দবা খেল, চৌপাৰ, তাচ খেল আদি জনপ্ৰিয় আছিল। কিছু সংখ্যক লোকেহে চিকাৰ, জন্তুৰ মাজৰ যুঁজ, চৌগান (পোলো) আদি খেলাৰ সুবিধা পাইছিল। হাতী ধৰা আৰু বাঘ চিকাৰৰ বিশেষ সুবিধা সম্ৰাটে পাইছিল। নৌকা চালনো সময় অতিবাহিত কৰাৰ এক আকৰ্ষণীয় বিষয় আছিল। মুষ্টিযুঁজ আৰু যাদু প্ৰদৰ্শন সকলোৱে উপভোগ কৰিব পাৰিছিল। হাৰেমত থকা মহিলাসকলে নৃত্য-গীত উপভোগৰ লগতে প্ৰেম আৰু দুঃসাহসিকতাৰ কাহিনী শুনিছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখকঃ

প্ৰশ্ন নং ১ ঃ নিকোলো ক'ণ্টি কোন আছিল?

.....

প্ৰশ্ন নং ২ ঃ জৌহাৰ কি?

.....

প্ৰশ্ন নং ৩ ঃ উচ্চ শ্ৰেণীটোৰ অৱসৰ বিনোদনৰ আহিলা কি কি আছিল?

.....

৬.৪ চুলতানসকলৰ দিনত ভাৰতবৰ্ষৰ অৰ্থনৈতিক ব্যৱস্থা

এখন ৰাষ্ট্ৰৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱন নিৰূপিত হয় ৰাষ্ট্ৰখনৰ অৰ্থনীতিৰ ওপৰত ভিত্তি কৰি। সেইবাবে যদি আমি অতীতৰ আৰ্থিক জীৱন সম্পৰ্কে আলোচনা নকৰো তেন্তে অতীত সম্পৰ্কে কৰা অধ্যয়ন আধৰুৱা হৈ ৰ'ব।

৬.৪.১ কৃষিভিত্তিক অৰ্থব্যৱস্থা

পৰম্পৰাগতভাৱে গাঁওবোৰ স্বাৱলম্বী আছিল আৰু ইয়াত খেতিয়ক আৰু মাটিৰ মালিক উভয়ে কাম কৰিছিল। কৃষিজাত উৎপাদন প্ৰক্ৰিয়াত এই শ্ৰেণী দুটাই নিজ নিজ ধৰণে জড়িত আছিল। দিল্লীৰ চুলতানসকলে তেওঁলোকৰ উপাৰ্জনৰ সৰহভাগ আহৰণ কৰিছিল এই কৃষিজাত ৰাজহৰ পৰাই। চুলতানৰ শাসনৰ সময়ছোৱাত

তেওঁলোকৰ বিষয়া, যেনে— কৰ নির্ধাৰণ, সংগ্রাহক বা নথিপত্র ৰক্ষকসকলে গ্রাম্য অর্থনীতিত হস্তক্ষেপ কৰিব বিচাৰিছিল।

বিদেশী পৰিব্রাজকসকলৰ বৃত্তান্তৰ পৰা আমি দিল্লীৰ চুলতানৰ সময়ছোৱাত ভাৰতৰ কৃষিভিত্তিক অর্থনীতিৰ বিষয়ে জানিব পাৰো। ভাৰতৰ কৃষিভিত্তিক অর্থনীতি তিনি প্রকাৰৰ আৰু এইবোৰ হৈছে এনে ধৰণৰ—

- কৃষি
- উদ্যানবিদ্যা
- পশুপালন

ভাৰতীয় লোকে খাদ্য শস্য আৰু ফলৰ খেতি বৃহৎ পৰিসৰত কৰে। ইবন বতুটাই উল্লেখ কৰিছিল যে ভাৰতীয়সকলে বছৰি শৰৎকালৰ খেতি আৰু বসন্তৰ খেতি —এই দুই ধৰণৰ শস্য উৎপাদন কৰিছিল। বছৰত তিনিবাৰকৈ চাউলৰ উৎপাদন হৈছিল।



জানি থোৱা ভাল

ইবন বতুটা মৰক্কোৰ পৰিব্রাজক আছিল। ইছলামীয় আইনৰ তেওঁ এজন পণ্ডিত আছিল। চুলতান মহম্মদ-বিন-টোঘলকে তেওঁক দিল্লীৰ কাজী হিচাপে নিযুক্তি দিয়ে। ইবন বতুটাই নিজে কৰা পর্যবেক্ষণ তেওঁৰ ভ্রমণ গ্রন্থ 'ৰিহলা'ত ভালদৰে সন্নিবিষ্ট কৰিছে। এই কিতাপখন আৰবী ভাষাত ৰচিত। গ্রন্থখনে চতুর্দশ শতিকাৰ ভাৰতবর্ষৰ সামাজিক, সাংস্কৃতিক আৰু আর্থিক জীৱনৰ মনোমোহা বর্ণনা দাঙি ধৰিছে।

এই বিলাকৰ বাহিৰেও ইবন বতুটাই ভাৰতৰ বিভিন্ন অঞ্চলত উৎপন্ন হোৱা সামগ্রীৰ এক সবিশেষ তালিকা উল্লেখ কৰিছিল। ষোড়শ শতিকাৰ আন এগৰাকী পৰিব্রাজক বাৰৰোছাই ভাৰতৰ ভিন্ ভিন্ অঞ্চলৰ অর্থনৈতিক জীৱন সম্পর্কে উল্লেখ কৰি গৈছে। তেওঁৰ মতে গুজৰাটে গম, কণীধান, আদা, মটৰ আৰু উৰহী যথেষ্ট পৰিমাণে উৎপন্ন কৰে। বাহমণি ৰাজ্যৰ ভিতৰত ভালদৰে চহা মাটি আৰু উন্নত জাতৰ গৰু-ম'হেৰে কেবাখনো সুন্দৰ গাঁও আছিল। উপকূলীয় প্রদেশ তুলু-নুডৰ উৎপাদিত কৃষিজাত সামগ্রীবোৰ মালৱৰ, পার্চিয়া আৰু আৰবীয়াত বিক্রী কৰা হৈছিল। আনহাতে মালৱৰক ইবন বতুটাই 'জালুকৰ দেশ' বুলি নামাংকিত কৰিছিল। তেওঁ কৈছিল যে মালৱৰৰ প্রতি টুকুৰা মাটিতেই খেতি কৰা হৈছিল। এই মালৱৰত প্রতিজন ব্যক্তিৰে একোখনকৈ সুকীয়া উদ্যান আছিল যাৰ সোঁমাজত তেওঁৰ ঘৰটো আছিল। মালৱৰ আদা, নাৰিকল, তামোল, তাল, কঁঠাল আদিৰ বাবে বিখ্যাত আছিল।

বিজয়নগৰ ৰাজ্যতও খেতিবাতিত যথেষ্ট উন্নতি সাধন কৰিছিল। ডমিংগো পেজে উল্লেখ কৰিছিল যে বিজয়নগৰৰ উৰ্বৰা মাটিত ভালদৰে খেতি কৰা হৈছিল। বিজয়নগৰে উন্নত মানৰ খাদ্য শস্য, কপাহ আৰু তৈলজাত বীজ উৎপন্ন কৰিছিল। বাৰবোছাই উল্লেখ কৰিছে যে ৰাজ্যখনত ধান, মটৰ, উৰহী আৰু আন মাহজাতীয় শস্যৰ খেতি ব্যাপক ৰূপত কৰা হৈছিল। বিজয়নগৰ ৰাজ্যত ঘৰচীয়া জন্তুৰ বিস্তৃত পালন দেখি তেওঁ আচৰিত হৈছিল। বিজয়নগৰ চহৰখনৰ ভিতৰতে কেবাখনো উল্লেখযোগ্য ফলৰ উদ্যান আছিল। উল্লেখ্য যে এই চহৰখন বিজয়নগৰ ৰাজ্যৰ ৰাজধানী আছিল। এই উদ্যান আৰু খেতিপথাৰসমূহলৈ হ্রদবোৰৰ পৰা পানী যোগান ধৰা হৈছিল।



জানি থোৱা ভাল

ডুৱার্টে বাৰবোছা, ডমিংগো পেজ আৰু ফার্ণাও নুনিজ পর্তুগীজ পৰিব্রাজক আছিল। তেওঁলোকে পঞ্চদশ আৰু ষোড়শ শতিকাত বিজয়নগৰ ৰাজ্য ভ্রমণ কৰিছিল।

চতুর্দশ শতিকাৰ উৰিষ্যাৰ আবাসীসকলৰ ঘৰসমূহত সুন্দৰ ফলৰ বাগিচা আছিল। তেওঁলোকে গৰু-ম'হ, ভেড়া আৰু ঘোঁৰা যথেষ্টভাৱে পুহিছিল। ফল আৰু জন্তুৰ ইমান উভৈনদী আছিল যে সেইবোৰৰ মূল্য তেনেই কম আছিল। ইবন বতুটাই বংগ পৰিভ্রমণ কৰিছিল আৰু ইয়াৰ সৌন্দর্যত মুগ্ধ হৈছিল। তেওঁ বর্তমান অসম আৰু বাংলাদেশৰ চিলেট জিলাখনত অৱস্থিত সুৰমা নদীখনক 'নীল নদী' ৰূপে আখ্যা দি ইয়াক ইজিপ্তৰ 'নীল নদী'ৰ লগত তুলনা কৰিছিল। পঞ্চদশ শতিকাৰ এগৰাকী চীনা পৰিব্রাজক মা হুৱানে বংগত উৎপাদিত শস্য আৰু শাক-পাচলিৰ এক দীঘলীয়া তালিকা উল্লেখ কৰিছে। ইয়াৰ ভিতৰত বছৰত দুবাৰকৈ উৎপাদন হোৱা ধান আৰু কণীধান, তিল, উৰহী, আদা, সৰিয়হ, পিঁয়াজ, নহৰু, তিয়ঁহ আদি আছে। বংগই নাৰিকল, তামোল, কল, কঁঠাল, কুঁহিয়াৰ, আম আদিৰ দৰে ফল যথেষ্ট পৰিমাণে উৎপন্ন কৰে। বাৰবোছাৰ মতে বংগৰ ৰাজধানীত কপাহ, কুঁহিয়াৰ, আদা আৰু জালুকৰ খেতি হৈছিল। ইয়াত সুমথিৰা, নেমু আৰু আন ফলৰ গছো আছিল। এইবোৰৰ বাহিৰেও ঘোঁৰা, গৰু, গাধ আৰু ঘৰচীয়া কুকুৰা উভৈনদী আছিল আৰু এইবোৰ বংগত খুউব সুলভ আছিল।

৬.৪.২ ব্যৱসায় - বাণিজ্য

● বস্ত্র উদ্যোগ

প্রাচীন কালৰে পৰা বস্ত্রজাত সামগ্রীসমূহে ভাৰতৰ এক উল্লেখনীয় উৎপাদিত সামগ্রীৰূপে বিবেচিত হৈছে। এইবিধ সামগ্রীৰ বিকাশ চুলতানীৰ আমোলতো অব্যাহত আছিল। বাৰবোছাই উল্লেখ কৰিছে যে ষোড় শতিকাত গুজৰাট কাপোৰ-কানি উৎপাদনৰ এক কেন্দ্র আছিল। গুজৰাটৰ এখন গুৰুত্বপূর্ণ চহৰ আছিল কেমবে'। এই চহৰখন বগা কপাহী কাপোৰ, চানেকীযুক্ত কপাহী কাপোৰ, ৰেচমৰ কাপোৰ, ৰঙীন মখমল কাপোৰ, ৰেচমী পৃষ্ঠযুক্ত কাপোৰ আৰু কাপেৰ্টৰ বাবে বিখ্যাত আছিল যি গুজৰাটত পশ্চিম ইউৰোপ, আফ্রিকা আৰু ইণ্ডোনেছিয়াতো বিক্রী হৈছিল।

মালৱৰত, কালিকটৰ নিকটৱর্তী শালিয়ত নামৰ চহৰখন কপাহী কাপোৰৰ বাবে বিখ্যাত আছিল। চৈধ্য আৰু পোন্ধৰ শতিকাৰ চীনা পৰিব্রাজক, যেনে— মা-হুৱানে মালৱৰ আৰু কয়মবতুৰ অঞ্চলত পোৱা বিভিন্ন প্রকাৰৰ কাপোৰ, সেইবোৰৰ চানেকি আৰু মূল্য সম্পর্কে লিখি থৈ গৈছে। বাৰবোছাৰ মতে উন্নত মানৰ কপাহী, ৰেচম আৰু সোণৰ কাপোৰবোৰ বার্মা, মালাক্কা আৰু সুমাত্রাত বিক্রি কৰা হৈছিল।

পূর্ব বংগ আছিল বস্ত্র উদ্যোগৰ এক গুৰুত্বপূর্ণ কেন্দ্রস্থল। সস্তা আৰু সুন্দৰ কপাহী কাপোৰৰ বাবে ই জনাজাত আছিল। বাৰবোছাৰ বিৱৰণিৰ পৰা আমি জানিব পাৰো যে বংগৰ কাপোৰ সর্বোত্তম আছিল। দক্ষিণ এছিয়াৰ আন্তর্জাতিক বন্দৰবোৰত, পূবৰ মালাক্কা আৰু পশ্চিমৰ অৰমুজত এইবোৰ জনপ্রিয় আছিল।

● বাণিজ্য

(ক) **অন্তর্দেশীয় বাণিজ্য ঃ** দিল্লীৰ চুলতানৰ আমোলত ভাৰতৰ অন্তর্দেশী বাণিজ্যৰ উন্নতি অব্যাহত আছিল। বিশেষকৈ যিবোৰ ঠাইৰ মাজেৰে ৰাস্তা গৈছিল বা যিবোৰ ঠাই আন ঠাইৰ সৈ'তে ৰাস্তাৰে সংযুক্ত আছিল সেইবোৰ ঠাইত এই বিকাশ চলিছিল। উদাহৰণস্বৰূপে ইবন বতুটাই দিল্লীক এক প্রধান ব্যৱসায়িক কেন্দ্র বুলি অভিহিত কৰিছিল। ছাৰচুটিৰ চাউল, কনৌজৰ চেনি, মাহৰ গম আৰু ধৰৰ পাণৰ বিক্রীৰ বাবে দিল্লীৰ বজাৰখন এখন সামূহিক বজাৰ আছিল। কিছুমান দীঘলীয়া পথ দিল্লীৰ পৰা সম্প্রসাৰিত হৈ তেলেংগানা, মালৱৰ আৰু দৌলতাবাদ চুইছিলগৈ। এনেকুৱা পথৰ সংযোগীকৰণ ব্যৱস্থা থকা হেতুকে দিল্লী এখন গুৰুত্বপূর্ণ ব্যৱসায়িক কেন্দ্রস্থল হৈ পৰিছিল। এইখিনিতে উল্লেখনীয় যে চুলতানসকলে বাট-পথবোৰত নিৰাপত্তা আৰু সুৰক্ষা সুনিশ্চিত কৰিবলৈ চেষ্টা কৰিছিল যদিও বাটপথত

সচৰাচৰভাৱে চুৰি আৰু ডকাইতি সংঘটিত হৈছিল। ইয়ে অন্তৰ্দেশীয় বাণিজ্যকো কিছু পৰিমাণে ক্ষতি কৰিছিল।



জানি থোৱা ভাল

উত্তৰ ভাৰতৰ কেইটামান প্ৰধান অন্তৰ্দেশীয় ব্যৱসায়িক কেন্দ্ৰ আছিল— লিম্বোডৰা, ৰাণ্ডাৰ আৰু গুজৰাটৰ কেমবে'। আনহাতে দাক্ষিণাত্যৰ গুৰুত্বপূৰ্ণ বাণিজ্য কেন্দ্ৰবোৰ আছিল— দাভোল, গোৱা আৰু ভাৰবোল।

- **উপকূলীয় বাণিজ্য (Coastal Trade) ঃ** ভাৰতবৰ্ষত পথ যোগাযোগৰ লগতে দুটা অঞ্চলৰ মাজত বাণিজ্য সাগৰীয় পথৰেও হৈছিল। ভাৰতৰ পশ্চিমৰ উপকূলত বহু সংখ্যকে বন্দৰ আৰু পোতাশ্ৰয় আছিল। এইবোৰে অন্তৰ্দেশীয় আৰু বৈদেশিক এই দুই ধৰণৰ উপকূলীয় বাণিজ্যৰ বৃদ্ধি ঘটাইছিল। সেই সময়ত ভাৰতৰ কিছুমান উল্লেখযোগ্য সাগৰীয় বন্দৰ আছিল— গুজৰাটৰ ডিউ, দাক্ষিণাত্যৰ গোৱা আৰু কালিকট আৰু মালাবাৰৰ কোচিন আৰু কুইলন। গুজৰাট আৰু মালৱৰৰ মাজৰ প্ৰত্যক্ষ ব্যৱসায় খুব লাভজনক আছিল। ইয়াত মালৱৰৰ বণিকসকলে একাধিপত্য বিস্তাৰ কৰিছিল। তলত উল্লেখ কৰা মালৱাৰী ব্যৱসায়ীসকলে মা-মছলা, ঔষধ, তাল,নাৰিকল, মম, তাম্ৰ আদি আমদানি কৰিছিল। মালাবাৰসকলে কপাহী সামগ্ৰী, গম, ধান আদি সামগ্ৰী দাক্ষিণাত্যৰ বন্দৰসমূহলৈ ৰপ্তানি কৰিছিল।

  এই অন্তৰ্দেশীয় ব্যৱসায়ৰ উপৰি ভাৰতীয় বনিক চামে শ্ৰীলংকাৰ বাণিজ্যতো আধিপত্য বিস্তাৰ কৰিছিল। ইয়াত ব্যৱসায়ীসকল প্ৰায় সকলোবোৰ ভাৰতীয় উপকূলীয় অঞ্চলৰ পৰা আহিছিল। কৰমণ্ডল আৰু মালৱৰ উপকূল, দাক্ষিণাত্য, বিজয়নগৰ আৰু গুজৰাট এই সকলোবোৰ অঞ্চলৰ ব্যৱসায়ীসকলে ব্যৱসায়ৰ বাবে শ্ৰীলংকালৈ গৈছিল। তেওঁলোকে কপাহী কাপোৰ, জাফ্ৰাং, প্ৰবাল, পাৰা আদি ৰপ্তানি কৰিছিল।

(খ) বৈদেশিক বাণিজ্য (Overseas Trade) ঃ

- **পশ্চিম এছিয়া আৰু পূব আফ্ৰিকাৰ লগত বৈদেশিক বাণিজ্য ঃ**

  অতীতৰে পৰাই ভাৰতবৰ্ষই পশ্চিম এছিয়াৰ দেশবোৰৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিছিল। প্ৰাৰম্ভিক অৱস্থাত ইটালীৰ ব্যৱসায়ীসকলে ভাৰতীয় সামগ্ৰীবোৰ ইউৰোপত বিতৰণ কৰিছিল। অৱশ্যে পিছৰছোৱাত ভাৰত আৰু পশ্চিম এছীয়া লোকৰ মাজৰ বাণিজ্য তিনিটা কেন্দ্ৰই নিয়ন্ত্ৰণ কৰিবলৈ আৰম্ভ কৰিলে। সেইবোৰ হৈছে স্থলপথত অৰমুজ আৰু সাগৰীয় পথত মক্কাৰ দুটা বন্দৰ ক্ৰমে এডেন আৰু জিদাহ।

এডেনলৈ অহা ভাৰতীয় জাহাজবোৰ কেমবে', থানা, কুইলন, কালিকট আদিৰ পৰা আহিছিল। মালৱৰ উপকূলৰ বন্দৰবোৰ পশ্চিম এছিয়াৰ সমীপৱৰ্তী আছিল। সেয়েহে কৰমণ্ডল উপকূলৰ তুলনাত এই বন্দৰবোৰৰ ব্যৱসায় বেছি ভাল আছিল। বাৰবোছাৰ ভাষা অনুসৰি ভাৰতৰ লগত আৰব আৰু পার্ছিয়াৰ ব্যৱসায় ব্যাপক আৰু লাভজনক আছিল। এই ব্যৱসায়ত জড়িত ভাৰতীয় বন্দৰসমূহে আছিল— ডিউ, চৌল, দাভোল, ভালকাল, গোৱা, কালিকট আদি। আৰব আৰু পার্ছিয়াৰ বন্দৰবোৰ আছিল জিদাহ, এডেন, ইশশিহৰ আৰু অৰমুজ।

পূব আফ্রিকাৰ সৈতে ভাৰতৰ ব্যৱসায়ত কেমবে'ৰ পৰা অহা জাহাজবোৰে আফ্রিকাৰ পৰা সোণ, হাতীদাঁত আৰু মম লৈ আনিছিল লগতে গুজৰাটৰ ব্যৱসায়ীসকলে ভাৰতীয় কাপোৰ আৰু মা-মছলা আফ্রিকালৈ ৰপ্তানি কৰিছিল।

- **দক্ষিণ-পূব আৰু পূব এছিয়াৰ সৈতে বৈদেশিক বাণিজ্য ঃ** ভাৰতৰ মূল ভূ-খণ্ড আৰু চীনৰ মাজত প্রত্যক্ষ ব্যৱসায় দ্বাদশ শতিকাৰ পৰাহে আৰম্ভ হৈছিল। তেওঁলোকে মালৱৰৰ তিনিটা গুৰুত্বপূর্ণ বন্দৰ ইলি, কালিকট আৰু কুইলন অভিমুখে এলানি সামুদ্রিক অভিযান চলায়। চীনৰ ব্যৱসায়ীসকলে ভাৰতলৈ- ৰেচম, ৰঙীন চিকমিকীয়া পাট কাপোৰ, ৰেচমী পৃষ্ঠযুক্ত কাপোৰ, লং আৰু জাইফল, লোহা, কপাৰ, সোণ, ৰূপ, সেন্দূৰ আদি লৈ আহিছিল।

  দিল্লী চুলতানৰ সময়ছোৱাত, মালাক্কা, এখন স্বতন্ত্র মুছলিম ৰাষ্ট্র হিচাপে গঢ় লৈ উঠে। অতি কম সময়ৰ ভিতৰতে ই এক ব্যৱসায়িক কেন্দ্রলৈ ৰূপান্তৰিত হ'ল। — কেমবে' কাপোৰ, বংগৰ কাপোৰ, প্রবাল, কেশৰ, কানি আদি - এই সামগ্রীবোৰ দক্ষিণ-পূব এছিয়াৰ আন দ্বীপ, যেনে— জাভা, সুমাত্রা, মলুকাছ, টিমোৰ বান্দা, বর্ণিছ আদিৰ বিতৰণ কৰা হৈছিল। ইয়াৰ বিনিময়ত ভাৰতীয় ব্যৱসায়ীসকলে সুমাত্রাৰ পৰা সোণ আৰু আন দ্বীপবোৰৰ পৰা লং, জাইফল, চন্দন কাঠ, কর্পূর্ফুৰ আদি গ্রহণ কৰিছিল।

৬.৪.৩ সাধাৰণ প্রজাৰ অর্থনৈতিক অৱস্থা

চুলতানৰ আমোলত সাধাৰণ লোকৰ আর্থিক অৱস্থা জানিবলৈ আমি মাথোঁ অলপ সংখ্যক পাব পৰা উৎসৰ ওপৰত নির্ভৰ কৰিবলগীয়া হয়। ফিৰোজ-শ্বাহ টোঘলকৰ (১৩৫১-১৩৮৮ খ্রীষ্টাব্দ) সময়ছোৱাত গম, যব ধান আৰু ৰঙীন ৰেচম বৰ সস্তা আছিল। ১৩৯৪ খ্রীষ্টাব্দত টাইমুৰৰ ভাৰত আক্রমণত দিল্লী পূর্ণৰূপে লুণ্ঠিত হৈছিল। কিছুসংখ্যক বিদেশী পৰিব্রাজকৰ লেখনিত তেওঁলোকে উল্লেখ কৰিছে যে গুজৰাটৰ জনসাধাৰণে

এক সংস্কৃতিবান আৰু আৰামদায়ক জীৱন নিৰ্বাহ কৰিছিল। হিন্দু সম্প্ৰদায়ৰ ভিতৰত বণিয়াসকলৰ ঘৰত বাগিচা, ফলৰ উদ্যান আৰু পুখুৰী আছিল। মুছলমানসকলে সোণ, ৰেচম আৰু কপাহী কাপোৰ পিন্ধিছিল। আঁঠুলৈ উঠি অহা চামৰাৰ বুট তেওঁলোকে পৰিধান কৰিছিল।

দক্ষিণ ভাৰতত মালৱৰ এক সমৃদ্ধিশালী অঞ্চল আছিল। ইয়াত শিল কটা আৰু পলিশ্ব কৰাৰ বৃহৎ সংখ্যক উদ্যোগ আছিল।

বিজয়নগৰ ৰাজ্যৰো ব্যাপক ব্যৱসায় আছিল। স্বাভাৱিকতে ই এখন সমৃদ্ধিশালী ৰাজ্য আছিল। আব্দুৰ ৰাজ্জাকে ব্যৱসায়ীবোৰৰ ঘৰবোৰক কাৰেং ঘৰ আখ্যা দিছিল। ডোমিংগো পেজে বিজয়নগৰ চহৰখনক পৃথিৱীৰ ভিতৰতে আটাইতকৈ সুচল চহৰ বুলি কৈছিল। সাধাৰণ মানুহে ভালদৰে নিৰ্মিত খেৰী ঘৰ অথবা মুকলি স্থানত বাস কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ



তলৰ প্ৰশ্নকেইটাৰ উত্তৰ লিখক ঃ

প্ৰশ্ন নং ৪ ঃ ১৩৯৮ খ্ৰীষ্টাব্দত কোনে দিল্লীত লুণ্ঠন কৰিছিল?

.....

প্ৰশ্ন নং ৫ ঃ বিজয়নগৰক কোনে 'আটাইতকৈ সুচল চহৰ' ৰূপে আখ্যা দিছিল?

.....

প্ৰশ্ন নং ৬ ঃ পঞ্চদশ শতিকাত বিজয়নগৰলৈ অহা দুজন ভ্ৰমণকাৰীৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন নং ৭ ঃ আপুনি অধ্যায়টো পঢ়াৰ সময়ত পোৱা মালৱৰ এটা সাগৰীয়া বন্দৰৰ নাম উল্লেখ কৰক।

.....

৬.৫ চুলতানসকলৰ দিনত ধৰ্মীয় অৱস্থা

চুলতানী যুগৰ সমগ্ৰ সময়ছোৱাত ৰাষ্ট্ৰ ধৰ্ম আছিল ইছলাম। ইছলামৰ নীতিসমূহ সুৰক্ষিত কৰা তথা ইয়াক ধৰি ৰখা আৰু সেইবোৰক জনসাধাৰণৰ মাজত প্ৰচাৰ কৰাটো চুলতান আৰু তেওঁৰ চৰকাৰখনৰ এক দায়িত্ব বুলি গণ্য কৰা হৈছিল। গৰিষ্ঠ সংখ্যক লোকেই হিন্দুধৰ্মৰ অনুগামী আছিল। আমি ইতিমধ্যে ইয়াৰ আগৰ অধ্যায়টিত আলোচনা কৰিছো যে যিসকলে মুছলমান শাসন মানি লৈছিল আৰু জিজিয়া কৰ দিবলৈ সন্মত হৈছিল তেওঁলোকক জিম্মি অথবা সুৰক্ষিত লোকৰ মৰ্যাদা দিয়া হৈছিল। এই কৰ বিধ সামৰিক সেৱাৰ সলনি লোৱা হৈছিল আৰু মহিলা

তথা শিশুসকলক এই কৰৰ পৰা ৰেহাই দিয়া হৈছিল। প্ৰথমতে জিজিয়া ভূমি ৰাজহৰ লগত একেলগে সংগ্ৰহ কৰা হৈছিল। কিন্তু ফিৰোজ-শ্বাহে জিজিয়াক এক সুকীয়া কৰ হিচাপে গঢ়ি তোলে। জিয়াউদ্দিন্ বাৰণিৰ নিচিনা ইতিহাসবিদৰ মতে চুলতানসকল আন ধৰ্মীয় পন্থাবোৰৰ প্ৰতি অসহিষ্ণু নাছিল। তেওঁ লিখিছিল যে 'হিন্দুসকলে যমুনাত মূৰ্তি বিসৰ্জন দিবলৈ ৰাজপ্ৰাসাদৰ ৰেৰত তলেৰে গান আৰু বাদ্য বজাই শোভাযাত্ৰা কৰি গৈছিল।' অৱশ্যে কিছু সংখ্যক শাসকে হিন্দু প্ৰজাক হাৰাশাস্তি কৰিছিল। ফিৰোজ-শ্বাহ টোঘলক আৰু ছিকণ্ডৰ লোডীয়ে পৱিত্ৰ নদীৰ ঘাটবোৰত হিন্দুসকলক স্নান কৰাত বাধা দিছিল আৰু ইছলাম ধৰ্মক আঁকোৱালি ল'বলৈ উৎসাহিত কৰিছিল। সেই সময়ত বহু হিন্দু লোক ইছলামলৈ ধৰ্মান্তৰিত হৈছিল। এই ধৰ্মান্তৰকৰণৰ মূলতঃ ৰাজনৈতিক লাভালাভ বা আৰ্থিক উন্নতি অথবা নিজৰ সামাজিক অৱস্থানৰ উন্নতিৰ আশাত হৈছিল।

৬.৫.১ ভক্তি আন্দোলন

মধ্যযুগত এক ধৰ্মীয় আন্দোলনে ভাৰতৰ বিভিন্ন প্ৰান্তত গা কৰি উঠিছিল যাক ভক্তি আন্দোলন বুলি জনা যায়। এই আন্দোলনে মুখ্যতঃ ভক্তিৰ ওপৰত অৰ্থাৎ ভগৱানৰ প্ৰতি সঁচা অনুৰাগত গুৰুত্ব দিছিল। সেই বাবে ই ভক্তি আন্দোলন বুলি পৰিচয় লাভ কৰিছিল। মধ্যযুগত হিন্দুধৰ্মৰ অধঃপতন প্ৰকট হৈছিল। ব্ৰাহ্মণসকল দুৰ্নীতিগ্ৰস্ত হৈ পৰিছিল আৰু নিৰীহ লোকসকলক শোষণ কৰিছিল। ভক্তি আন্দোলনে অন্ধবিশ্বাস, জাতিভেদ আদি হিন্দুধৰ্মৰ কুসংস্কাৰ বিলাকৰ প্ৰবল বিৰোধিতা কৰিছিল। ভক্তিবাদে প্ৰচাৰ কৰিছিল যে ভগৱান এজনেই আৰু মানুহে নিজকে সম্পূৰ্ণভাৱে ভগৱানৰ ওচৰত সমৰ্পণ কৰিব লাগে। ভক্তি আন্দোলনৰ সংস্কাৰকসকলে মূৰ্তিপূজাত বিশ্বাস কৰা নাছিল।

তুৰ্কীসকলৰ আগমনৰ পূৰ্বেই ভক্তি আন্দোলন ভাৰতবৰ্ষত গা কৰি উঠিছিল। ভক্তি আন্দোলন দক্ষিণ ভাৰতত ষষ্ঠ শতিকামানত আৰম্ভ হয় আৰু ই পঞ্চদশ শতিকাত উত্তৰ ভাৰতলৈ সম্প্ৰসাৰিত হয়। একতা আৰু সমতা ধাৰণাৰে এই আন্দোলনে ভাৰতীয় সমাজখনক জাগ্ৰত কৰি তোলে। জাতিভেদ ব্যৱস্থাৰ ওপৰত এই আন্দোলনে কৰা আঘাতে সমাজৰ নিম্নশ্ৰেণীৰ লোকসকলক তেওঁলোকৰ সামাজিক মৰ্যাদা উন্নত কৰাত সহায় কৰিছিল। এইখিনিতে মধ্যযুগৰ কেইগৰাকীমান ভক্তি আন্দোলনৰ সংস্কাৰকৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

- **ৰামানন্দ ঃ** মধ্যযুগৰ ধৰ্মীয় সংস্কাৰকসকলৰ ভিতৰত এজন অন্যতম সংস্কাৰক আছিল ৰামানন্দ। মধ্যযুগৰ আদিভাগত দক্ষিণ ভাৰতত শংকৰাচাৰ্য আৰু ৰামানুজে ভক্তিবাদৰ বাণী প্ৰচাৰ কৰিছিল। চতুৰ্দশ শতিকাত ৰামানন্দই এই ধৰ্মীয় পন্থা উত্তৰ ভাৰতত প্ৰচাৰ কৰিবলৈ আৰম্ভ কৰে। তেওঁক উত্তৰ ভাৰতত ভক্তি আন্দোলনৰ প্ৰতিষ্ঠাতা বুলি কোৱা হয়। তেওঁ ৰাম আৰু সীতাৰ উপাসক আছিল। তেওঁ

সাধাৰণ লোকৰ ভাষা হিন্দীত ধৰ্মবাণী প্ৰচাৰ কৰিছিল আৰু এই বাণীসমূহে হিন্দুসকলৰ উপেক্ষিত শ্ৰেণীবোৰৰ মাজত এক শক্তিশালী আকৰ্ষণৰ সৃষ্টি কৰিছিল।

- **কবীৰ ঃ** সেই সময়ৰ আটাইতকৈ তাৎপৰ্যপূৰ্ণ ধৰ্মীয় দীক্ষা দিওতাজন আছিল কবীৰ। তেওঁ ৰামানন্দৰ এগৰাকী মহান শিষ্য আছিল। কথিত অনুসৰি তেওঁ এগৰাকী ব্ৰাহ্মণ বিধৱাৰ পৰিত্যক্ত সন্তান আছিল আৰু তেওঁক নিৰু নামৰ এগৰাকী মুছলমান তাঁতীয়ে লালন-পালন কৰিছিল। কবীৰে সকলো ধৰ্মীয় ক্ৰিয়াকাণ্ড আৰু অনুষ্ঠানৰ বিৰোধিতা কৰিছিল আৰু মনৰ বিশুদ্ধতাইহে মুক্তি প্ৰদান কৰিব পাৰে বুলি যুক্তি প্ৰদৰ্শন কৰিছিল। তেওঁ হিন্দু আৰু মুছলমানৰ মাজত থকা দূৰত্ব কমাই আনিবলৈ চেষ্টা কৰিছিল। তেওঁ জাতিভেদ প্ৰথা অস্বীকাৰ কৰিছিল আৰু ব্ৰাহ্মণৰ শ্ৰেষ্ঠত্বক মুকলিভাৱে প্ৰত্যাহ্বান জনাইছিল। তেওঁৰ ধৰ্মীয় দীক্ষাবোৰ হিন্দী দোহাত লিপিবদ্ধ হৈছিল আৰু এইবোৰে মানুহৰ মনত গভীৰ অনুৰাগৰ সৃষ্টি কৰিছিল।
- **নানক ঃ** শিখ ধৰ্মৰ প্ৰতিষ্ঠাতা নানক আন এগৰাকী মহান সংস্কাৰক আছিল। তেওঁ হিন্দু সমাজৰ জাতিভেদ প্ৰথা আৰু আন কুসংস্কাৰবোৰ ৰাজহুৱাভাৱে বিৰোধিতা কৰিছিল। তেওঁ বহুতো মুছলমান ধৰ্মাৱলম্বী লোকক তেওঁৰ ধৰ্মৰ প্ৰতি আকৃষ্ট কৰাইছিল। ভগৱানৰ প্ৰতি ভালপোৱা আৰু মানৱ সেৱাক প্ৰকৃত ধৰ্ম বুলি তেওঁ প্ৰচাৰ কৰিছিল। গুৰু নানকৰ ধৰ্ম বাণীবোৰ 'আদিগ্ৰন্থ'ত সন্নিবিষ্ট কৰা হৈছিল।
- **চৈতন্য ঃ** বংগত ভক্তিবাদৰ প্ৰচাৰ কৰিছিল চৈতন্যই। শ্ৰীকৃষ্ণৰ প্ৰতি গভীৰ আসক্তিৰে নাৰী- পুৰুষ উভয়ে মোক্ষ লাভ কৰিব পাৰে বুলি তেওঁ প্ৰচাৰ কৰিছিল। নিঃসন্দেহে তেওঁ সেই সময়ৰ আটাইতকৈ মহান আধ্যাত্মিক পুৰুষ আছিল। তেওঁ জাতিভেদ প্ৰথাৰ বিৰোধিতা কৰিছিল আৰু মনৰ বিশুদ্ধতাৰ ওপৰত গুৰুত্ব দিছিল।
- **নামদেৱ ঃ** মহাৰাষ্ট্ৰৰ মহান ঋষি নামদেৱে হিন্দু আৰু ইছলাম ধৰ্মৰ মাজত সম্প্ৰীতি গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছিল। তেওঁ ঈশ্বৰ এজনেই বুলি প্ৰচাৰ কৰিছিল আৰু মূৰ্তি পূজা, আচাৰ-সৰ্বস্বতা আৰু জাতিভেদৰ বিৰোধিতা কৰিছিল। সাৰমৰ্মৰ ফালৰ পৰা হিন্দু আৰু মুছলমান ধৰ্মৰ মাজত পাৰ্থক্য নাই বুলি তেওঁ ঘোষণা কৰিছিল আৰু ভগৱান প্ৰীতিয়েই ধৰ্মৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথা বুলি মন্তব্য কৰিছিল। নামদেৱ কবীৰ আৰু নানকৰ পূৰ্বসূৰী আছিল।
- **ভক্তি আন্দোলনৰ তাৎপৰ্য ঃ** ভক্তি আন্দোলনে ভাৰতীয় সমাজখনক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। ধৰ্মীয় সংস্কাৰকসকলে হিন্দু-মুছলমানক ওচৰ চপাই আনিছিল, কিয়নো তেওঁলোকৰ ধৰ্মীয় মতবাদসমূহ বিভিন্ন শ্ৰেণীৰ মানুহৰ মাজত ঘৃণা বিয়পোৱাৰ সলনি মানৱ প্ৰেমৰ আধাৰত প্ৰতিষ্ঠিত আছিল। এই সংস্কাৰকসকলে হিন্দুৰ পৰা মুছলমানলৈ ধৰ্মান্তৰিত হোৱাক বাধা দিয়াতো সফল হৈছিল। হিন্দুধৰ্মই এক উদাৰ দৃষ্টিভংগী লৈছিল। এই ভক্তি আন্দোলনৰ আটাইতকৈ ফলপ্ৰসূ পৰিণতি আছিল দেশীয় সাহিত্যৰ বিকাশ।

সংস্কাৰকসকলে সাধাৰণ মানুহৰ ভাষাত তেওঁলোকৰ ধৰ্মবাণী প্ৰচাৰ কৰিছিল। জনসাধাৰণে সহজে এই বাণীবোৰ বুজি পোৱাৰ স্বাৰ্থতে এনে কৰা হৈছিল। এনেদৰে দেশীয় সাহিত্যৰ বিকাশৰ ক্ষেত্ৰত ভক্তি আন্দোলনে বহুলভাৱে অৱদান যোগাইছিল।

৬.৫.২ ছুফীবাদ

মধ্যযুগৰ সময়ছোৱাত ছুফীবাদ এক গুৰুত্বপূৰ্ণ ধৰ্মীয় শক্তি আছিল। ই ইছলামিয় ঈশ্বৰোপলব্ধিৰ এক ৰূপ আছিল। গোড়া ইছলামৰ প্ৰতি এক বিদ্ৰোহ আছিল। সমতাৰ ওপৰত ইছলামে দিয়া গুৰুত্বক উলেমাসকলতকৈ ছুফীসকলে বেছি সন্মান দিছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে ভগৱান প্ৰাপ্তিৰ বহু পথ আছে।

ভাৰতবৰ্ষত চুফিবাদৰ দুটা প্ৰধান পন্থা (ছিলছিলা) আছিল আৰু সেই দুটা হ'ল— চিষ্টি আৰু সুৰহাৱাৰ্দি পন্থা। বিখ্যাত চিষ্টি সন্তসকল হ'ল— খ্বাজা মইনুদ্দিন চিষ্টি, বখটিয়াৰ খাকি, নিজামুদ্দিন আউলিয়া আৰু নাজিৰুদ্দিন চিৰাগ-এ-দালভি। চিষ্টি ছুফীসকলে সৰলতাত বিশ্বাস কৰিছিল। তেওঁলোকে ব্যক্তিগত সম্পত্তি আধ্যাত্মিক ব্যক্তিত্ব বিকাশৰ এক প্ৰতিবন্ধক বুলি গণ্য কৰিছিল। সেয়েহে তেওঁলোকে মূলতঃ দাতব্য প্ৰতিষ্ঠানত বাস কৰিছিল। ছামা নামৰ এক সাংগীতিক আবৃত্তি পৰিবেশন কৰি চিষ্টি ছুফীসকল জনপ্ৰিয় হৈ পৰিছিল। ভগৱানৰ সৈ'তে এক অন্তৰংগ ভাৱনা সৃষ্টি কৰিবলৈ তেওঁলোকে ছামা পৰিৱেশন কৰিছিল। এই সন্তসকলে ৰাজ্যৰ ৰাজনৈতিক বাতাবৰণৰ পৰা নিজকে নিলগাই ৰাখিছিল।

সুৰহাৱাৰ্দি সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা আছিল শ্বেইখ শ্বীহাবুদ্দিন সুৰহাৱাৰ্দি। আন নেতাসকল হ'ল— বাহা-উদ-দিন-জাকাৰিয়া আৰু হামিদ-উদ-দিন নাগৰি। ভাৰতৰ উত্তৰ-পশ্চিম সীমান্তত তেওঁলোকে নিজকে প্ৰতিষ্ঠা কৰিছিল। অৱশ্যে তেওঁলোকে দৰিদ্ৰ পূৰ্ণ জীৱন-যাপন কৰা কথাটো বিশ্বাস কৰা নাছিল। তেওঁলোকে ৰাজ্যৰ বিভিন্ন সেৱা গ্ৰহণ কৰিছিল আৰু ধৰ্মীয় বিভাগৰ বিভিন্ন পদত অধিষ্ঠিত হৈছিল।

ছুফীবাদ আৰু ভক্তিৰ ভাৱনা আৰু চৰ্চা বহু ক্ষেত্ৰত একেই আছিল। এই দুয়োটা মতবাদে নিম্ন শ্ৰেণীৰ লোকসকলক আকৃষ্টি কৰিব পাৰিছিল কিয়নো তেওঁলোকে সমতাৰ কথা কেৱল প্ৰচাৰেই নহয়, তাৰ পালনও কৰিছিল। ভগৱানৰ সৈতে সম্পৰ্ক স্থাপনৰ বাবে তেওঁলোকে ভালপোৱাৰ ওপৰত গুৰুত্ব দিছিল।

মুছলমান সমাজখনৰ এক বৃহৎ অংশ গঢ়াত ছুফীবাদে সহায় কৰিছিল। ছুফী-সকলৰ ধৰ্মপ্ৰচাৰ কাৰ্যই সাধাৰণ মানুহক প্ৰভাৱিত কৰিছিল।



জানি থোৱা ভাল

চিষ্টি আৰু সুৰহাৱর্দিৰ বাহিৰেও অন্যান্য ছুফী পন্থাও আছিল যাক কাড্ৰী পন্থা, নক্সবন্দী পন্থা, ফিৰ্দৌচী পন্থা, চট্টৰিয়া পন্থা ইত্যাদি নামেৰে জনা যায়। শ্বাহ জাহানৰ পুত্ৰ দাৰা চিকো কাড্ৰী পন্থাৰ অনুগামী আছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নকেইটাৰ উত্তৰ লিখক ঃ

প্রশ্ন নং ৮ ঃ ভক্তিবাদৰ মূল নীতি কি আছিল?

.....

প্রশ্ন নং ৯ ঃ মধ্যযুগৰ ভক্তিবাদৰ চাৰি গৰাকী সংস্কাৰকৰ নাম লিখক।

.....

প্রশ্ন নং ১০ঃ চিষ্টি ছুফী পন্থীসকলৰ বিষয়ে কি জানে লিখক।

.....



৬.৬ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- দিল্লীৰ চুলতানীৰ ৰাজত্বকালত সমাজখন বিভিন্ন শ্রেণী আৰু জাতি-সম্প্রদায়ত বিভক্ত আছিল।
- অর্থনৈতিকভাৱে দিল্লীৰ চুলতানসকলৰ অধীনত ভাৰতে সবল স্থিতি লাভ কৰিছিল। উভয় আভ্যন্তৰীণ আৰু বহির্দেশীয় বেপাৰ- বাণিজ্যৰ পৰা প্রচুৰ লাভ হৈছিল।
- ভক্তি আন্দোলনে হিন্দু ধর্মৰ কুসংস্কাৰ আৰু কু-প্রথাসমূহ কঠোৰ ভাবে নিন্দা কৰিছিল যেনে কুসংস্কাৰপূর্ণ বিশ্বাস-পৰম্পৰা, জাতিভেদ প্রথা। অৱশ্যে এই অধ্যায়টো আপুনি ভাল দৰে অধ্যয়ন কৰিলে এইটো গম পাব যে উভয় ভক্তি আন্দোলন আৰু ছুফীবাদে নিম্ন শ্রেণী সমূহক আকৃষ্ট কৰিছিল। ইয়াৰ কাৰণ হ'ল যে এই দুয়োটা ধর্মতে কেৱল যে সমতাৰ বাণী প্রচাৰ কৰিছিল এনে নহয়, বৰঞ্চ তাক কার্যক্ষেত্রত পালনও কৰিছিল।



৬.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1. Chandra, Satish. (Reprint, 2008). *Medieval India: From Sultanate to*

the Mughals, (Delhi sultanate, 1206-1526) Part one. New Delhi, India : Haranand and Publications Pvt. Ltd.

2. Mazumdar, RC. (1990). *The Delhi Sultanate:* Bombay, India. Bharatiya Vidya Bhavan:

3. Prasad, Iswari. (1940). *History of Medieval India.* New Delhi, India: Indian Press.

৬.৮ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ইটালীয় পৰিব্ৰাজক

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজপুত সন্মান ৰক্ষা আৰু গৌৰৱ অক্ষুণ্ণ ৰখাৰ বাবে অনুষ্ঠিত কৰা হৈছিল। (মহিলাসকলৰ মাজত প্ৰচলিত)।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চ আৰু মধ্যবিত্ত শ্ৰেণীৰ মাজত দবা খেল, চৌপাৰ, তাচ খেল আদি জনপ্ৰিয় আছিল। কিছু সংখ্যক লোকেহে চিকাৰ, জন্তুৰ মাজৰ যুঁজ, চৌগান (পোলো) আদি খেলৰ সুবিধা পাইছিল। হাতী ধৰা আৰু বাঘ চিকাৰৰ বিশেষ সুবিধা সম্ৰাটে পাইছিল।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ টাইমুৰে

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ডমিংগো পেজে

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ডুৱার্টে বাৰবোছা, ডোমিংগো পেজ আৰু ফার্ণও নুনিজ।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ কুইলন।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মধ্যযুগত এক ধৰ্মীয় আন্দোলনে ভাৰতৰ বিভিন্ন প্ৰান্তত গা কৰি উঠিছিল যাক ভক্তি আন্দোলন বুলি জনা যায়। এই আন্দোলনে মুখ্যতঃ ভক্তিৰ ওপৰত অৰ্থাৎ ভগৱানৰ প্ৰতি সঁচা অনুৰূপত গুৰুত্ব দিছিল। সেই বাবে ই ভক্তি আন্দোলন বুলি পৰিচয় লাভ কৰিছিল। মধ্যযুগত হিন্দু ধৰ্মৰ অধঃপতন প্ৰকট হৈছিল। ব্ৰাহ্মণসকল দুৰ্নীতিগ্ৰস্ত হৈ পৰিছিল আৰু নিৰীহ লোকসকলক শোষণ কৰিছিল। ভক্তি আন্দোলনে অন্ধবিশ্বাস, জাতিভেদ আদি হিন্দু ধৰ্মৰ কুসংস্কাৰবিলাকৰ প্ৰবল বিৰোধিতা কৰিছিল। ভক্তিবাদে প্ৰচাৰ কৰিছিল যে ভগৱান এজনেই আৰু মানুহে নিজকে সম্পৰ্ণভাৱে ভগৱানৰ ওচৰত সমৰ্পণ কৰিব লাগে। ভক্তি আন্দোলনৰ সংস্কাৰকসকলে মূৰ্তি পূজাত বিশ্বাস কৰা নাছিল।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ ৰামানন্দ, নামদেৱ, কবীৰ, চৈতন্য

১০ নং প্ৰশ্নৰ উত্তৰ ঃ চিষ্টি ছুফীসকলে সৰল আৰু দৰিদ্ৰতাপূৰ্ণ জীৱন যাপন কৰিছিল। তেওঁলোকে ব্যক্তিগত সম্পত্তি আধ্যাত্মিক ব্যক্তিত্ব বিকাশৰ এক প্ৰতিবন্ধক বুলি গণ্য কৰিছিল। সেয়েহে তেওঁলোকে মূলতঃ দাতব্য প্ৰতিষ্ঠানত বাস কৰিছিল।

ছামা নামৰ এক সাংগীতিক আবৃত্তি পৰিৱেশন কৰি চিষ্টি চুফীসকল জনপ্রিয় হৈ পৰিছিল। ভগৱানৰ সৈতে এক অন্তৰংগ ভাৱনা সৃষ্টি কৰিবলৈ তেওঁলোকে ছামা পৰিৱেশন কৰিছিল। এই সন্তসকলে ৰাজনৈতিক বাতাবৰণৰ পৰা নিজকে নিলগাই ৰাখিছিল। বিখ্যাত চিষ্টি সন্তসকলৰ ভিতৰত উল্লেখযোগ্য আছিল খাজা মইনুদ্দিন চিষ্টি, বখটিয়াৰ খাকি, নিজামুদ্দিন আউলিয়া আৰু নাজিৰুদ্দিন চিৰাগ-ই-দালভি।



৬.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধৰ্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ মুছলমান শাসকসকলে অনা-মুছলমানসকলৰ ওপৰত কি কৰ আৰোপ কৰিছিল?

প্রশ্ন নং ২ ঃ কোন গৰাকী বিদেশী প্রৰিব্রাজকে কৈছিলে যে হিন্দু সমাজত ৮৪টা উপজাতি আছে?

প্রশ্ন নং ৩ ঃ দিল্লীত চুলতানসকলৰ কোন দুগৰাকী চুলতানে হেজাৰৰ সংখ্যাত ক্রীতদাস ৰাখিছিল?

প্রশ্ন নং ৪ ঃ চুলতান ফিৰোজ শ্বাহ টোঘলকে ক্রিতদাসৰ বাবে সৃষ্টি কৰা বিভাগটোৰ নাম কি আছিল?

(খ) চমু প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ 'সতী' বুলিলে কি বুজে?

প্রশ্ন নং ২ ঃ দিল্লীৰ চুলতানসকলৰ ৰাজত্বকালত হিন্দু সকলৰ জীৱন নির্বাহৰ মানদণ্ড কেনেকুৱা আছিল?

প্রশ্ন নং ৩ ঃ বিদেশী পর্যটক বাৰবোছাই বিজয়নগৰ ৰাজ্যৰ অর্থনীতিৰ বিষয়ে কি কৈ গৈছে?

প্রশ্ন নং ৪ ঃ নিম্ন শ্রেণীসমূহৰ মাজত ভক্তি ধৰ্ম আৰু ছুফীবাদ জনপ্রিয় হোৱাৰ কাৰণ কি?

(গ) ৰচনাধৰ্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন নং ১ ঃ দিল্লীৰ চুলতানসকলৰ ৰাজত্বত ভাৰতৰ বৈদেশীক বাণিজ্যৰ বিষয়ে কি জানে? ব্যাখ্যা কৰক।

প্রশ্ন নং ২ ঃ ছুফীবাদ বুলিলে কি বুজে? দিল্লীৰ চুলতানসকলৰ ৰাজত্বত ছুফীবাদে কি দৰে ভাৰতীয় সমাজত প্রভাৱিত কৰিছিল।

প্রশ্ন নং ৩ ঃ দিল্লীৰ চুলতানসকলৰ ৰাজত্বকালত সমাজত বর্তি থকা সামাজিক ভেদা ভেদসমূহ আলোচনা কৰক।

———————

অধ্যায় ৭ ঃ প্রাদেশিক ৰাজ্যবোৰৰ উত্থান

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ বিজয়নগৰ ৰাজ্য

৭.৪ বাহ্‌মনী ৰাজ্য

৭.৫ গুজৰাট

৭.৬ মালৱা

৭.৭ জৌনপুৰ

৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৯ অধিক জানিবলৈ

৭.১০ অগ্রগতিৰ খতিয়ান

৭.১১ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি—

- দিল্লীৰ চুলতানী বংশৰ পতনৰ পিছত প্রাদেশিক ৰাজ্যসমূহৰ উত্থানৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- বিজয়নগৰ, বাহ্‌মনী ৰাজ্যৰ লগতে গুজৰাট মালৱা আৰু জৌনপুৰৰ উত্থান-পতনৰ আলোচনা কৰিব পাৰিব, আৰু
- প্রাদেশিক ৰাজ্যসমূহৰ বিভিন্ন বংশৰ ৰজাৰ নেতৃত্বত ৰাজ্য সম্প্রসাৰণ আৰু শিল্পকলাৰ বিকাশত তেওঁলোকৰ ভূমিকা বর্ণনা কৰিব পাৰিব।

৭.২ পৰিচয়

দিল্লীৰ চুলতানী ভাঙোনমুখী হোৱাৰ সমান্তৰালভাৱে, দক্ষিণ ভাৰতত বিজয়নগৰ আৰু বাহ্‌মনী নামে দুখন শক্তিশালী স্বাধীন ৰাজ্যই ভুমুকি মাৰে। এই অধ্যায়টোত আমি দক্ষিণ ভাৰতত বিজয়নগৰ আৰু বাহ্‌মনী ৰাজ্যৰ উত্থান- পতনৰ বিষয়ে আলোচনা কৰিম। লগতে আন ৰাজ্য যেনে গুজৰাট, মালৱা, বাহ্‌মনী আৰু জৌনপুৰৰ উত্থান বিষয়েও ইয়াত আলোচনা কৰা হ'ব।

৭.৩ বিজয়নগৰ ৰাজ্য

বিজয়নগৰ ৰাজ্যৰ আদি উৎস লৈ পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়। অৱশ্যে সাধাৰণতে গ্ৰহণযোগ্য মতবাদ হ'ল যে এই ৰাজ্য হৰিহৰ আৰু বুক্কা নামে দুই ভাতৃয়ে প্ৰতিষ্ঠা কৰিছিল। কিছুমানে বিশ্বাস কৰে যে হৰিহৰ আৰু বুক্কা কৰ্ণাটকৰ **৭৫**-নায়ক গোটৰ লোক যিয়ে তুৰ্কী শাসকৰ বিৰুদ্ধে বিদ্রোহ কৰিছিল। প্ৰশাসনীয় ব্যৱস্থা গঢ় দিয়াৰ ক্ষেত্ৰত তেওঁলোকে চোল শাসনৰ পৰম্পৰা ব্যৱস্থাক অনুসৰণ কৰিছিল। লগতে কাকতীয় আৰু হোয়চাল শাসকসকলৰ তেলেগু আৰু কানাড়া পৰম্পৰাৰ শাসন ব্যৱস্থাও অনুসৰণ কৰিছিল। এনেদৰে তেওঁলোক কেৱল সাধাৰণ প্ৰাদেশিক নেতাই হৈ থকা নাছিল, তেওঁলোকে সমগ্ৰ দক্ষিণ ভাৰতকে প্ৰতিনিধিত্ব কৰিছিল। **১৩৩৬** খ্ৰীষ্টাব্দৰ পৰা **১৩৬৫** খ্ৰীষ্টাব্দলৈ প্ৰায় **১০০** বছৰকাল বিজয়নগৰ ৰাজ্য বৰ্তি আছিল। এই সময়ছোৱাত বিজয়নগৰত সংগ্ৰাম (Sangama), সালুভা (Saluva) আৰু তলুভা (Taluva) নামে তিনিটাকৈ ৰাজ বংশই শাসন কৰিছিল।

- **সংগম বংশ**

বিজয়নগৰ শাসন কৰা এইটো আছিল প্ৰথম বংশ। হৰিহৰ আৰু বুক্কা ভাতৃদ্বয় আছিল এই বংশৰ প্ৰতিষ্ঠাপক। তেওঁলোকৰ দেউতাক সংগমৰ নাম অনুসৰি এই বংশৰ নাম হয় সংগম বংশ। হৰিহৰ আছিল এই বংশৰ প্ৰথম শাসক আৰু তেওঁৰ ভাতৃ বুক্কাৰ সহযোগত ৰাজ্যৰ সীমা প্ৰসাৰিত কৰিবলৈ সক্ষম হৈছিল। তেওঁ কোংকান আৰু মালৱৰ উপকূল দখল কৰিছিল আৰু**১৩৪৬** খ্ৰীষ্টাব্দত হোয়চাল শাসক বিৰুপক্ষ বাল্লালৰ মৃত্যুৰ পিছত হোয়চাল প্ৰদেশখনো নিজৰ দখললৈ আনে। এনেদৰে অতি কম সময়ৰ ভিতৰত বিজয়নগৰ ৰাজ্যৰ পৰিসীমা উত্তৰে কৃষ্ণা আৰু দক্ষিণে কাবেৰীৰ ওচৰলৈ বৃদ্ধি পায়।

১৩৫২ খ্ৰীষ্টাব্দত বাহ্মনী ৰাজ্যৰ ৰজা আল্লাউদ্দিন হুচেইন শ্বাহে বিজয়নগৰ ৰাজ্য আক্ৰমণ কৰে আৰু হৰিহৰে ৰাজ্যৰ ভূখণ্ডৰ এটা অংশ ৰজাক দিবলৈ বাধ্য হয়। হৰিহৰ এজন সু প্ৰশাসক আছিল। তেওঁ ৰাজ্যখন বিভিন্ন অংশত ভাগ কৰিছিল আৰু প্ৰতিটো অংশ একোজন বিশ্বাসী ভাইচৰয় আৰু ৰাজ বংশৰ লোকক চোৱা-চিতা কৰিবলৈ দিয়া হৈছিল।

১৩৫৩ খ্ৰীষ্টাব্দত তেওঁৰ মৃত্যুৰ পিছত, বুক্কা বিজয়নগৰৰ ৰজা হয়। জ্যেষ্ঠ ভাতৃৰ দৰে তেৰোঁ আছিল এজন যোগ্য আৰু উদাৰ শাসক। তেওঁৰ নেতৃত্বত ৰাজ্য সমৃদ্ধিশালী হৈছিল। তেওঁ বাহ্মনী ৰজা মহম্মদ শ্বাহ আৰু মুজাহিদ শ্বাহৰ লগত যুদ্ধত লিপ্ত হ'ব লগা হৈছিল। তেওঁ ধৰ্মীয় ক্ষেত্ৰত সহিষ্ণুতা প্ৰদৰ্শন কৰিছিল যদিও তেওঁ নিজে হিন্দু ধৰ্ম পালন আৰু পৃষ্ঠপোষকতা কৰিছিল। দক্ষিণ ভাৰতৰ বহুতো ৰজাই কোনো সংঘাতত লিপ্ত নোহোৱাকৈ তেওঁৰ আধিপত্য মানি লৈছিল। তেওঁ আনকি কাঞ্চিৰৰম আৰু মাদুৰাইত নিজৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। **১৩৭৯** খ্ৰীষ্টাব্দত এইজনা ৰজাৰ মৃত্যু হয়।

বুক্কাৰ পিছত শাসনভাৰ লয় তেওঁৰ পুত্ৰ দ্বিতীয় হৰিহৰ ৰায়ে। তেওঁৰ শাসনৰ প্ৰাৰম্ভিক

সময়ছোৱাত বাহ্মনী ৰাজ্যৰ লগত সু-সম্পর্ক গঢ় লৈ উঠিছিল যদিও সি বেছি দিন বর্তি নাথাকিল। অতি সোনকালেই দুয়োখন ৰাজ্যৰ মাজত সংঘর্ষৰ সূত্রপাত ঘটে। দ্বিতীয় হৰিহৰ শিৱভক্ত আছিল আৰু বহু মন্দিৰ নির্মাণ কৰিছিল আৰু তেওঁ ধন সম্পত্তি দান কৰিছল। ১৪০৪ খ্ৰীষ্টাব্দত তেওঁৰ মৃত্যু হয়।

তেওঁৰ মৃত্যুৰ পিছত ৰজা হয় প্রথম দেৱ ৰায়। কিন্তু তেওঁ এজন দুর্বল শাসক হৈ সিংহাসনত উঠে। তেওঁৰ পিছৰজন শাসক বীৰ বিজয়ও দুর্বল আছিল। পৰৱর্তী শক্তিশালী ৰজা আছিল দ্বিতীয় দেৱ ৰায়। তেওঁ বিভিন্ন সংস্কাৰ সাধন কৰিছিল আৰু সেনাক শক্তিশালী কৰিবলৈ বিভিন্ন পদক্ষেপ হাতত লৈছিল। সাহিত্য, কলা, সংস্কৃতিৰো তেওঁ এজন পৃষ্ঠপোষক আছিল। তেওঁৰ শাসন কালতেই কানাড়া সাহিত্যই এক অতি উচ্চ স্থান দখল কৰিবলৈ সক্ষম হৈছিল। ধর্মীয় ক্ষেত্রত তেওঁ উদাৰনীতি গ্রহণ কৰিছিল আৰু বহুতো মন্দিৰ নির্মাণ কৰোৱাইছিল। তেওঁৰ শাসন কালত বহুতো বিদেশী পৰিব্রাজকে ভাৰত ভ্রমণ কৰিছিল।

১৪৪৯ খ্ৰীষ্টাব্দত দ্বিতীয় দেৱ ৰায়ৰ মৃত্যুৰ পিছত দুগৰাকী দুর্বল শাসক ৰাজপাটত উঠে। তেওঁলোকে ১৪৪৯ খ্ৰীষ্টাব্দৰ পৰা ১৪৯০ খ্ৰীষ্টাব্দলৈ শাসন কৰে। অতি সোনকালেই এই বংশটোৰ পতন ঘটে আৰু সালুভা বংশটোৱে বিজয়নগৰৰ শাসনভাৰ দখল কৰে।

- **সালুভা বংশ**

নৰসিংহ নামৰ ব্যক্তিজনে ১৪৮৬ খ্ৰীষ্টাব্দত এই বংশৰ প্রতিষ্ঠা কৰিছিল। এওঁ এগৰাকী শক্তিশালী শাসক আছিল আৰু সংগম বংশৰ ৰজাসকলে বাহ্মনী ৰজাসকলৰ ওচৰত হেৰুৱা অঞ্চলসমূহ পুনৰ দখল কৰে। প্রশাসন আৰু সেনাবাহিনীৰ সংস্কাৰৰ বাবে তেওঁ বহুতো পদক্ষেপ হাতত লৈছিল। তেওঁৰ মৃত্যুৰ পিছত ৰজা হয় ইমাদি নৰসিংহ। কিন্তু তেওঁ এজন দুর্বল আৰু আযোগ্য ৰজা আছিল আৰু ইয়াৰ সুযোগ লৈ তেওঁৰ সেনাপতিয়ে নিজৰ হাতত সকলো ক্ষমতা কুক্ষিগত কৰে আৰু কিছুদিন পিছত তেওঁ তালুভা নামে এক নতুন ৰাজবংশ প্রতিষ্ঠা কৰে।

- **তালুভা বংশ**

এই বংশটোৱে প্রায় ৬৫ বছৰ কাল বিজয়নগৰত শাসন চলায়। কৃষ্ণদেৱ ৰায় আছিল এই বংশৰ শ্রেষ্ঠ ৰজা। তেওঁ ১৫০৯ খ্ৰীষ্টাব্দৰ পৰা ১৫৩০ খ্ৰীষ্টাব্দলৈ শাসন কৰিছিল। তেওঁ এজন সাহসী, সফল সৈনিক, সেনাপতি, যোগ্য প্রশাসক আৰু সু-সংগঠক আছিল। দক্ষ সেনাপতি হিচাপে তেওঁ বিভিন্ন বিদ্রোহ সফলতাৰে দমন কৰিছিল আৰু বহুতো চুবুৰীয়া ৰাজ্যক তেওঁৰ আধিপত্য মানি ল'বলৈ বাধ্য কৰিছিল। কিছু বছৰ পিছত, ১৫২৭ খ্ৰীষ্টাব্দত তেওঁ বিজাপুৰৰ চুলতান আদিল শ্বাহক হৰুৱায়। বিজয়নগৰ ৰাজ্যৰ প্রধান শত্রু আছিল বাহ্মনী ৰাজ্য আৰু সেয়ে বাহ্মনী ৰাজ্যৰ লগত মোকাবিলা কৰিবলৈ তেওঁ পর্তুগীজসকলৰ লগত এক বুজাপৰালৈ আহে।

- **কলা-সংস্কৃতিৰ প্রতি কৃষ্ণ দেৱ ৰায়ৰ অৱদান**

মাতৃৰ স্মৃতিত তেওঁ বিজয়নগৰৰ কাষতে নগলপুৰম নামে এখন নগৰ নির্মাণ কৰিছিল। তেওঁ এজন বিদ্বান ব্যক্তি হোৱাৰ লগতে কলা-সংস্কৃতিৰ এজন মহান পৃষ্ঠপোষক আছিল লগতে

তেওঁ সংস্কৃত আৰু তেলেগু ভাষাত বহু কিতাপ লিখিছিল। তেওঁৰ ৰাজসভাত তেওঁ আঠগৰাকীকৈ সাহিত্যিকক পৃষ্ঠপোষকতা আগবঢ়াইছিল যাক অষ্ট-দিগ-গজ বোলা হৈছিল। তেওঁ সংস্কৃতত দুখন নাটক ৰচনা কৰিছিল। ক্ৰমে-জাম্বৱতী কল্যাণম্ (Jambavati Kalyanam) আৰু উষা পৰিণয়ম ((Usha Parinayam) আৰু তেলেগু ভাষাত এখন অমুক্তমাল্যডা ((Amuktamalyada)।

তেওঁৰ কার্যাৱলীয়ে বিজনগৰ সাম্ৰাজ্যলৈ সুনাম কঢ়িয়াইছিল আৰু এইখিনি সময়তে ই সফলতাৰ উচ্চ শিখৰ লাভ কৰিছিল। বহু পণ্ডিতে তেওঁক বিজয়নগৰ সাম্ৰাজ্যৰ শ্ৰেষ্ঠ ৰজা বুলি অভিহিত কৰে। তেওঁৰ মৃত্যু হয় **১৫৩০** খ্ৰীষ্টাব্দত। তেওঁৰ পৰৱৰ্তী শাসকসকল দুৰ্বল আছিল।

- **তালিকোটা যুদ্ধ আৰু বিজয়নগৰ সাম্ৰাজ্যৰ পতন**

১৫৬৫ খ্ৰীষ্টাব্দত বিজয়নগৰত আক্ৰমণ হয় আৰু তালিকোটা নামে ঠাইত দাক্ষিণাত্যৰ চাৰিগৰাকী চুলতানৰ মিত্ৰ শক্তিৰ হাতত বিজয়নগৰৰ ৰজাই শোচনীয় পৰাজয়ৰ সন্মুখীন হ'ব লগা হয়। মিত্ৰ শক্তিৰ দ্বাৰা বিজয়নগৰত ব্যাপক ধ্বংসলীলা সূচনা হয় আৰু লুণ্ঠিত কৰা হয়। তালকোটাৰ যুদ্ধৰ পিছত বিজয়নগৰৰ শক্তি কমি আহে আৰু বহু অঞ্চল মুছলমান শাসকৰ অধীনলৈ যায়। বিজয়নগৰৰ পতনৰ সমান্তৰালভাৱে পর্তুগীজসকলেও দাক্ষিণাত্যত। বিপর্যয়ৰ সন্মুখীন হয়।

অৱশ্যে তালিকোটাৰ যুদ্ধৰ পিছত তৎকালীনভাৱে বিজয়নগৰৰ পতন হোৱা নাছিল। ইয়াৰ পিছতো ই বর্তি আছিল। সেই সময়তে মুছলমান শাসকসকলৰ মাজত পাৰস্পৰিক ঈর্ষাৰ বাবে যিবিলাক দুর্বল হৈ পৰিছিল। ইয়াৰ তিৰুমালাৰ টিৰোমা নেতৃত্বত বিজয়নগৰ ৰাজ্য পুনৰ ঠন ধৰি উঠে। কিন্তু পৰৱৰ্তী শাসকসকলৰ অকর্মণ্যতা আৰু দুর্বলতাৰ বাবে অৱশেষত **১৬৫১**খ্ৰীষ্টাব্দত বিজয়নগৰ ৰাজ্যৰ অস্তিত্ব চিৰ দিনলৈ লোপ পালে।



জানি থোৱা ভাল

বিজয়নগৰ ৰাজ্য ভ্ৰমণ কৰা কেইজনমান ভ্ৰমণকাৰী

নাম	দেশ	সমসাময়িক শাসক
ক) ইবন বটুতা	আফ্ৰিকা (মৰক্কো)	প্ৰথম হৰিহৰ
খ) নিকোলো দ্য কন্টি	ইটালী	প্ৰথম দেৱ ৰায়
গ) আব্দুৰ ৰাজ্জাক	পাৰস্য	দ্বিতীয় দেৱ ৰায়
ঘ) ডোমিংগো পিয়াজ	পৰ্তুগাল	কৃষ্ণদেৱ ৰায়
ঙ) ডুৰার্টো ইডৰার্ডো বাৰবোছা	পৰ্তুগাল	কৃষ্ণদেৱ ৰায়



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ১ঃ বিজয়নগৰ ৰাজ্য কোনে প্রতিষ্ঠা কৰিছিল?

প্রশ্ন নং ২ঃ সংগম বংশৰ প্রতিষ্ঠাপক কোন আছিল?

প্রশ্ন নং ৩ঃ সালুভা বংশৰ প্রতিষ্ঠাপক কোন আছিল?

প্রশ্ন নং ৪ঃ সিংহাসনত হৰিহৰৰ উত্তৰাধিকাৰী কোন আছিল?

প্রশ্ন নং ৫ঃ কোনজন বিজয়নগৰৰ ৰজাই নগলপুৰম নগৰ নির্মাণ কৰিছিল?

৭.৪ বাহ্‌মনী ৰাজ্য

দক্ষিণ ভাৰতৰ আন এক উল্লেখনীয় প্রাদেশিক শক্তি আছিল বাহ্‌মনী ৰাজ্য। চুলতানী সম্রাটসকলৰ প্রত্যক্ষ নিয়ন্ত্রণত চুবেদাৰ এজনে ইয়াৰ প্রশাসন চলাইছিল। বাহ্‌মনী ৰাজ্যৰ চুবেদাৰ কুটলোগ খানে ইছমাইল মাখ আৰু হাছান গংগোৰ সমর্থনত মোহম্মদ বিন টোঘলকৰ বিপক্ষে বেদ্রোহ ঘোষণা কৰে। কিন্তু অতি ক্ষিপ্রতাৰে টোঘলকে এই বিদ্রোহ দমন কৰে।

অৱশ্যে নাছিৰুদ্দিন শ্বাহ আৰু হাছান গংগোৱে বিদ্রোহ চলাই নিয়ে আৰু অৱশেষত **১৩৪৭** খ্রীষ্টাব্দত হাছান গংগোক বাহ্‌মনী ৰাজ্যৰ ৰজা ঘোষিত কৰা হয়। তেওঁৰ নাম হয় আব্দুল মোজাফৰ আলাউদ্দিন বাহ্‌মন শ্বাহ। অৱশ্যে বাহ্‌মনী সাম্রাজ্যৰ আৰম্ভণি সম্পর্কে পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়।

হাছান গংগো ওৰফে বাহ্‌মন শ্বাহ এজন দক্ষ শাসক হিচাপে স্বীকৃত হয়। তেওঁৰ শাসনকালতেই বাহ্‌মনী ৰাজ্যৰ সীমা উত্তৰে ৰাইগংগাৰ পৰা দক্ষিণে কৃষ্ণালৈ আৰু পশ্চিমে দৌলতাবাদৰ পৰা পূর্বত ভংগীৰ পর্যন্ত বিস্তৃত হয়। তেওঁ ৰাজধানী গুলবার্গালৈ স্থানান্তৰিত কৰে আৰু শাসনৰ সুবিধাৰ বাবে ৰাজ্যখনক চাৰিখন প্রদেশত ভাগ কৰে যেনে — গুলবার্গা, দৌলতাবাদ, বেৰাৰ

আৰু বিদাৰ। প্রতিখন প্রদেশ একোজনকৈ গৱর্ণৰ অধীনত আছিল আৰু তেওঁলোকক সামৰিক আৰু অসামৰিক বিষয়া নিযুক্তিৰ ক্ষমতা দিয়াৰ লগতে নিজাববীয়াকৈ সৈন্যবাহিনী মকৰল কৰাৰ ক্ষমতাও দিয়া হৈছিল। ১৩৫৮ চনত তেওঁৰ মৃত্যু হয়।

তেওঁৰ মৃত্যুৰ পিছত মোহম্মদ শ্বাহ প্রথম ৰজা হয়। এইজনা ৰজাইও চুবুৰীয়া হিন্দু ৰাজ্য ৱাৰাংগল আৰু বিজয়নগৰৰ বিৰুদ্ধে যুদ্ধ যাত্রা অব্যাহত কৰে।

তেওঁ নিয়ম-শৃংখলাৰে দক্ষতাৰে ৰাজ্যৰ পৰিচালনা কৰিছিল আৰু সকলো সুৰাৰ ভাটি বন্ধ কৰাৰ কঠোৰ নির্দেশ দিছিল। **১৩৭৫** খ্রীষ্টাব্দত তেওঁৰ মৃত্যুৰ পিছত পুতেক আল্লাউদ্দিন মুজাহিদ সিংহাসনত উঠে। কিন্তু তেওঁ মাত্র তিনি বছৰহে শাসন কৰিবলৈ সক্ষম হয়। তেওঁক তেওঁৰ সম্পর্কীয় ভাতৃ দাউড খানে হত্যা কৰে। যি দাউড খান নিজেও পাছত হত্যাৰ চিকাৰ হয়।

ইয়াৰ পিছত ৰজা হয় দ্বিতীয় মোহম্মদ শ্বাহ যিয়ে শান্তি-মৈত্রীৰ নীতি অনুসৰণ কৰিছিল আৰু বিজয়নগৰ ৰজাৰ লগত কোনো যুদ্ধত লিপ্ত হোৱা নাছিল। তেওঁ বেছিভাগ সময় সাহিত্য আৰু পাণ্ডিত্যপূর্ণ আলোচনা কৰি পাৰ কৰিছিল।

তেওঁৰ মৃত্যুৰ পিছত দুগৰাকী দুর্বল ৰজাই সিংহাসনত উঠে আৰু মাত্র কেইমাহমানহে শাসন কৰে। **১৩৯৭** খ্রীষ্টাব্দত আল্লাউদ্দিন হাছান বাহ্মনীৰ নাতি তাজাউদ্দিন ফিৰোজ শ্বাহে ওৰফে ফিৰোজে ৰাজপাট দখল কৰে। ব্যৱসায়-বাণিজ্যৰ বিকাশৰ বাবে তেওঁ দুটা বন্দৰ ক্রমে চৌল আৰু দাভোলৰ ব্যৱস্থা কৰে যিয়ে বিদেশৰ লগত লাভজনক ব্যৱসায়ৰ পথ মুকলি কৰে আৰু ই ৰাজ্যৰ সমৃদ্ধি বৃদ্ধি কৰে। বিজয়নগৰৰ লগত হোৱা তিনিখনকৈ যুদ্ধত তেওঁ জয়লাভ কৰাৰ বিপৰীতে শেষৰখনত পৰাজিত হয়। ইয়াৰ লগে লগে তেওঁৰ ভাতৃ আহ্মেদে **১৪২২** খ্রীষ্টাব্দত তেওঁক সিংহাসনচ্যুত কৰে আৰু তেওঁৰ বিলাসিতাপূর্ণ জীৱনে প্রশাসন ব্যৱস্থাত অৰাজকতাৰ সৃষ্টি কৰে।

আহ্মেদ শ্বাহে **১৪২২** খ্রীষ্টাব্দৰ পৰা **১৪৩৫** খ্রীষ্টাব্দলৈ শাসন কৰে। বিজয়নগৰৰ প্রতি তেওঁ এক আগ্রাসী নীতি অৱলম্বন কৰে আৰু ইয়াৰ ৰজাক বুজন পৰিমাণৰ ক্ষতিপূৰণ দিবলৈ বাধ্য কৰায়। তেওঁ ৱাৰাংগল দখল কৰি ৰজাক হত্যা কৰে। তদুপৰি তেওঁ মালৱা আৰু গুজৰাটৰ লগত সংঘাত ত লিপ্ত হয় যদিও বিশেষ সফলতা লাভ কৰা নাছিল। **১৪২৫** খ্রীষ্টাব্দত তেওঁ ৰাজধানী বিদাৰলৈ সলনি কৰে। ইয়াৰ কাৰণ আছিল তাৰ সুন্দৰ জলবায়ু আৰু যুদ্ধৰ বাবে উপযুক্ত স্থান। **১৪৩৬** খ্রীষ্টাব্দত তেওঁৰ মৃত্যু হয়।

তেওঁৰ মৃত্যুৰ পিছত জেষ্ঠ পুত্র দ্বিতীয় আলাউদ্দিন সিংহাসনত উঠে আৰু **১৪৩৫** খ্রীষ্টাব্দৰ পৰা **১৪৫৭** খ্রীষ্টাব্দলৈ তেওঁ শাসন কৰে। তেওঁৰ শাসন কালত তেওঁ ভাতৃ মোহম্মদে বিদ্রোহ ঘোষণা কৰে। অৱশ্যে তেওঁ দক্ষতাৰে এই বিদ্রোহ দমন কৰে আৰু কোংকান আক্রমণ কৰি তেওঁৰ প্রভুত্ব মানি ল'বলৈ বাধ্য কৰায়।

১৪৫৭ খ্রীষ্টাব্দত হুমায়ুন ৰজা হয়। তেওঁ এজন সাহসী কিন্তু অত্যাচাৰী ৰজা আছিল।

তেওঁৰ মৃত্যুৰ পিছত মোহম্মদ গাৱানে তেওঁৰ মাউৰা সন্তান নিজামক সিংহাসনত বহুৱায় আৰু ৰাণীক শাসনৰ ক্ষমতা দিয়া হয়। সেই সময়তে উৰিষ্যা তেলেংগনাৰ ৰজাই বাহ্মনী ৰাজ্য আক্রমণ কৰে যদিও বিফল হয়। মালৱা ৰজা মাহমুদ খিলজীয়েও আক্রমণ কৰে যদিও গুজৰাটৰ মাহমুদ বাগাৰাৰ হস্তক্ষেপৰ বাবে সফল হ'ব নোৱাৰিলে। সেই সময়তে শিশু সম্রাটৰ **১৪৬৩** খ্রীষ্টাব্দত মৃত্যু হয়।



জানি থোৱা ভাল

দাক্ষিণাত্যৰ প্রশাসকসকলৰ ভিতৰত মাহমুদ গাৱণ শ্রেষ্ঠ আছিল। তেওঁ ইৰানৰ লোক আছিল। দাক্ষিণাত্যলৈ ব্যৱসায়ৰ বাবে আহোতে দ্বিতীয় আলাউদ্দিনে তেওঁক ৰাজসভাত আমিৰ পদবী দিয়ে। তেওঁ সামৰিক প্রশাসন সুসংগঠিত কৰে আৰু ইয়াৰ নিয়ন্ত্রণ চুলতানৰ হাতত অর্পণ কৰে।

নিজাম শ্বাহৰ মৃত্যুৰ পিছত তেওঁৰ তৃতীয় কনিষ্ঠ ভাতৃ মোহম্মদ শ্বাহ সিংহাসনত অধিষ্ঠিত হয়। এই সময়ছোৱাত প্রশাসনত মোহম্মদ গাৱানে যথেষ্ট প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। তৃতীয় মোহম্মদ শ্বাহৰ কালত ৰাজ্যৰ যথেষ্ট উন্নতি হৈছিল, যাৰ কৃতিত্বৰ অধিকাৰী আছিল মোহম্মদ গাৱান। তেওঁ কোংকান আৰু বিজয়নগৰ আক্রমণ কৰি সফলতা অর্জন কৰে। লগতে কাঞ্চিভৰম আক্রমণ কৰি লুট কৰে। কোন্দাপল্লীৰ মন্দিৰ আক্রমণ কৰি ধ্বংস কৰা হয় আৰু ইয়াৰ ভক্তসকলক হত্যা কৰা হয়। তেওঁ হিন্দু বিৰোধী আছিল আৰু হিন্দুক অত্যাচাৰ কৰিয়েই গাজী উপাধি লৈছিল।

তৃতীয় মোহম্মদ শ্বাহৰ মৃত্যুৰ পিছত তেওঁৰ নাবালক সন্তান মাহমুদ শ্বাহ ৰজা হয়। কিন্তু তেওঁ এজন দুর্বল ৰজা আছিল। তেওঁ শাসন কালত বিদেশী মূলৰ বিষয়াসকল যেনে- তুৰ্কী, মোগল, পাৰ্চী ইত্যাদি আৰু ভাৰতীয় মূলৰ বিষয়াসকলৰ মাজত সংঘাত তীব্রতৰ হৈছিল। দুয়োপক্ষৰ বিষয়াসকলে পৰস্পৰে পৰস্পৰক বিৰোধিতা কৰিছিল আৰু সেয়ে প্রশাসন যন্ত্র সঠিকভাৱে চলাই নিয়াত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। তৃতীয় মোহম্মদ শ্বাহৰ সময়ত মোহম্মদ গাৱণৰ মৃত্যুদণ্ড ভাৰতীয় বিষয়াসকলৰ ষড়যন্ত্র আছিল। মাহমুদ শ্বাহে এই বিষয়াসকলক নিয়ন্ত্রণ কৰাত ব্যর্থ হৈছিল আৰু প্রশাসনৰ সমস্ত দায়িত্ব এজন তুৰ্কী বিষয়া কাছিম বাৰিদক অর্পণ কৰিছিল।

প্রাদেশিক শাসকসকলে তেওঁৰ এই সিদ্ধান্ত ভালপোৱা নাছিল আৰু নিজৰ স্বাধীনতা ঘোষণা কৰিছিল। **১৫১৮** খ্রীষ্টাব্দত মাহমুদ শ্বাহৰ মৃত্যুৰ পিছত তিনিগৰাকীকৈ দুর্বল শাসকে সিংহাসন আৰোহণ কৰে। কিন্তু মূল ক্ষমতা কাছিম বাৰিদ উল-মুমালক আৰু তেওঁৰ মৃত্যুৰ পিছত পুত্র আমিৰ আলি বাৰিদৰ হাতত ন্যস্ত থাকে। এই বিষয়াসকলৰ ওচৰত ৰজাসকল পুতলা

দৰে আছিল। বাহ্মনী ৰাজ্যৰ শেষৰ ৰজা আছিল কালিমুল্লাৰ আৰু **১৫৩৮** খ্ৰীষ্টাব্দত তেওঁৰ মৃত্যুৰ লগে লগে বাহ্মনী ৰাজ্যৰ পতন ঘটে।

বাহ্মনী ৰাজ্যৰ পতনৰ পিছত পাঁচখন স্বাধীন ৰাজ্য গঢ় লৈ উঠে । ক্ৰমে আদিল শ্বাহী বংশৰ অধীনত বিজাপুৰ, নিজামশ্বাহী বংৰ অধীনত আহমেদনগৰ, ইমাদশ্বাহী বংশৰ অধীনত বেৰাৰ, কুটুবশ্বাহী বংশৰ অধীনত বিদাৰ গোলকুণ্ডা। এই ৰাজ্যকেইখনে এখনে আনখনৰ লগত যুদ্ধত লিপ্ত হৈ আছিল। অৱশ্যে এবাৰ ৰাজ্যকেইখন একগোট হৈছিল। সেয়া হ'ল **১৫৬৫** খ্ৰীষ্টাব্দৰ টালিকোটা যুদ্ধৰ সময়ত য'ত মিত্ৰ শক্তিয়ে বিজয়নগৰক পৰাজিত কৰিছিল। এই মুছলিম ৰাজ্যবোৰ শেষত মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰা হৈছিল।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ৬ঃ বাহ্মন শ্বাহৰ মৃত্যুৰ পিছত পৰৱৰ্তী ৰজা কোন আছিল? নাম উল্লেখ কৰক।

প্ৰশ্ন নং ৭ঃ বাহ্মনী ৰাজ্যৰ শেষৰজন ৰজা কোন আছিল?

৭.৫ গুজৰাট

১২৯৭ খ্ৰীষ্টাব্দত আলাউদ্দিন খিলজীয়ে দিল্লী চুলতানী সাম্ৰাজ্যৰ লগত ইয়াক সংযোগ কৰাৰ পিছৰে পৰা একোজন মুছলমান গৱৰ্ণৰৰ সহায়ত গুজৰাট শাসন কৰি থকা হৈছিল। অৱশ্যে সুযোগ গ্ৰহণ কৰি তেতিয়াৰ গৱৰ্ণৰ খান জফৰে চুলতানী শাসন ওফৰাই স্বাধীনতা ঘোষণা কৰে।

তেওঁৰ পুত্ৰ টাটাৰ খানে ষড়যন্ত্ৰমূলকভাৱে খান জফৰক কাৰাগাৰত থয় আৰু নাছিৰুদ্দিন মোহম্মদ শ্বাহ উপাধি গ্ৰহণ কৰি শাসন ক্ষমতা কুক্ষিগত কৰে। কিন্তু অতি সোনকালে তেওঁক হত্যা কৰা হৈছিল আৰু জফৰ খান পুনৰ ৰজা হয়। তেওঁ মুজাফৰ শ্বাহ নাম লৈ **১৪১১** খ্ৰীষ্টাব্দলৈ শাসন কৰে। তেওঁৰ শাসন কালত তেওঁ মালৱা ৰজা হুচংগ শ্বাহৰ লগত সংঘাতত লিপ্ত হয় আৰু যুদ্ধত তেওঁক পৰাজিত কৰে। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ নাতিয়েক প্ৰথম আহমদ শ্বাহ ১৪১১ খ্ৰীষ্টাব্দত ৰজা হয়। সময়ত তেওঁ আটাইতকৈ শক্তিশালী শাসক হিচাপে পৰিগণিত হয় আৰু প্ৰায় **৩২** বছৰকাল শাসন কৰে। কিন্তু তেওঁৰ শাসনকাল সংঘাতমুক্ত নাছিল। শাসনভাৰ লোৱাৰ কিছুদিন পিছতেই তেওঁ খুৰাকহঁতৰ ফালৰ পৰা কঠিন বিদ্ৰোহৰ সন্মুখীন হ'ব লগা হয়। অৱশ্যে সেইবোৰ তেওঁ কঠোৰ হাতেৰে দমন কৰে। ৰাজ্য প্ৰসাৰ কৰা প্ৰচেষ্টাত তেওঁ কেইবাখনো চুবুৰীয়া ৰাষ্ট্ৰৰ যেনে মালৱা, ৰাজস্থান আদিৰ লগত সংঘাতত লিপ্ত হয়। তেওঁ আনকি সৌৰাষ্ট্ৰ

দখল কৰিবলৈ চেষ্টা কৰে আৰু **১৪১৪-১৫** খ্ৰীষ্টাব্দত গিৰ্ণাৰৰ হিন্দু ৰজাক কৰ দিবলৈ বাধ্য কৰায়। ইয়াৰ দুবছৰ পিছত তেওঁ খন্দেছৰ ৰজাক পৰাস্ত কৰে। তেওঁ বাহ্মনী ৰজা চুলতান আহমেদৰ পৰা সফলতাৰে থানে আৰু মহিম নিজৰ অধীনলৈ নিয়ে। তেওঁ আনকি দুবাৰকৈ মেৱাৰ দখল কৰে। **১৪৩৭** খ্ৰীষ্টাব্দত আহমদ শ্বাহে মান্দু অধিকাৰ কৰে আৰু মাহমুদ শ্বাহ খিলজিক পৰাস্ত কৰে।

প্ৰশাসন ব্যৱস্থা পুনৰ্গঠনত আহমদ শ্বাহে যথেষ্ট গুৰুত্ব দিছিল। তেওঁ ন্যায়, উদাৰতা আৰু দানশীলতাৰ বাবে জনাজাত আছিল। অৱশ্যে ধৰ্মৰ ক্ষেত্ৰত তেওঁ বৰ কঠোৰ আছিল আৰু হিন্দুসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লৈছিল। বিভিন্ন প্ৰাসাদ, ঘৰ আদি নিৰ্মাণত তেওঁ মুক্তহস্তে দান দিছিল। তেওঁ সবৰমতী নদীৰ পাৰত আধুনিক এলাহাবাদ চহৰখন নিৰ্মাণ কৰিছিল আৰু তাৰৈকে ৰাজধানী স্থানান্তৰিত কৰিছিল।

তেওঁ মৃত্যুৰ পিছত জ্যেষ্ঠ পুত্ৰ মোহম্মদ শ্বাহ ৰজা হয়। তেওঁ দেউতাকৰ ৰাজ্য বিজয় নীতি অনুসৰণ কৰে আৰু ইদাৰ আৰু দুংগাৰপুৰ দখল কৰে। **১৪৫১** খ্ৰীষ্টাব্দত মোহম্মদ শ্বাহৰ মৃত্যু হয়। ইয়াৰ পিছৰ ৰজা আছিল আবুল ফাটেহ খান যিয়ে পিছলৈ মোহম্মদ শ্বাহ উপাধি লৈছিল আৰু প্ৰায় **৫৩** বছৰকাল শাসন কৰিছিল। তেওঁ অৱশ্যে মোহম্মদ বেগাৰা নামেহে জনপ্ৰিয় আছিল। তেওঁ এগৰাকী সফল যুদ্ধ বিজেতা আৰু দক্ষ প্ৰশাসক আছিল। সিংহাসনত উঠিয়েই তেওঁ বিদ্ৰোহী বিষয়াসকলক দমন কৰিছিল যিয়ে তেওঁৰ দেউতাকক তেওঁৰ বিৰুদ্ধে উচটনি দিছিল। তাৰ পিছত তেওঁ ৰাজ্য জয় নীতি অৱলম্বন কৰে আৰু কচ্চৰ চুম্ৰা আৰু সোধা মুখিয়ালসকলক পৰাজিত কৰে।

ইয়াৰ পিছত তেওঁ ৰাজা মান্দালিকৰ পৰা গিৰ্ণাৰ আৰু জুনাগড় দখল কৰে। তেওঁ চাম্পানাইৰ দুৰ্গ দখল কৰি ইয়াক মোহম্মদবাদ বুলি নতুন নামকৰণ কৰে। শাসনকালৰ শেষৰ পিনে তেওঁ ইজিপ্তৰ শাসলকৰ লগ লাগি পৰ্তুগীজসকলক ভাৰতৰ সমুদ্ৰৰ পৰা খেদি পঠিয়াবলৈ এক অভিযান চলায়। মিত্ৰ শক্তিয়ে প্ৰথমে **১৫০৯** খ্ৰীষ্টাব্দত পৰ্তুগীজসকলক পৰাস্ত কৰে যদিও অতি শীঘ্ৰে পৰ্তুগীজে শকতি পুনৰ আহৰণ কৰে আৰু গুজৰাট আৰু ইজিপ্তৰ মিত্ৰ শক্তিক পৰাজিত কৰাৰ লগতে বিজাপুৰৰ চুলতানৰ পৰা গোৱা দখল কৰে।

মোহম্মদ শ্বাহৰ উত্তৰাধিকাৰী হয় তেওঁৰ পুত্ৰ দ্বিতীয় মুজাফৰ। তেওঁ ৰাজপুতসকলৰ বিপক্ষে যুদ্ধ কৰিছিল আৰু মালৱাৰ সিংহাসনত মাহমুদ খিলজীক পুনৰ অধিষ্ঠিত কৰিছিল। ইয়ে তেওঁক মেৱাৰৰ ৰাণাসকলৰ লগত সংঘাতত লিপ্ত কৰোৱায়। তেওঁ যদিও মেৱাৰৰ বিপক্ষে এক সেনাবাহিনী প্ৰেৰণ কৰিছিল, সম্ভৱতঃ পিছ হুহুকিব লগা হৈছিল। **১৫২৬** খ্ৰীষ্টাব্দত এইজনা ৰজাৰ মৃত্যু হয়।

ইয়াৰ পিছত একেৰাহে দুজনকৈ দুৰ্বল ৰজাই সিংহাসন আৰোহণ কৰে। পৰৱৰ্তী শক্তিশালী ৰজা আছিল দ্বিতীয় মোজাফৰৰ পুত্ৰ বাহাদুৰ শ্বাহ। তেওঁ **১৫২৬** খ্ৰীষ্টাব্দৰ পৰা **১৫৩৭** খ্ৰীষ্টাব্দলৈ শাসন কৰে আৰু এজন সফল ৰজা হিচাপে পৰিগণিত হয়। পূৰ্বৱৰ্তী

শাসকসকলৰ দৰে তেওঁ ৰাজ্য বিজয় নীতি অনুসৰণ কৰে। তেওঁ মালৱাৰ দ্বিতীয় মোহম্মদক পৰাস্ত কৰে আৰু তেওঁৰ ৰাজ্য গুজৰাট দখল কৰে ১৫৩১ খ্ৰীষ্টাব্দত। তেওঁ আনকি হুমায়ুনৰ লগতো যুদ্ধত লিপ্ত হ'ব লগা হৈছিল কাৰণ তেওঁৰ হুমায়ুনৰ এজন অপৰাধীক ৰাজ্যত আশ্রয় দিছিল। ফলত দুয়োজনৰ মাজত যুদ্ধ হৈছিল যত হুমায়নে বাহাদুৰ শ্বাহক পৰাস্ত কৰিছিল। অৱশ্যে কিছুদিন পিছতে হুমায়ুন বংগলৈ যোৱাত তেওঁ পুনৰ সিংহাসন দখল কৰে। বাহাদুৰ শ্বাহৰ পিছত শক্তিশালী ৰজাৰ অনুপস্থিতিত ১৫৭২ খ্ৰীষ্টাব্দত গুজৰাট মোগল সাম্রাজ্যৰ অধীনলৈ যায়।



অগ্রগতিৰ নিৰীক্ষণ

প্রশ্ন নং ৮ঃ গুজৰাট ৰাজ্য কোনে স্থাপন কৰিছিল?

প্রশ্ন নং ৯ঃ চাম্পানাইৰ দুর্গক মুহম্মদবাদ নামকৰণ কোনে কৰিছিল?

৭.৬ মালৱা

দশম শতিকাৰ এখন উল্লেখযোগ্য ৰাজ্য আছিল মালৱা য'ত পৰমাৰ ৰাজপুতসকলে শাসন কৰিছিল আৰু ই সফলতাৰ শিখৰত উঠে ৰাজা ভোজৰ শাসনকালত। ১২৩৫ খ্ৰীষ্টাব্দত ইলত্যুৎমিছে মালৱা আক্রমণ কৰে আৰু ১৩০৫ খ্ৰীষ্টাব্দত আলাউদ্দিনে মালৱা দখল কৰে। তেতিয়াৰে পৰা ১৪০১ খ্ৰীষ্টাব্দলৈ মুছলমান গৱর্ণৰৰ দ্বাৰা মালৱা শাসন কৰা হৈছিল।

সেই বছৰত ফিৰোজ শ্বাহ টোঘলকৰ অধীনৰ জমিদাৰ দিলৱাৰ খানে মালৱাৰ স্বাধীনতা ঘোষণা কৰে আৰু নিজকে ৰজা হিচাপে ঘোষণা কৰে। তেওঁৰ পুত্র অল্প খানে হুচংগ শ্বাহ নাম লৈ ১৪০৫ খ্ৰীষ্টাব্দত সিংহাসন আৰোহণ কৰে। তেওঁ এজন উচ্চকাংক্ষী ৰজা আছিল আৰু দিল্লী, জৌনপুৰ আৰু বাহম্নী ৰাজ্যৰ লগত যুদ্ধত লিপ্ত হৈছিল যদিও সফল হ'ব পৰা নাছিল। তেওঁ মাত-মন্দুত এখন নতুন ৰাজধানী স্থাপন কৰে।

তেওঁৰ পিছত গজনী ৰজা হয়। পিছে এজন অসমর্থ ৰজা হোৱা হেতুকে তেওঁক ওফৰাই তেওঁৰ ৰাজিৰ মাহমুদ খান ৰজা হয়। মাহমুদ খানে স্থাপন কৰা বংশটোক মালৱাৰ খিলিজি বংশ বুলি জনা যায়। তেওঁ এজন সামর্থবান ৰজা আছিল আৰু পূর্বৱর্তী শাসকসকলৰ দৰে তেওঁ গুজৰাট, ৰাজপুতানা আৰু বাহ্মনী ৰাজ্যৰ লগত যুদ্ধত লিপ্ত হৈছিল। তেওঁৰ ৰাজ্যৰ সীমা দক্ষিণে সাতপুৰা আৰু পশ্চিমে গুজৰাটৰ সীমা পর্যন্ত বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। পূবে তেওঁৰ ৰাজ্য বুন্দেলখন্দ আৰু উত্তৰে মেৰাৰ আৰু হাৰউটি পর্যন্ত বিস্তৃত আছিল। তেওঁ আনকি চিট্টোৰৰ ৰজা ৰজা কুম্ভৰ লগতো যুদ্ধত লিপ্ত হয় যদিও ইয়াৰ কোনো ফলাফল ওলোৱা নাছিল।

তেওঁৰ উত্তৰাধিকাৰী হয় গিয়াচুদ্দিন খিলজী। অৱশ্যে পিতাকে গ্রহণ কৰা নীতিৰ বিপৰীতে তেওঁ চুবুৰীয়া ৰাজ্যৰ লগত শান্তি বজাই ৰখাটো বিচাৰিছিল। তেওঁক পুতেক নাচিৰুদ্দিনে ১৫০০ খ্ৰীষ্টাব্দত বিহ খুৱাই হত্যা কৰে আৰু ৰজা হয়। ১৫১০ খ্ৰীষ্টাব্দত দ্বিতীয় মাহমুদ

নাচিৰুদ্দিনৰ পৰৱৰ্তী ৰজা হয়। এই সময়ছোৱাত মুছলমান বিষয়াসকলে যথেষ্ট প্রভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। এনে প্রভাৱৰ পৰা মুক্তি পাবলৈ তেওঁ মেদিনী ৰায় ৰাজপুত এজনক মন্ত্রী হিচাপে নিযুক্তি দিয়ে। ইয়াৰ ফলস্বৰূপে ৰাজপুতসকল ৰাজসভাত শক্তিশালী হৈ উঠিল আৰু কিছুদিন পিছতেই মেদেনি ৰায়ে ৰজাৰ বিৰুদ্ধে বিদ্রোহ কৰি চিটোৰৰ ৰজা ৰাণা সাংগাৰ সহযোগত ৰজাক পৰাস্ত কৰে। অৱশ্যে অতি সোনকালে দ্বিতীয় মাহমুদ পুনৰ ৰজা হিচাপে অধিষ্ঠিত হয়। সেই সময়তে গুজৰাটৰ ৰজা বাহাদুৰ শ্বাহে দ্বিতীয় মামুদক পৰাস্ত কৰে আৰু মালৱা গুজৰাটৰ ৰজাৰ অধীনলৈ যায়।

অৱশ্যে **১৫৩৫** খ্রীষ্টাব্দত মাল্লু খানে মালৱাত পুনৰ এক স্বাধীন ৰাজ্য স্থাপন কৰে। পিছে কিছুদিনৰ পিছতেই শ্বেৰ শ্বাহে **১৬৪২** খ্রীষ্টাব্দত তেওঁ ক্ষমতাচ্যুত কৰে আৰু সুজাত খানৰ অধীনৰ মালৱা অর্পণ কৰে। সুজাত খানৰ পৰৱৰ্তী শাসক হয় তেওঁৰ পুতেক বাজ বাহাদুৰ। অৱশেষত **১৫৬২** খ্রীষ্টাব্দত মালৱাক মোগল সাম্রাজ্যৰ অন্তর্ভুক্ত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ঃ মালৱাত স্বাধীন ৰাজ্য কোনে স্থাপন কৰিছিল?

প্রশ্ন নং ১১ঃ মালৱাৰ খিলজী বংশ কোনে প্রতিষ্ঠা কৰিছিল?

৭.৭ জৌনপুৰ

দিল্লীৰ চুলতানী আমোলৰ সময়ত স্বাধীনতা ঘোষণা কৰা প্রাদেশিক ৰাজ্যবোৰৰ ভিতৰত প্রথম আছিল জৌনপুৰ। ফিৰোজ টোঘলকে এই প্রাদেশিক ৰাজ্য তেওঁৰ পৃষ্ঠপোষক মোহম্মদ টোঘলক ওৰফে জুনা খানৰ স্মৃতিত স্থাপন কৰিছিল। ফিৰোজ টোঘলকৰ ৰাজসভাৰ এজন উল্লেখযোগ্য বিষয়া আছিল মলিক সৰৱাৰ যাক কিছু সময়ৰ বাবে ৱাজিৰ হিচাপে নিযুক্তি দিয়া হৈছিল আৰু পিছলৈ সমগ্র পূর্বাঞ্চলৰ দায়িত্ব দিয়া হৈছিল। তেওঁক 'মালিক-উছ-শ্বর্ক' উপাধি দিয়া হৈছিল যাৰ অর্থ হ'ল 'পুর্বৰ প্রভু'। এই নামেৰেই তেওঁৰ বংশটোক শ্বার্কী বুলি জনা যায়।

অৱশ্যে টাইমূৰৰ আক্রমণৰ সুযোগ লৈ মলিক সৰৱাৰে দিল্লীৰ চুলতানী আধিপত্য ওফৰাই পেলায় আৰু নিজকে জৌনপুৰৰ মূল শাসক বুলি ঘোষণা কৰে। এনেদৰে তেওঁ শ্বার্কী বংশৰ ভেটি স্থাপন কৰে। তেওঁৰ নিজৰ আধিপত্য অৱধ, চিৰহুত, বিহাৰ আদি অঞ্চললৈ সম্প্রসাৰণ কৰে। জজনগৰ আৰু লখনৌটিৰ ৰজাইও তেওঁৰ কর্তৃত্ব মানি লয়।

তেওঁৰ মৃত্যুৰ পিছত মলিক কৰনপালে মোবাৰক শ্বাহ নাম লৈ শাসনলৈ আহে। তেওঁ ৰজা উপাধি লয়, মুদ্রা মোহৰ মৰায় আৰু নিজৰ নামত খটুবা পাঠ কৰোৱায়। তেওঁৰ শাসন কালত দিল্লীৰ মাল্লু ইকবালে জৌনপুৰ দখলৰ চেষ্টা কৰে যদিও বিফল হয়। **১৪০২** খ্রীষ্টাব্দত মোবাৰক শ্বাহৰ মৃত্যুৰ পিছত তেওঁৰ কনিষ্ঠ ভাতৃ ইব্রাহীম শ্বাহ ৰজা হয়। তেওঁ প্রায় **৩৮** বছৰ

কাল শাসন কৰে আৰু শ্বাৰ্কী বংশৰ শ্ৰেষ্ঠ ৰজা হিচাপে স্বীকৃত হয়। তেওঁৰ শাসনকালছোৱাত দিল্লীৰ চুলতানীৰ লগত প্ৰায়ে সংঘাত হৈছিল যদিও ইয়াৰ কোনো ফলাফল ওলোৱা নাছিল।



জানি থোৱা ভাল

খুটবা-বা খুটবাহ ইছলামীয় পৰম্পৰা অনুসৰি ধৰ্ম উপাসনা কৰা।

ইব্ৰাহীম শ্বাহৰ পিছত তেওঁৰ পুত্ৰ মাহমুদ শ্বাহ ৰজা হয় । তেওঁ চুন্নাৰ দখল কৰে আৰু কাল্পি দখল কৰিবলৈ চেষ্টা কৰে দযিও বিফল হয়। তেওঁ আনকি দিল্লীও আক্ৰমণ কৰে কিন্তু বাহলোল লোডীৰ হাতত পৰাজিত হয়। মাহমুদ শ্বাহৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ মোহম্মদ শ্বাহ ওৰফে ভাইকান সিংহাসনত উঠে **১৪৫৭** খ্ৰীষ্টাব্দত। তেওঁ দিল্লীৰ লগত সংঘাতত লিপ্ত হৈছিল যদিও সফলকাম হোৱা নাছিল। তেওঁৰ বিষয়াসকলৰ লগত সম্পৰ্ক তিক্ততাপূৰ্ণ আছিল আৰু বিষয়াসকলেই তেওঁক হত্যা কৰি তেওঁৰ ভাতৃ হুছেইন শ্বাহক ৰজা পাতে।

শ্বাৰ্কী বংশৰ শেষৰ ৰজা আছিল হুছেইন শ্বাহ। শাসনকালত তেওঁ বাহলোল লোডীৰ লগত শান্তি চুক্তি কৰিছিল। তেওঁ টিৰহুতৰ জমিদাৰসকলক দমন কৰিছিল আৰু উৰিষ্যাত লুট কৰিছিল। তেওঁ গোৱালিয়ৰ আক্ৰমণ কৰি তাৰ ৰজা মান সিঙৰ পৰা যুদ্ধৰ ক্ষতিপূৰণ ল'বলৈ সক্ষম হৈছিল যদিও গোৱালিয়ৰ দুৰ্গ অধিকাৰ কৰিব পৰা নাছিল। কিন্তু অতি সোনকালে জৌনপুৰ দিল্লীৰ লগত যুদ্ধ হয় আৰু এইবাৰ বাহলোল লোডীয়ে হুছেইন শ্বাহক পৰাজিত কৰে আৰু হুচেইন শ্বাহ পলাই গৈ বিহাৰত আশ্ৰয় লয়। **১৫০০** খ্ৰীষ্টাব্দত হুছেইন শ্বাহৰ মৃত্যুৰ পিছত শ্বাৰ্কী বংশৰ পতন ঘটে। শেষত শিকন্দৰ লোডীয়ে জৌনপুৰক দিল্লী আমোলত অন্তৰ্ভুক্ত কৰে।



জানি থোৱা ভাল

মলিক মোহম্মদ জৈছি (**১৪৭৭-১৫৪২**) আছিল এজন ভাৰতীয় কবি। তেওঁৰ আটাইতকৈ বিখ্যাত পুথি হ'ল পদ্মাৱত য'ত তেওঁ **১৩০৩** খ্ৰীষ্টাব্দত আলাউদ্দিন খিলিজিৰ চিট্টোৰ দখলৰ বৰ্ণনা আগবঢ়াইছে। তেওঁৰ অন্যান্য উল্লেখনীয় কৰ্ম হ'ল — আখ্ৰাৱট আৰু আখ্ৰী কালাম।

শ্বাৰ্কী শাসনৰ সময়ছোৱাত জৌনপুৰত উল্লেখনীয় সাংস্কৃতিক বিকাশ দেখিবলৈ পোৱা যায়। শ্বাৰ্কী শাসকসকলে বিদ্বান লোকক পৃষ্ঠপোষকতা কৰিছিল। আনকি টাইমুৰৰ আক্ৰমণৰ সময়ত আশ্ৰয় বিচৰা বহুতো বিদ্বান লোকক তেওঁলোকে আশ্ৰয় দিছিল। সময়ৰ সোঁতত জৌনপুৰক 'পূবৰ চিৰাজ' বুলি কোৱা হৈছিল। শ্বাৰ্কী শাসকসকলে জৌনপুৰ চহৰখন সুন্দৰ অট্টালিকা, মছজিদ আৰু স্মৃতিসৌধ আদিৰে সজাই তুলিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ঃ জৌনপুৰ নগৰ কোনে প্রতিষ্ঠা কৰিছিল।

প্রশ্ন নং ১৩ঃ জৌনপুৰ শাসন কৰা ৰাজবংশটোৰ নাম কি আছিল?

প্রশ্ন নং ১৪ঃ শ্বাৰ্কী বংশৰ শ্রেষ্ঠ ৰজাজন কোন আছিল?



৭.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- দিল্লীৰ চুলতানী আমোলৰ পতনৰ লগে লগে বহুতো প্রাদেশিক ৰাজ্য গঢ় লৈ উঠে। হৰিহৰ আৰু বুক্কায়ে বিজয়নগৰ ৰাজ্যৰ প্রতিষ্ঠা কৰিছিল। বিজয়নগৰ ৰাজ্য এই সময়ছোৱাত তিনিটা ৰাজবংশৰ অধীনত আছিল— সংগম, সালুভা আৰু তালুভা। বাহ্মনী ৰাজ্যৰ পতনৰ পিছত পাঁচখন সৰু সৰু ৰাজ্য গঢ় লৈ উঠে।
- গুজৰাটৰ গৱর্ণৰ খান জফৰে চুলতানী শাসন ওফৰাই স্বাধীনতা ঘোষণা কৰে। আহমদ শ্বাহ প্রথম গুজৰাটৰ সর্বশ্রেষ্ঠ ৰজা হিচাপে পৰিগণিত হয় আৰু ৩২ বছৰকাল শাসনৰ কৰে। ১৫৭২ খ্রীষ্টাব্দত গুজৰাট মোগল সাম্রাজ্যত অন্তর্ভুক্ত হয়।
- মালৱাত পৰমাৰ ৰাজপুতসকলে শাসন কৰিছিল আৰু ই সফলতাৰ শিখৰত উঠে ৰাজা ভোজৰ শাসনকালত। ১৫৬২ খ্রীষ্টাব্দত বাজ বাহাদুৰৰ পৰা আকবৰে মালৱাক মোগল সাম্রাজ্যৰ অন্তর্ভুক্ত কৰা হয়।
- দিল্লীৰ চুলতানী আমোলৰ সময়ত স্বাধীনতা ঘোষণা কৰা প্রথম প্রাদেশিক ৰাজ্যবোৰৰ ভিতৰত আছিল জৌনপুৰ। সময়ৰ সোঁতত জৌনপুৰক 'পূবৰ চিৰাজ' বুলি ক'বলৈ লোৱা হৈছিল।



৭.৯ অধিক জানিবলৈ

- Chandra, Satish. (2008). *Medieval India: From Sultanate to the Mughals, Delhi Sultanate (1206-1526) Part one.* New Delhi, India: Har-And Publication Pvt. Ltd.
- Gribble, J.D.E. (1990). *History of the Deccan.* Vol. 1. New Delhi, India: Mittal Publication.
- Mahajan, V.D. 1(Reprint 2007). *History of Medieval of India.* New Delhi, India: Chand & Company.

- Sastri, K.A. Nilakanta. (2014). *The Illustrated History of South India: From Prehistoric Times to the Fall of Vijanagar.* New Delhi, India: Oxford University Press.



৭.১০ অগ্রগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ হৰিহৰ আৰু বুক্কা

২নং প্ৰশ্নৰ উত্তৰ ঃ হৰিহৰ আ ৰু বুক্কা

৩নং প্ৰশ্নৰ উত্তৰ ঃ নৰসিংহ

৪নং প্ৰশ্নৰ উত্তৰ ঃ বুক্কা

৫নং প্ৰশ্নৰ উত্তৰ ঃ কৃষ্ণ দেৱ ৰায়

৬নং প্ৰশ্নৰ উত্তৰ ঃ মোহম্মদ শ্বাহ প্ৰথম

৭নং প্ৰশ্নৰ উত্তৰ ঃ কালিমুল্লাহ

৮নং প্ৰশ্নৰ উত্তৰ ঃ জফৰ খান

৯নং প্ৰশ্নৰ উত্তৰ ঃ মুহম্মদ বেগাৰা/শ্বাহ

১০নং প্ৰশ্নৰ উত্তৰ ঃ দিলৱাৰ খান

১১নং প্ৰশ্নৰ উত্তৰ ঃ মাহমুদ খান

১২নং প্ৰশ্নৰ উত্তৰ ঃ ফিৰোজ টোঘলক

১৩নং প্ৰশ্নৰ উত্তৰ ঃ শ্বাৰ্কী

১৪নং প্ৰশ্নৰ উত্তৰ ঃ ইব্ৰাহীম শ্বাহ



৭.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ঃ অমুক্তমাল্যবাদতা কি?

প্ৰশ্ন ২ঃ টালিকোতাৰ যুদ্ধ কেতিয়া হৈছিল?

প্ৰশ্ন ৩ঃ পদ্মাৱতৰ লেখক কোন?

প্ৰশ্ন ৪ঃ ইলতুৎমিছে কেতিয়া মালৱা লুট কৰিছিল?

প্ৰশ্ন ৫ঃ কাক 'মলিক-উচ-শ্বৰ্ক উপাধি দিয়া হৈছিল?

(খ) চমু প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ঃ অস্ত-দিগ-গজ বুলিলে কি বুজায়?

প্রশ্ন ২ঃ বাহ্মনী ৰাজ্যৰ চাৰিখন প্রদেশৰ নাম লিখক।

প্রশ্ন ৩ঃ বাহ্মনী ৰাজা হুমায়ুনক কিয় জালিম হুমায়ুন বুলি জনা যায়।

প্রশ্ন ৪ঃ গুজৰাটী স্থাপত্য কলাৰ বৈশিষ্ট্য কি?

প্রশ্ন ৫ঃ যি কোনো ৰাজ্যৰ বাবে মালৱা কিয় গুৰুত্বপূর্ণ আছিল?

প্রশ্ন ৬ঃ জৌনপুৰৰ বংশটোক কিয় শ্বাকী বংশ বুলি কোৱা হয়।

(গ) ৰচনাধর্মী প্রশ্ন ((প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ঃ কৃষ্ণদেৱ ৰায়ৰ শাসনকাল ব্যাখ্যা কৰক।

প্রশ্ন ২ঃ বাহ্মনী ৰাজ্যৰ প্রাদেশিক গৱর্ণৰ সকলে কিয় বিদ্রোহ কৰিছিল? ইয়াৰ পৰিণতি কি আছিল?

প্রশ্ন ৩ঃ বিজয়নগৰ ৰাজ্যৰ উত্থান আৰু পতনৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ঃ গুজৰাটক এখন শাক্তিশালী ৰাজ্য হিচাপে গঢ় দিয়াত আহমদ শ্বাহৰ ভূমিকা আলোচনা কৰক।

প্রশ্ন ৫ঃ দিল্লীৰ চুলতানী সাম্রাজ্যৰ পতনৰ লগে লগে প্রাদেশিক ৰাজ্যসমূহৰ উত্থানৰ বিষয়ে আলোচনা কৰক।

———————

REFERENCES

English Books:

1. Chandra, Bipan. (2015). History of Modern India: Hyderabad, India: Orient BlackSwan Pvt. Ltd.
2. Chandra, Satish. (2008). Medieval India: From Sultanate to the Mughals, Delhi Sultanate (1206-1526) Part One: New Delhi, India: Har-Anand Publications Pvt. Ltd.
3. Chattopadhyaya, D.P. (2011). Economic History of Medieval India, 1200-1500 (History of Science, Philosophy and Culture in Indain Civilization,Vol III, Part 1) : Delhi, India: Pearson Longman
4. Gribble, J.D.E. (1990). History of the Deccan, Vol. I: New Delhi, India: Mittal Publications
5. Habib, Irfan (2000). Agrarian System of Mughal India, 1556-1707: Bombay, India: Oxford University Press
6. Mahajan, V.D. (2007). History of Medieval India: New Delhi, India: S. Chand & Company Limited
7. Maiti, Provatansu and Kumar Saha, Prabhat (2000). Medieval India (1206 AD-1707 AD): Calcutta, India: Sreedhar Publishers
8. Majumdar, RC, RayChaudhuri, H.C. and Datta, K. (2007). An advanced History of India: Delhi, India: MacMillan
9. Majumdar, R.C. (1990). The Delhi Sultanate: Bombay, India: Bharatiya Vidya Bhawan
10. Mehta, J.L. (2006). Advanced Study in the History of Medieval India, Vol. II: Mughal Empire 1526-1707): New Delhi, India: Sterling Publishers Pvt. Ltd.
11. Prasad, Ishwari (1965). A Short History of Muslim Rule in India: Allahabad, India: The Indian Press
12. Prasad, Ishwari (1940). History of Medieval India: New Delhi, India: The Indian Press
13. Rao, KS Kameswar (2011). Main Currents in Indian History- Ancient, Medieval and Modern: Jaipur, India: Rawat Publication
14. RayChoudhary, S.C. (2011). History of Medieval India (From 1000-1707 AD): Delhi, India: Surjeet Publication
15. Richards, John F. (1996). The Mughal Empire: Cambridge, UK: Cambridge University Press

16. Roy, Kaushik (2013). Military Manpower, Armies and Warfare in South Asia: New York, USA: Taylor and Francis

17. Salma Ahmed, Farooqui. (2011). A Comprehensive History of Medieval India: From the Twelfth to the Mid Eighteenth Century: Delhi, India: Dorling Kindersley (India) Pvt. Ltd.

18. Sastri, K.A. Nilakanta. (2014). The illustrated History of South India: From PreHistoric Times to the Fall of Vijayanagar: New Delhi, India: Oxford University Press

19. Singh, Vipul. (2009). Interpreting Medieval India Vol. I: Early Medieval Delhi Sultanate and Regions (circa 750-1550): New Delhi, India: MacMillan

20. Spear, Percival. (1985). The Oxford History of Modern India (1740-1975): New Delhi, India: Oxford University Press

21. Vivekananda, Jayashree. (2011). Interrogating International Relation's: India's strategic Practice and the Return of History: New Delhi, India: Routledge

Online Sources:

Bayazid Ansari and his Raushaniya Movement (2016, January 7). Retrieved fromm https://pakpatpourri.wordpress.com/2012/12/23/bayazid-ansari-his-raushaniya-movemnt-in-the-af-pak-regions-16th-17th-century/